এপ্রিল 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition

Chandamama
fun stories & more
New Media
ENJOY
Animated Short Stories
Audio Stories
Adventure Series
on mobile
Mobisodes
Audio Stories
Online Books
Chandamama
You must be punctual, disciplined and sincere in your efforts.
TV Shows
Gift or Buy Mobisode
www.chandamama.com

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান-তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ লিখি আমালৈ নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰক:

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

শিশু তাৰকা

শান্তনু ভীনেশ ৰংগনেকাৰ হ'ল চুলে গুৰুজী বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ। তেওঁ ইতিমধ্যেই তাৰকাত পৰিণত হৈছে। শ্ৰীৰমেশ মোৰেই পৰিচালনা কৰা 'চেম্পিয়ন' নামৰ মাৰাঠী চলচিত্ৰত কৰা অভিনয়ৰ বাবে শান্তনুৱে ৫৮তম ৰাষ্ট্ৰীয় চলচিত্ৰ বটাত সৰ্বোত্তম শিশু অভিনেতাৰ পুৰস্কাৰ লাভ কৰিছে।

শান্তনুৱে মাৰাঠী শিশু নাটক 'অপু অশ্ব কৰি গুড্ডুল্যা'ত এক মুখ্য ভূমিকাত অভিনয় কৰি অভিনয় জীৱন আৰম্ভ কৰে। মহাৰাষ্ট্ৰ আৰু ইন্দোৰত এই নাটকৰ প্ৰায় ৩৭ টা দৰ্শনী প্ৰদৰ্শন কৰা হয়।

শান্তনুৱে দুখন তথ্যচিত্ৰতো অভিনয় কৰিছে। তাৰে এখন হ'ল ইংৰাজী তথ্যচিত্ৰ 'টপাৰছ' আনখন হ'ল মাৰাঠী তথ্যচিত্ৰ 'সাৱধান, পুধে এইডছ আহে'। এই তথ্যচিত্ৰ এইডছৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ নিৰ্মাণ কৰা হৈছে। ইয়াৰোপৰি, তেওঁ 'ৰছা' নামৰ সামাজিক সমস্যাৰ ওপৰত নিৰ্মাণ কৰা এক মাৰাঠী ফিচাৰ ফিল্মতো অভিনয় কৰিছে।

ডাঙৰ হৈ শান্তনুৱে এজন সফল অভিনেতা হব বিচাৰে। অভিনয় কৰি যোৱাৰ ক্ষেত্ৰত তেওঁৰ পিতৃ-মাতৃয়েও তেওঁক সম্পূৰ্ণ সহযোগিতা কৰিছে। তেওঁ হোটেল মেনেজমেণ্ট কোৰ্ছত ভৰ্তি হব বিচাৰে যদিও ভৱিষ্যতৰ পেশা হিচাপে অভিনয় চলাই যাব বিচাৰে।

চান্দমামাৰ তৰফৰ পৰা আমি তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

April 2012 ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar
Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju
Sub Editor :
Patricia Pandian
General Manager :
Sowmya Bharadwaj
Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar
Artist :
Venki
Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar
Production In-charge :
Prashant Pawar
Circulation:
circulation@chandamama.com
Asst. Manager - Sales & Circulation:
Subhankar Rej
Sales Officer - Circulation :
K. Ravishankar
Advertisement :
sales@chandamama.com
Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

A

এই সংখ্যাত আছে

চান্দমামা

Volume-3 April 2012 Issue-04

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি ...০৯
* অদূৰদৰ্শী সিদ্ধান্ত ...১১
* ভূমিপুত্ৰ ...১৮
* আধা অনাৰ ৰজা ...২০
* মিত্ৰ ভেদ – ২৯ ...২৪
* সমস্যা ...২৭
* এটকা চাবি অনা ...৩০
* তিনিগুণ লোকচান ...৩২
* ৰজা হোৱাৰ যোগ্য ...৩৫
* নকল মোহৰ ...৩৯
* প্ৰজন্ম পাৰ্থক্য ...৪০
* গুণৱতী ...৪৮
* মূল্যৰ দৰদাম ...৫০
* কুঁৱাৰ ভিতৰৰ মাছ ...৫২
* পাপনে পূণ্য? ...৫৪
* শিথিলালয় – ২৫ ...৫৫
* ছাৰ্কাছৰ সিংহ ...৬২
* বেটুপাতৰ কাহিনী ...৬৩
* জন্মতেই ভাগ্যৱান ...৬৪
* ভোক ...৬৭
* অনুপযুক্ত পৰিৱেশ ...৬৮
* সঞ্জীৱনী ফল ...৭০
* মই কি হ'ব পাৰো? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৩৯ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

বন্ধুসকল,

এপ্ৰিল মাহটো একেসময়তে মিঠা আৰু টেঙা সোৱাদযুক্ত এখন আঞ্জাৰ দৰে। এফালে আমি মনপুতি অধ্যয়ন কৰিবলগীয়া হয় যাতে গোটেই বছৰৰ অধ্যয়নৰ পিছত পৰীক্ষাত ভাল ফল লাভ কৰাটো সম্ভৱ হয়, আনহাতে ই এক আনন্দ কৰাৰ সময়। যদি আমি গোটেই বছৰ ধৰি নিয়মিতভাৱে অধ্যয়ন কৰি যাও, তেন্তে আমাৰ ওপৰত শেষ মুহূৰ্তত চাপ কমকৈ পৰে। ই আমাৰ আত্মবিশ্বাস বৃদ্ধি কৰাটো সহায় কৰে।

এপ্ৰিলৰ পহিলা দিনটো আমি সকলোৱে 'এপ্ৰিল ফুল' দিন বুলি জানো। আমি যেতিয়া সেইদিনা আনক মিছা কথা কৈ ঠগো, সকলোৱে তাক ভাল ভাৱত লয়। তোমালোকে বন্ধুসকলক কেনেধৰণৰ মিছা কথা কৈ ঠগা, সেইবিষয়ে আমালৈ লিখিবাচোন।তাৰোপৰি বন্ধৰ দিন আৰম্ভ হোৱাৰ আগে আগে তোমালোকে এই বন্ধ কেনেকৈ কটাব বিচাৰিছা, সেইবিষয়েও আমালৈ লিখিব পাৰা। বছৰৰ নানা সময়ত আমি তোমালোকক ভাৰতৰ আৰু বিশ্বৰ নানা ধৰণৰ পৰ্যটন উপযোগী ঠাইৰ বিষয়ে বহু কথাই জনাই আহিছো। সেইবিলাক জানিবলৈ পুৰণা চান্দমামাসমূহ আকৌ এবাৰ চাব পাৰা।

এই মাহটো শ্ৰীৰামৰ জন্মদিন ৰামনৱমীৰে আৰম্ভ হয়। এপ্ৰিলৰ এক তাৰিখে ৰাম নৱমী পালন কৰা হয়। তাৰপিছত ৫ তাৰিখে মহবীৰ জয়ন্তী আৰু এই মাহৰে ৬ তাৰিখ হনুমানৰ জন্মদিন বুলি বিশ্বাস কৰা হয়। যিটো দিনত যীশুখ্ৰীষ্টক ক্ৰুছবিদ্ধ কৰা হৈছিল, সেই দিনটোক 'গুড ফ্ৰাইডে' বুলি মানি চলা হয়। এই দিনটো হ'ল ৬ এপ্ৰিল। যীশুৰ পুণৰ জনমৰ দিন হ'ল তাৰ পিছৰটো দেওবাৰ, যাক 'ইষ্টৰ চানডে' বুলি জনা যায়। এপ্ৰিলৰ ১৩ তাৰিখ হ'ল উৰুকা আৰু ১৪ তাৰিখ হ'ল ড. বাবাচাহেব আম্বেদকাৰ জয়ন্তী আৰু লগতে বিহু। ইয়াক বছৰৰ প্ৰথম দিন বুলি গণ্য কৰা হয়। তামিলনাডুত এই দিনটোত 'বিষু' পালন কৰা হয়।

যোৱা বছৰটোত 'মিডল ইষ্ট' অঞ্চলটো বেয়া সময়ৰ মাজেদি পাৰ হবলগীয়া হ'ল। আকৌ ইউৰোপৰ বহু দেশ অৰ্থনৈতিক সংকটৰ মুখামুখি হবলগীয়া হ'ল। সেইবিলাক দেশৰ ভুলৰ পৰা ভাৰতে শিক্ষা লোৱা উচিত।

আমি মোবাইল আৰু ইন্টাৰনেটত কিছুমান নতুন কিতাপ মুকলি কৰাৰ পৰিকল্পনা কৰিছো। তোমালোকে কি পঢ়ি ভাল পোৱা সেইবিষয়ে আমালৈ লিখিবা। আমি সেইবিলাককো তাত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিম।

– সম্পাদক

পাঠকৰ পত্ৰ

মই চান্দমামাৰ হিন্দী সংস্কৰণ বৰ ভাল পাও। মই ভাৱো যে চান্দমামাত প্ৰকাশিত কাহিনীসমূহৰ কোনো তুলনা নাই। আপোনালোকৰ দলৰ সকলো সদস্যই চান্দমামা সময়মতে প্ৰকাশ কৰি থকাৰ বাবে কঠোৰ পৰিশ্ৰম কৰে। সকলোতকৈ সুন্দৰ হ'ল বেটুপাত। ই আলোচনীখনৰ আকৰ্ষণ বৃদ্ধি কৰে। মই চান্দমামাৰ সম্পাদনা দললৈ মোৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰিছো। আপোনালোক কিয় চান্দমামাৰ পঞ্জাৱী সংস্কৰণ বন্ধ কৰি দিলে?

– সনদীপ কুমাৰ, অমৃতসৰ

মই যেতিয়াই কিতাপৰ দোকানলৈ যাও, তেতিয়াই চান্দমামাৰ সন্ধান কৰো। মই চান্দমামাৰ নিয়মীয়া পঢ়ুৱৈ। যোৱা ৪০ বছৰ ধৰি মই চান্দমামা পঢ়ি আহিছো।

- munubhargabi@ovi.com

মই তৃতীয় শ্ৰেণীত থকাৰ পৰাই চান্দমামা পঢ়ি আহিছো। সেই সময়ত ইয়াৰ মূল্য আছিল ৬০ পইছা। সেয়া প্ৰায় ১৯৭২ চন মানৰ কথা। মই মহাৰাষ্ট্ৰ চৰকাৰৰ এখন জিলাৰ এটা বিভাগৰ মূৰব্বী বিষয়া। মই চান্দমামাত আৰব্ৰ সাহিত্যৰ নানা কাহিনী উপভোগ কৰিব বিচাৰো।

– সঞ্জয় দোলে

চান্দমামা দেখি আৰু পঢ়ি মই সঁচাই অতি আনন্দিত। *– বি আৰ অ' শংকৰ, গংগাৱতী*

মই চান্দমামাৰ সম্পাদনা সমিতিক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মই চান্দমামাৰ নিয়মীয়া গ্ৰাহক। যিদৰে আমি লাহে লাহে ডাঙৰ হৈ আহিছো, সেইদৰে চান্দমামাও আমাৰ লগে লগে ডাঙৰ হৈ আহিছে। বৰ্তমান কালত আমাৰ আদৰ্শ আৰু সংস্কৃতিৰ বিশেষ পৰিৱৰ্তন ঘটিছে আৰু ফলত কিতাপ পঢ়াৰ অভ্যাসো কমি আহিছে। কিন্তু চান্দমামা ব্যতিক্ৰম। ই কিতাপ পঢ়া লোকৰ সংখ্যা কমি যাবলৈ দিয়া নাই। চান্দমামা হ'ল পৌৰাণিক জ্ঞানৰ মুখ্য উৎস। অনুগ্ৰহ কৰি চান্দমামাত পুণৰ পৌৰাণিক কুইজ প্ৰকাশ কৰা আৰম্ভ কৰক।

– লোকনাথ শেঠী, কালাহাণ্ডি, উৰিষ্যা

মই পঞ্চাশ বছৰ বয়সীয়া। এতিয়াও মই একেই আগ্ৰহেৰে চান্দমামা পঢ়ো। শংকৰ আৰু চিত্ৰাৰ চিত্ৰৰ লগত কাহিনীবিলাক সঁচাই মনোৰম। মোৰ অভিনন্দন থাকিল।

– জাৱানা, কৰ্ণাটক

এটা গ্ৰন্থাগাৰত মই প্ৰথমবাৰৰ বাবে চান্দমামা পঢ়িছিলো। চান্দমামা পঢ়াত ডাঙৰসকলৰ আগ্ৰহ কমবয়সীয়া সকলতকৈ অধিক। মই ঘৰুৱা শিক্ষকতা কৰো আৰু যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে কাহিনী শুনিব বিচাৰে তেতিয়া চান্দমামা পৰা কাহিনী কৈ শুনাও। মই সাধাৰণতে ইংৰাজী আলোচনী পঢ়ো। চান্দমামা পঢ়ি আমি সকলোৱে অতীৱ আনন্দ লাভ কৰো। মই সিদ্ধান্ত কৰিছো যে ভৱিষ্যতে চান্দমামা এটাও সংখ্যা বাদ নিদিয়াকৈ পঢ়িম।

– জ্যোতি চাংটানি, বৰোদা

এটা চিমনি লেম্পৰ তলত চান্দমামা পঢ়াৰ মোৰ শৈশৱৰ স্মৃতিক ৰোমন্থন কৰাৰ সুবিধা

প্ৰদান কৰাৰ বাবে বহুত বহুত ধন্যৱাদ। মোৰ সন্তানে আন আন কাহিনীৰ লগতে চান্দমামাৰ কাহিনীবিলাকৰো সোৱাদ লয়। মই গৌৰৱ কৰিব পাৰো যে মোৰ ওচৰত চান্দমামাৰ এটা সুন্দৰ সংগ্ৰহ আছে। কিন্তু আমি যথেষ্ট পলমকৈ চান্দমামা লাভ কৰো। আধা শতাব্দীৰো অধিক কাল প্ৰকাশৰ ৰেকৰ্ড স্থাপন কৰা চান্দমামাৰ সকলোলৈ মোৰ ফালৰ পৰা অভিনন্দন থাকিল।

– শ্যামলা এছ এন ভাট, পাল্লাট্টিডকা, কেৰেলা

মোৰ ককাদেউতাই যোৱা পঞ্চাশ বছৰ ধৰি চান্দমামা পঢ়ি আহিছে। মই যেতিয়া সৰু আছিলো, তেওঁ মোক নানা ধৰণৰ কাহিনী কৈছিল। মই এতিয়া চান্দমামাৰ পৰা তেওঁক কাহিনী পঢ়ি শুনাও। এনে কৰি মই বৰ আনন্দ লাভ কৰো। চান্দমামাৰ বহুদিনীয়া পাঠকৰ স্মৃতি ৰোমন্থন যেতিয়া মই পঢ়ো, মই উপলব্ধি কৰো যে সকলো বয়সৰ, সকলো ধৰণৰ লোকেই চান্দমামা পঢ়িব পাৰে। কেৱল চান্দমামাৰ ক্ষেত্ৰতেই এনে হোৱাটো সম্ভৱ। ই বয়সীয়া মানুহৰ মাজত থকা শিশুৰূপ জাগৃত কৰি তোলে। যোৱা মাহৰ চান্দমামাত থকা সকলো কাহিনী পঢ়ি বৰ ভাল পালো। *– পুলিজালা শ্ৰদ্ধা, হায়দৰাবাদ*

পঞ্জাৱী ভাষা নজনা এজন হিন্দীভাষী পাঠকে চান্দমামা পঢ়ি কেনেদৰে পঞ্জাৱী শিকি পেলালে সেই কথা পঢ়িবলৈ পাই বৰ ভাল পাইছো। চান্দমামাত প্ৰকাশিত কাহিনীসমূহৰ তুলনা নাই।

– এছ শ্যাম সুন্দৰ, ৰায়চৌতি

'শিথিলালয়' ধাৰাবাহিক প্ৰকাশ কৰি শেষ কৰাৰ পিছত মই 'অপূৰ্ব স্তম্ভ' ধাৰাবাহিক পুণৰ প্ৰকাশ কৰিবৰ বাবে অনুৰোধ কৰো। এই ধাৰাবাহিক আজিলৈকে পুণৰ প্ৰকাশ কৰা হোৱা নাই। মই ভাৱো নতুন প্ৰজন্মই এই ধাৰাবাহিক পঢ়ি ভাল পাব।

– এছ ভেংকটেশ, ইন্দিৰা নগৰ, বাংগালোৰ

পুৰণা চান্দমামাত আপোনালোকে আকাশবাণী নামত বৰ সুন্দৰ সুন্দৰ উক্তি প্ৰকাশ কৰিছিল। তাৰ লগতে বিখ্যাত সংস্কৃত কবি ভতৃহৰিৰ শুভচিন্তম আৰু তাৰ অৰ্থ সমূহো সহজ ভাষাত প্ৰকাশ কৰিছিল। মই সেইবিলাক আজিৰ শিশুসকলৰ বাবে পুণৰ প্ৰকাশ কৰিবৰ বাবে অনুৰোধ কৰো। *– এম অচ্যুত ৰেড্ডী, গজুৱাকা*

যোৱা সপ্তাহত মই কিবা এটা কামৰ বাবে কোলহাপুৰত আছিলো। তাত মই মোৰ পত্নীৰ লগত মহাদ্বাৰ পথলৈ যাওতে চান্দমামা সম্পৰ্কে এক অনুসন্ধান কৰি চালো, কিয়নো মই চান্দমামাৰ এজন প্ৰিয় ভক্ত। দোকানীয়ে কলে যে তেওঁৰ ওচৰত চান্দমামাৰ শেহতীয়া সংখ্যাটো আছে। চান্দমামাই ইমান দিনে নিজৰ জনপ্ৰিয়তা ধৰি ৰখা দেখা পাই মই আচৰিত হলো (ভগৱানে কৰিলে এনে জনপ্ৰিয়তা চিৰদিন থাকিব)। মই দেখাৰ লগে লগে চান্দমামাৰ সেই শেহতীয়া সংখ্যাটো কিনি পেলালো। পিছত সেইখন ঘৰলৈ লৈ অহাত মোৰ দেউতাই ইমান দিনৰ পিছত চান্দমামা দেখি আচৰিত হ'ল। তেওঁ সেইদিনাই গোটেইখন পঢ়ি শেষ কৰি পেলালে। মোৰ শহুৰৰ ক্ষেত্ৰতো একেই ঘটনা ঘটিল। মই এই কথাটো এই কাৰণেই লিখিলো যে আমাৰ পৰিয়ালৰ সকলোৱে সেই সংখ্যাটো পঢ়াৰ পিছত পিছৰ সংখ্যাৰ বাবে বাট চাই আছে। *– ইৰফান, সাতাৰা*

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama! Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages. Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex: ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees ....

Cheque/DD No ....

favouring Chandamama India Ltd on ....

.... bank.

* Your subscription will commence in 6 weeks.

Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
English (₹25/- per copy)	₹300	₹540 $60	₹765 $135	₹960 $240	₹1125 $375
REGIONAL (₹20/- per copy)	₹240	₹430 $50	₹610 $110	₹770 $190	₹900 $300
JUNIOR (₹15/- per copy)	₹180	₹325 $35	₹460 $80	₹575 $145	₹675 $255

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – তেলেগু

চান্দমামাৰ স্মৃতি ৰোমন্থন কৰিবৰ বাবে মই চেষ্টা কৰাৰ প্ৰয়োজন আছে জানো? ১৯৬৬ চনত মোৰ জন্মদিনৰ উপহাৰ হিচাপে মোৰ দেউতাই মোক চান্দমামা কিনি দিছিল। তেতিয়াৰ পৰাই চান্দমামা সদায় মোৰ ঘৰত আছে। সেই সময়ত চান্দমামাৰ দাম আছিল কেৱল ৭৫ পইছা। প্ৰতিমাহতেই মই চান্দমামাৰ নতুন সংখ্যা আহি পোৱালৈ আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিলো। কিতাপৰ দোকানত মই চান্দমামা দেখা পোৱাৰ লগে লগে মই ঘৰলৈ দৌৰ মাৰিছিলো আৰু প্ৰয়োজনীয় পইছা লৈ গৈ চান্দমামা কিনি পেলাইছিলো। সময় নষ্ট নকৰি ঘৰলৈ উভতি যোৱাৰ সময়তেই মই চান্দমামাখনৰ চিত্ৰবিলাক উপভোগ কৰিছিলো। এয়া মোৰ এক সোণালী স্মৃতি– কিতাপৰ দোকানলৈ যোৱা আৰু তাৰ পৰা উভতনি যাত্ৰা।



Name: K. Sivaram Prasad
Occupation: Bank Manager, Bengaluru

চান্দমামাৰ সুন্দৰ কাহিনীবিলাকে মোক নতুন নতুন শব্দ শিকাত সহায় কৰিছিল। ভাষাৰ ব্যৱহাৰৰ বিষয়েও মই চান্দমামাৰ পৰাই জ্ঞান লাভ কৰিছিলো। আজি মই কোনো ভুল নোহোৱাকৈ তেলেগু লিখিব পাৰো।

মই ১৩–১৪ বছৰমান বয়সীয়া হৈ থকাৰ সময়ত, চান্দমামাৰ সংখ্যাবিলাক আলমাৰীত ভৰাই তলা মাৰি থৈছিলো। আনকি মোৰ দেউতায়ো মোক সুধিহে তাৰ পৰা চান্দমামা উলিয়াই লৈ পঢ়িব পাৰিছিল।

১৯৭৩–৭৪ চন মানত, মোৰ ওচৰত নথকা চান্দমামাৰ পুৰণা সংখ্যাবিলাক সংগ্ৰহ কৰিবৰ বাবে মোৰ তীব্ৰ ইচ্ছা জাগিল। মোৰ টাইপিং ক্লাছৰ পিছত প্ৰতি সন্ধিয়া মই বিজয়ৱাড়াৰ গান্ধীনগৰৰ পথত ব্যৱহৃত কিতাপ বিক্ৰী কৰা দোকানবিলাকত সেইবিলাক বিচাৰি ফুৰিছিলো। মোৰ এনে আগ্ৰহৰ কথা জানিব পাৰি সেইবিলাক দোকানৰ গৰাকীসকলেও চান্দমামাৰ পুৰণা সংখ্যা পালেই মোৰ বাবে থৈ দিছিল।

চান্দমামাৰ চিত্ৰসমূহৰ কথা উল্লেখ নকৰিলে মোৰ এই স্মৃতি ৰোমন্থন সম্পূৰ্ণ নহব। সেইবিলাক বাৰে বাৰে নোচোৱালৈকে হেপাহ নপলায়। শিল্পী চিত্ৰাৰ চিত্ৰসমূহ সচাকৈয়ে সুন্দৰ আৰু ধাৰাবাহিকৰ আৰম্ভণিৰ পৰা শেষলৈকে এক ধাৰাবাহিকতা লক্ষ্য কৰিব পাৰি। শংকৰ গুৰুৱে আখ্যানমূলক কাহিনীৰ বাবে অংকন কৰা চিত্ৰসমূহ আৰু বাপাৰ বেটুপাতৰ চিত্ৰসমূহৰ কোনো তুলনা নাই।

যেতিয়া মোৰ মন বেয়া লাগে, তেতিয়া মই চান্দমামাৰ চিত্ৰ চাও। ই মোৰ মনক সতেজতা প্ৰদান কৰে। চান্দমামাৰ লগত সম্পৰ্ক থকা স্মৃতি ইমানেই বেছি যে সেয়া ইয়াত লিখি শেষ কৰাটো সম্ভৱপৰ নহয়। একেষাৰতে কবলৈ গলে চান্দমামা মোৰ শৈশৱৰ বন্ধু আৰু একেসময়তে মোৰ গুৰু।

মোৰ স্মৃতি – তেলেগু

চান্দমামাৰ লগত মোৰ সম্পৰ্ক ৬২ বছৰ বয়সীয়া। চান্দমামাৰ লগত তুলনা কৰাৰ যোগ্য শিশু আলোচনী মই আজিলৈকে দ্বিতীয় এখন বিচাৰি পোৱা নাই। আজিৰ তাৰিখলৈকে বহু শিশু আলোচনী প্ৰকাশ হৈছে আৰু ভৱিষ্যতেও বহু হ'ব। কিন্তু মোৰ বোধেৰে কোনোৱেই চান্দমামাৰ লগত ফেৰ মাৰিব নোৱাৰে।

চান্দমামা প্ৰকাশ হোৱাৰ লগে লগে মই বজাৰৰ পৰা কিনি আনো আৰু প্ৰতিদিনেই এটা বা দুটা কাহিনী পঢ়ো। মই একেদিনাই সকলো কাহিনী পঢ়ি শেষ নকৰো। এতিয়া মোৰ বয়স হ'ল ৭২ বছৰ। মই পঢ়ি শেষ কৰাৰ পিছত চান্দমামাখন মোৰ নাতিনীকেইজনীক দিও। সিঁহতে সেইখন পঢ়ি শেষ কৰাৰ পিছত ভালকৈ সাঁচি থয়। যদি কোনো সময়ত মোৰ মন ভাল লাগি নাথাকে, তেন্তে মই চান্দমামাৰ পুৰণা সংখ্যা এটা উলিয়াই লৈ পঢ়ো। বৰ্তমানৰ চান্দমামাখন আকাৰত আগৰখনতকৈ সৰু। মই চান্দমামাৰ আকাৰ সৰু নকৰিবৰ বাবে অনুৰোধ কৰো।



Name: H. Abdul Mazid
Occ: Retd. Livestock
Assistant, Chittoor, A.P.

চান্দমামা শৈশৱৰ পৰাই মোৰ এক গুৰুত্বপূৰ্ণ অংগ হৈ পৰিছে। ই মোক এনেধৰণেৰে প্ৰভাৱিত কৰিছে যে মই কাৰো কথাই বেয়াকৈ নাভাৱো। চান্দমামাই মোক জীৱন জুৰি পথ প্ৰদৰ্শন কৰি আহিছে।

'পাতাল ভৈৰৱী' চলচিত্ৰত দেখুওৱা ৰাজপ্ৰসাদৰ বৈভৱ মই চান্দমামাৰ চিত্ৰৰ ৰাজপ্ৰসাদবিলাকত দেখিবলৈ পাও। চান্দমামাৰ চিত্ৰসমূহ সচাই অপূৰ্ব।

এসময়ত, মই এখন জীৱ–জন্তুৰ চিকিৎসালয়ত কাম কৰি আছিলো। তাত মোৰ এজন সহকৰ্মী আছিল, যাৰ অতি সোনকালে খং উঠিছিল। মোতকৈ উচ্চ পৰ্যায়ৰ এজন বিষয়াৰ অনুৰোধত তেওঁ প্ৰতিমাহে চান্দমামা পঢ়িবলৈ ধৰিলে। মাত্ৰ দুমাহৰ পিছতে তেওঁৰ খং নাইকীয়া হৈ পৰিল। এয়া এক সত্য ঘটনা।

মই আন এটা ঘটনা এইখিনিতে উনুকিয়াব খোজো। আকাশবাণীৰ যোগেদি ২.৩০ বজাত বিবিধ ভাৰতী শিতানত গান শুনাৰ এক অভ্যাস মোৰ আছে। ২০১১ চনৰ, ২২ জুনত, 'আজ কে মেহমান' শিতানত প্ৰায় ৪ টা বজাত 'ৰং দে বাসন্তী' চলচিত্ৰৰ পৰিচালক ওম প্ৰকাশৰ মেহেৰাৰ এটা সাক্ষাৎকাৰ প্ৰচাৰিত হৈছিল। ওম প্ৰকাশে মেহেৰাই কোৱা প্ৰথম শব্দ কেইটা হ'ল, 'শিশুকালৰ পৰাই চান্দমামা পঢ়াৰ অভ্যাস মোৰ আছে। সেই কাহিনীবিলাক পঢ়ি মই শান্তি লাভ কৰো। শান্তি লাভ কৰিবৰ বাবে মই আনকো সেইবিলাক পঢ়িবলৈ অনুৰোধ কৰো।' সাক্ষাৎ গ্ৰহণকাৰী ৰেণু বানছালক কোৱা এই কথা প্ৰচাৰিত হৈছিল বিবিধ ভাৰতী বম্বে চেনেলৰ দ্বাৰা।

ওপৰৰ ঘটনা দুটা কাল্পনিক নহয়। সত্য ঘটনা। এই ধৰণৰ ঘটনাই প্ৰমাণ কৰে যে পাঠকৰ ওপৰত চান্দমামাই ভাল প্ৰভাৱ পেলায়।

বিক্ৰম-বেতাল

অদূৰদৰ্শী সিদ্ধান্ত

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, ''হে ৰাজন, মই তোমাৰ সাহস আৰু ধৈৰ্যৰ প্ৰশংসা কৰো। জ্ঞানীলোকে যি কোনো পৰিস্থিতিতে ধৈৰ্য ধৰি থাকে। মই তোমাক এজন ৰজাৰ কাহিনী এটা কম, যি কঠোৰ পৰিশ্ৰম কৰি ৰাজ্য আৰু ৰজাক চহকী কৰা মূল্যৱান মানৱ সম্পদক পৰিত্যাগ কৰিবলৈ সিদ্ধান্ত লৈছিল। তুমি এই কাহিনী শুনি তোমাৰ ভাগৰ পাহৰি যাবা।''

বহু দিনৰ আগৰ কথা। নাগমালা পৰ্বত শ্ৰেণীৰ পাদদেশত অৱস্থিত সুৰনগৰ ৰাজ্যত ইন্দ্ৰসেন নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ প্ৰশাসনীয় কাম কাজ চলাবৰ বাবে সকলো কথাতে প্ৰধান মন্ত্ৰী সুনীতিৰ পৰামৰ্শ



গ্ৰহণ কৰিছিল। সুনীতি এজন জ্ঞানী লোক আছিল। তেওঁ ৰজাক যুক্তি সংগত পথেৰে পৰিচালিত কৰিছিল। ৰাজ্যই সকলো দিশতে সমৃদ্ধি লাভ কৰিছিল আৰু সুশাসনৰ বাবে ৰজাই প্ৰজাৰ পৰা প্ৰশংসা লাভ কৰিছিল।

কম্বোজ ৰাজ্য আছিল সুৰনগৰী ৰাজ্যৰ চুবুৰীয়া। সেই ৰাজ্যৰ ৰজাৰ নাম আছিল নাগবাৰ্মা। আকাৰত কম্বোজ ৰাজ্যও সুৰনগৰী ৰাজ্যৰ সমানেই ডাঙৰ আছিল। কিন্তু কম্বোজ ৰাজ্য সুৰনগৰীৰ দৰে শক্তিশালী আৰু সমৃদ্ধিশালী নাছিল। দূৰ্ভিক্ষ আৰু বানপানীৰ কবলত পৰি প্ৰায়েই কম্বোজ ৰাজ্য জুৰুলা হৈছিল। প্ৰশাসনো শৃংখলাবদ্ধ নাছিল।

এবাৰ এনে হ'ল যে একেৰাহে দুবছৰ ধৰি কম্বোজ ৰাজ্য দূৰ্ভিক্ষৰ কবলত পৰিল। সেই ৰাজ্যৰ প্ৰজাৰ বিপত্তিৰ পাৰ নোহোৱা হ'ল। সাধাৰণ জীৱন যাপন কৰাটোও কঠিন হৈ পৰিল।

কম্বোজ ৰাজ্যৰ প্ৰজাক খাদ্যৰ প্ৰয়োজন হ'ল। তেওঁলোকে কাষতে থকা সমৃদ্ধিশালী ৰাজ্য সুৰনগৰীলৈ প্ৰব্ৰজন কৰিবলৈ ধৰিলে। সীমাত পহৰা থকা স্বত্ত্বেও, ৰাতিৰ অন্ধকাৰৰ সুবিধা লৈ সুৰনগৰী ৰাজ্যত অবৈধভাৱে প্ৰৱেশ কৰিবলৈ ধৰিলে।

সীমাৰক্ষী বাহিনীয়ে ৰজাক এইবিষয়ে অৱগত কৰিলে। পিছদিনাখন, এই বিষয়টো ৰাজসভাত আলোচনা কৰা হ'ল। সকলোৱে এই পৰামৰ্শ প্ৰদান কৰিলে যে সেই প্ৰব্ৰজনকাৰীসকলক সুৰনগৰী দেশত সোমাবলৈ দিয়াটো উচিত নহব। ৰজাইও মন্তব্য প্ৰকাশ কৰিলে যে তেওঁ কম্বোজৰ প্ৰব্ৰজনকাৰীসকলৰ বাবে সীমা মুকলি দিয়াটো যুক্তি সংগত বুলি নাভাৱে।

কিন্তু প্ৰধানমন্ত্ৰী সুনীতিয়ে কলে, ‘‘মহাৰাজ, যদি কোনো লোকে এইদৰে দুখ ভোগ কৰে, তেন্তে তেওঁলোকক আশ্ৰয় প্ৰদান কৰাটো মানুহ হিচাপে আমাৰ কৰ্তব্য। এইদৰে তেওঁলোকক আমাৰ ৰাজ্যত প্ৰৱেশ কৰিবলৈ দিলে আমি হয়তো উপকৃতহে হম। আমাৰ ৰাজ্যত যথেষ্ট কৰ্মী নথকাৰ বাবে বহু পৰিমাণৰ মাটি খেতি নকৰাকৈয়ে বছৰৰ পিছত বছৰ ধৰি পৰি আছে। আমাৰ ৰাজ্যৰ খেতিয়কসকলে বনুৱা পালে সেই মাটিটো খেতি কৰাটো আৰম্ভ কৰিব পাৰিব। আমি এইসকল প্ৰব্ৰজনকাৰীক বিধিসন্মত ভাৱে প্ৰব্ৰজন কৰাৰ সুবিধা প্ৰদান কৰিব পাৰো। যদি আমি এই মানৱ সম্পদৰ উচিত ব্যৱহাৰ কৰো, তেন্তে আমি আমাৰ ৰাজ্য আগতকৈও বেছি শক্তিশালী আৰু সমৃদ্ধিশালী কৰি

তুলিবলৈ সক্ষম হম।"

ৰজা ইন্দ্ৰসেনে সুনীতিৰ কথাৰ অৰ্থ বুজিব পাৰিলে। প্ৰব্ৰজনকাৰীসকলক দেশলৈ প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হ'ল। তেওঁলোকে দেশৰ নানা অংশত গৈ থিতাপি ললেগৈ। তেওঁলোকে নানা ধৰণৰ কাম পেশা হিচাপে বাচি ললে।

প্ৰব্ৰজনকাৰীসকলে কঠোৰ পৰিশ্ৰম কৰিবলৈ ধৰিলে আৰু তাৰ ফলাফলো পোৱা গ'ল। অতি সোনকালেই দেশৰ সকলো শুকান মাটিলৈ পানী যোগান সম্ভৱ হৈ উঠিল। শস্যৰ উৎপাদন বৃদ্ধি পালে। ফলত দেশৰ আয় বেছ কিছু পৰিমাণে বৃদ্ধি পাই উঠিল।

এইদৰে কেইবছৰমানৰ ভিতৰতে সুৰনগৰী আগতকৈও সমৃদ্ধিশালী আৰু শক্তিশালী হৈ উঠিল। কম্বোজৰ পৰা প্ৰব্ৰজন কৰা লোকসকলেও সুৰনগৰীতে কাম-বন কৰি ধন সাঁচি ঘৰ সাজি নিগাজীকৈ বসবাস কৰিবলৈ ধৰিলে।

কিছুবছৰৰ ভিতৰতে লাহে লাহে কম্বোজৰ ভাগ্যও সলনি হবলৈ ধৰিলে। কম্বোজ ৰাজ্যৰ অৰ্থনীতিও শক্তিশালী হবলৈ আৰম্ভ কৰিলে। এনে পৰিস্থিতিয়ে ৰজা নাগবৰ্মাক অতি আত্মবিশ্বাসী কৰি তুলিলে।

নাগবৰ্মাই আগৰে পৰাই সুৰনগৰীক ঈৰ্ষাৰ চকুৰে চাই আহিছিল। দেশৰ অৰ্থনৈতিক দিশ টনকিয়াল হোৱাৰ লগে লগে তেওঁ সুৰনগৰীক আক্ৰমণ কৰাৰ পৰিকল্পনা কৰিলে। তেওঁ লাহে লাহে সৈন্য বাহিনীক শক্তিশালী কৰি তুলিলে আৰু এই পৰিকল্পনা ৰূপায়িত কৰিবৰ বাবে ধন-সম্পদ জমা কৰিবলৈ ধৰিলে। লগে লগে তেওঁ মন্ত্ৰী আৰু সেনাপতিসকলৰ লগত পৰিকল্পনা কৰিবলৈ ধৰিলে।

চোৰাংচোৱাৰ মুখেদি ৰজা ইন্দ্ৰসেনে এই কথাৰ বাতৰি পালে। তেওঁ অনুভৱ কৰিলে



কিছুবছৰৰ আগতে কম্বোজ ৰাজ্যৰ পৰা আমাৰ ৰাজ্যলৈ প্ৰব্ৰজন কৰা কিছুসকল লোকে আমাৰ ৰাজ্যৰ গোপন খবৰ নি কম্বোজৰ ৰজাক প্ৰদান কৰাৰ কথা আমি গম পাইছো। তেওঁলোকে বেছ কিছুদিন ধৰি কম্বোজৰ ৰজাৰ বাবে চোৰাংচোৱা গিৰি কৰি আহিছে। তেওঁলোকে বিশেষকৈ আমাৰ দেশৰ নিৰাপত্তা আৰু প্ৰতিৰক্ষা সম্পৰ্কীয় খবৰ সৰবৰাহ কৰি আহিছে। গতিকে মই এই সিদ্ধান্তলৈ আহিছো যে কম্বোজৰ পৰা আমাৰ ৰাজ্যলৈ প্ৰব্ৰজন কৰা সকলো লোকক দুবছৰৰ বাবে কম্বোজলৈ উভতি যাবলৈ আদেশ কৰাটো উচিত হব। তেওঁলোকে দুবছৰৰ পিছত ইচ্ছা কৰিলে পুণৰ উভতি আহিব পাৰিব। মই ভাৰো যে আমাৰ ৰাজ্যৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে এই সিদ্ধান্তৰ প্ৰয়োজনীয়তা আছে।'' ৰজা ইন্দ্ৰসেনে ঘোষণা কৰিলে।

যে এই সাম্ভব্য বিপদৰ পৰা ৰক্ষা পৰিবৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা প্ৰয়োজন। তেওঁ এখন সভা অনুষ্ঠিত কৰি তালৈ গুৰুত্বপূৰ্ণ লোকসকলক আমন্ত্ৰণ কৰিলে।

নিৰ্দিষ্টদিনত সকলো লোক সভাগৃহত গোট খালে। ৰজাই সকলোকে উদ্দ্যেশি কলে, ''সুৰনগৰীৰ নাগৰিকসকল, মই আপোনালোক সকলোকে এই সভালৈ এটা অতি গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবৰ বাবে আমন্ত্ৰণ কৰি আনিছো। আমাৰ ৰাজ্যই অনাগত দিনত বিপদৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। আমি চোৰাংচোৱাৰ মুখেদি এই খবৰ লাভ কৰিছো যে আমাৰ চুবুৰীয়া ৰাজ্য কম্বোজৰ ৰজা নাগবমাই আমাৰ দেশ আক্ৰমণ কৰিবলৈ পৰিকল্পনা কৰিছে। তেওঁ সকলো যো-জা প্ৰায় সমাপ্ত কৰি সুবিধা বিচাৰি আছে।

এনে এটা ঘোষণা সভাত উপস্থিত থকা কোনোজনে আশা কৰা নাছিল। সকলো হতবাক হ'ল। কিন্তু ৰজাৰ সিদ্ধান্তৰ বিৰোধিতা কৰাৰ সাহস কাৰো নাছিল। গতিকে কবলৈ কিবা থাকিলেও সকলো মৌন হৈ ৰল। প্ৰধানমন্ত্ৰী সুনীতিয়ে এই সম্পৰ্কে কিবা কয় নেকি তাকে জানিবৰ বাবে তেওঁৰ মুখলৈ চাই ৰ'ল।

প্ৰধানমন্ত্ৰী সুনীতি থিয় হ'ল আৰু মূৰ দোৱাই ৰজাক সন্মান প্ৰদৰ্শন কৰিলে। তাৰ পিছত তেওঁ কলে, ''মহাৰাজ, আপোনাৰ সিদ্ধান্ত অতি প্ৰশংসনীয়। মই বিশ্বাস কৰো যে এয়া এক অতি যুক্তিসংগত সিদ্ধান্ত। মই এই প্ৰস্তাৱ কৰো যে যদি কোনো প্ৰব্ৰজনকাৰী স্থায়ীভাৱে কম্বোজলৈ উভতি যাব খোজে,





আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ পৰিকল্পনা কৰাহে উচিত আছিল। পৰিৱৰ্তে, তেওঁ এক আচৰিত সিদ্ধান্ত ললে। প্ৰব্ৰজনকাৰী সকলক কম্বোজলৈ উভতাই পঠোৱা কাৰ্যই সুৰনগৰীৰ নিৰাপত্তা কেনেকৈ সুনিশ্চিত কৰিব পাৰে ? প্ৰধান মন্ত্ৰী সুনীতিৰ দৰে জ্ঞানী লোকে এনে এটা সিদ্ধান্তক সমৰ্থন কৰাটো আচৰিত কথা নহয়নে? তুমি যদি মোৰ প্ৰশ্নৰ উত্তৰ জনা স্বত্বেও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি উত্তৰ দিলে, ''বেতাল, সুৰনগৰীৰ ৰজা ইন্দ্ৰসেন মূৰ্খ নাছিল। তেওঁ সিদ্ধান্তৰ ফলত হব পৰা সম্ভাৱনীয় ফলাফল আগতেই অনুধাৱন কৰিব পাৰিছিল। সুনীতিয়ে তেওঁৰ সিদ্ধান্তক এইবাবেই প্ৰশংসা কৰিছিল যে তেওঁ ৰজাৰ এনে সিদ্ধান্তৰ আঁৰত থকা কাৰণ বুজিব পাৰিছিল।

প্ৰব্ৰজনকাৰীসকলক দেশ এৰি যাবলৈ আদেশ দিয়াৰ সিদ্ধান্ত লোৱাৰ সময়ত সুৰনগৰীৰ অৱস্থা যিধৰণৰ সেয়া প্ৰব্ৰজনকাৰী সকল দেশলৈ অহাৰ লগত একে নাছিল। প্ৰব্ৰজনৰ সময়ত কম্বোজৰ প্ৰজাসকলে সুৰনগৰীত আহি জীৱন ধাৰণৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলৈ সাজু আছিল। সময় বাগৰি যোৱাৰ লগে লগে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হৈ আহিল। তেওঁলোক অৰ্থনৈতিক ভাৱে সৱল হৈ অহাৰ লগে লগে নিজৰ দেশৰ কথা মনত পেলাবলৈ ধৰিলে।

নাগবৰ্মাই এনে পৰিস্থিতিৰ সুবিধা গ্ৰহণ কৰিলে। তেওঁ কিছুসংখ্যক প্ৰব্ৰজনকাৰীৰ যোগেদি সুৰনগৰীৰ নিৰাপত্তা আৰু সুৰক্ষা

তেন্তে তেওঁলোকৰ সম্পত্তি চৰকাৰে কিনি লোৱা উচিত। তেওঁলোকক তাৰ বাবদ উচিত মূল্য পৰিশোধ কৰা হওক আৰু সেই টকা তেওঁলোকক লগত লৈ যাবলৈ অনুমতি দিয়া হওক। আনহাতে, যিসকল প্ৰব্ৰজনকাৰী দুবছৰৰ বাবে কম্বোজলৈ গৈ পুণৰ উভতি আহিব বিচাৰে সেইসকলৰ সম্পত্তিৰ ৰক্ষণা-বেক্ষণৰ দায়িত্বও চৰকাৰেই লোৱা উচিত। অনুগ্ৰহ কৰি মোৰ এই পৰামৰ্শও বিচাৰ কৰি চাওক।''

উপস্থিত লোকসকলে প্ৰধান মন্ত্ৰী সুনীতিৰ পৰামৰ্শ শুনি আচৰিত হ'ল। তেওঁলোকে আশা কৰা নাছিল যে তেওঁ ৰজাৰ সিদ্ধান্তক সমৰ্থন কৰিব।

ইমানলৈকে বেতালে কাহিনীটো কৈ ৰজা বিক্ৰমক সুধিলে, ''হে ৰাজন, ৰজা ইন্দ্ৰসেনে চুবুৰীয়া ৰজা নাগবৰ্মাৰ পৰা সম্ভাৱনীয়

ব্যৱস্থা সম্পৰ্কে বহু গোপন তথ্য সংগ্ৰহ কৰিলে। চোৰাংচোৰাৰ মুখেদি পোৱা খবৰৰ পৰা এইকথা অতি সহজতেই ইন্দ্ৰসেনে অনুমান কৰি লব পাৰিছিল।

যদি এখন দেশৰ সুৰক্ষা আৰু নিৰাপত্তা সম্বন্ধীয় তথ্য শত্ৰু দেশৰ হাতত পৰে, তেন্তে এই কথা অনুমান কৰাটো কঠিন নহয় যে এই কাৰ্যত দেশৰ কোনো লোক জড়িত হৈ আছে। এনে লোক সুৰনগৰীৰ নাগৰিকো হব পাৰে। কিন্তু প্ৰথমতে তেওঁ বিদেশী প্ৰব্ৰজনকাৰীক লক্ষ্য কৰি ললে, যাতে বাকীসকলে ভৱিষ্যতে এনে কাম কৰিবলৈ সাহস নকৰে।

বিশাল সংখ্যক প্ৰব্ৰজনকাৰী সকলৰ মাজৰ পৰা চৰকেইটাক বিচাৰি উলিওৱাটো সহজ কথা নহয়। এই কামৰ বাবে বেছ কিছু সময়ৰ প্ৰয়োজন হব। গতিকে এনে কাম কৰি সময় নষ্ট কৰি থকাটো ৰাজ্যৰ নিৰাপত্তাৰ বাবে সুবিধাজনক নাছিল। গতিকে তেওঁ প্ৰব্ৰজনকাৰী সকলক দুবছৰৰ বাবে ঘূৰাই পঠোৱাৰ সিদ্ধান্ত ললে। হঠাতে তেওঁলোক ঘূৰি গলে তাৰ প্ৰভাৱ কম্বোজৰ অৰ্থনীতিটো পৰিব।

এইবাবেই প্ৰধানমন্ত্ৰী সুনীতিয়ে এই পৰামৰ্শ দিছিল যে প্ৰব্ৰজনকাৰীসকলৰ সম্পত্তি চৰকাৰে কিনি লব বা ৰক্ষণা-বেক্ষণ দিব লাগে। ই এই কথা সুনিশ্চিত কৰিব যে যদি কোনোবা পুণৰ উভতি আহিব বিচাৰে তেন্তে তাত সমস্যাৰ সৃষ্টি নহয়।

যি সকল দুবছৰৰ পিছত পুণৰ সুৰনগৰীলৈ উভতি আহিব সেইসকল নিশ্চয়কৈ বিশ্বাসী লোক হব। যিসকলে কম্বোজৰ ৰজাক গোপনে খবৰ যোগান ধৰি আছিল সেইসকলে পুণৰ সুৰনগৰীলৈ উভতি আহিব নিবিচাৰিব আৰু সুৰনগৰী সেইবিলাক লোকৰ পৰা মুক্ত হৈ পৰিব।

গতিকে ৰজা ইন্দ্ৰসেনৰ সিদ্ধান্ত সকলোদিশৰ পৰাই যুক্তিসংগত।"

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ যুক্তিসংগত উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– *সখামুৰি শ্ৰীনিৱাস*



ভূমিপুত্ৰ

এবাৰ অলকপুৰ ৰাজ্যৰ ৰজা বল্লভৰ পিঠিত এটা ফোঁহাৰ উঠিল। ৰাজ বৈদ্যই সেই ফোঁহাৰ নিৰাময় কৰিবৰ বাবে নানা ধৰণৰ ঔষধৰে চেষ্টা কৰিলে। কিন্তু সফল নহ'ল। সেই ফোঁহাৰ বিষত ৰজা বল্লভৰ শান্তি নাইকিয়া হ'ল। অৱশেষত তেওঁ এই ঘোষণা কৰিলে–

'যদি কোনোবাই ৰজা বল্লভৰ পিঠিৰ ফোঁহাৰ নিৰাময় কৰিব পাৰে, তেন্তে তেওঁলৈ ৰাজকুমাৰী স্বাতীক বিয়া দিয়াৰ লগতে অৰ্ধ ৰাজ্য পুৰস্কাৰ হিচাপে প্ৰদান কৰা হব।'

এই ঘোষণা শুনি অলকপুৰৰ লগতে কাষৰীয়া ৰাজ্যবিলাকৰ পৰাও অসংখ্য বৈদ্য আহি উপস্থিত হ'ল। তেওঁলোকে নানা ধৰণৰ ঔষধৰে সেই ফোঁহাৰ ঠিক কৰিবলৈ চেষ্টা কৰিলে। কিন্তু অশেষ চেষ্টাৰ পিছতো কোনোৱেই সেই ফোঁহাৰ নিৰাময় কৰাত সফল নহ'ল।

শেষত, শ্ৰীকান্ত নামৰ এজন ডেকাই সঞ্জীৱনী নামৰ এজোপা ঔষধি গছৰ পাতৰ ৰস ব্যৱহাৰ কৰি ৰজাই সেই ফোঁহাৰ নিৰাময় কৰিবলৈ সক্ষম হ'ল। সেই ঔষধি গছ ৰাজ্যৰ কাষৰে পৰ্বতৰ গভীৰ অৰণ্যৰ মাজত পোৱা গৈছিল। সেই ঔষধৰ বলত ৰজাই অলপ দিনৰ ভিতৰতে সেই ফোঁহাৰৰ পৰা মুক্তি পালে।

প্ৰতিজ্ঞামতে, ৰজাই ৰাজকুমাৰী স্বাতীৰ লগত ডেকা শ্ৰীকান্ত বিবাহৰ যো-জা কৰিবলৈ আৰম্ভ কৰিলে। তাৰোপৰি তেওঁ ঘোষণা কৰা মতেই অৰ্ধৰাজ্য পুৰস্কাৰ হিচাপে প্ৰদান কৰিলে।

কিন্তু শ্ৰীকান্তই ৰজাৰ এই দুয়োটা কথাতে আপত্তি কৰিলে। তেওঁ ৰাজকুমাৰীক বিয়া কৰাবলৈ মান্তি নহ'ল আৰু অৰ্ধৰাজ্যও গ্ৰহণ নকৰিলে। তেওঁ সবিনয়ে ৰজাক কলে, "মহাৰাজ, এই ঔষধৰ জ্ঞান মোৰ পৰিয়ালৰ

ৰাণীশ্ৰী

এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ আহিছে। মই সুখী যে মই আপোনাৰ ব্যাধি নিৰাময় কৰিবলৈ সক্ষম হলো। মই কোনো পুৰস্কাৰ আশা নকৰি আপোনাক চিকিৎসা প্ৰদান কৰিছিলো। গতিকে মই মোৰ চিকিৎসাৰ বিনিময়ত আপোনাৰ পৰা এই পুৰস্কাৰ গ্ৰহণ কৰিব নোৱাৰিম।''

''ডেকা ল'ৰা, মই তোমাৰ কথা শুনি আচৰিত হৈছো। ৰাজ্য আৰু সম্পত্তিৰ বাবে বহু যুদ্ধ সংঘটিত হয়। সুন্দৰী নাৰীৰ ক্ষেত্ৰতো এই একে কথাই প্ৰযোজ্য। তেনে যুদ্ধত বহু লোকৰ প্ৰাণ হানি হয়। তুমি তেনে একো নকৰাকৈ এগৰাকী সুন্দৰী ৰাজকুমাৰীৰ পাণি গ্ৰহণ কৰাৰ লগতে ৰাজ্য উপহাৰ হিচাপে লাভ কৰিছা। কিন্তু সেই উপহাৰ তুমি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছা। মই এই কথা জানিব বিচাৰিছো যে তুমি কি কাৰণত এনে সিদ্ধান্ত লৈছা।'' ৰজা বল্লভে শ্ৰীকান্তক সুধিলে।

''মহাৰাজ, আপুনি এই কথা উল্লেখ কৰিছে যে বহুজনে, বিশেষকৈ ৰজাই সুন্দৰী কণ্যা আৰু ৰাজ্য লাভ কৰিবৰ বাবে যুদ্ধ কৰি তেজৰ নৈ বোৱায়। মই কিয় তেনে এজন ৰজাৰ লগত নিজকে তুলনা কৰা উচিত? আপুনি এইদৰে আধা ৰাজ্য মোক পুৰস্কাৰ দিয়াটো কথাটো আপোনাৰ পুত্ৰই সহজে লব পাৰিবনে? ৰাজকুমাৰীয়ে মোৰ দৰে এজন সাধাৰণ যুৱকৰ লগত বিবাহত বহি সুখী হব পাৰিবনে? মোৰ মতে ৰজা হোৱাটোক এখন তৰোৱালৰ ওপৰত খোজকাঢ়ি থকাৰ লগত তুলনা কৰিব পাৰি।

আমি এই কথা জানিব নোৱাৰো যে কাষৰীয়া ৰজাই কোন মূহুৰ্তত আক্ৰমণ কৰিব। আমি এই কথা গমেই নাপাম যে সম্পৰ্কীয় লোকে কেতিয়া ষড়যন্ত্ৰ কৰিব। তেনে এক ৰাজকীয় জীৱন মোৰ কাম্য নহয়। মই হ'লো ভূমিপুত্ৰ আৰু মই খেতি কৰি জীৱন নিৰ্বাহ কৰো। মই এটা শান্তিময় জীৱন যাপন কৰিব বিচাৰো।'' শ্ৰীকান্তই কলে।

ৰজা বল্লভ শ্ৰীকান্তৰ কথা শুনি মুগ্ধ হ'ল আৰু তেওঁক বহু মূল্যৱান পুৰস্কাৰ প্ৰদান কৰিলে।



আধা অনাৰ ৰজা

পাটলিপুত্ৰত এজন দুখীয়া লোকে বাস কৰিছিল। তেওঁ পানীভাৰীৰ কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। তেওঁৰ ঘৰ নগৰৰ উত্তৰ দুৱাৰৰ ওচৰত আছিল। নগৰৰ দক্ষিণ দুৱাৰৰ ওচৰত এগৰাকী মহিলাই বাস কৰিছিল। সেই গৰাকী মহিলাইও পানীভাৰীৰ কাম কৰি জীৱিকা অৰ্জন কৰিছিল। তেওঁলোক দুয়োৰে মাজত প্ৰেম হ'ল আৰু দুয়ো বিৱাহপাশত আৱদ্ধ হ'ল।

তেওঁলোকৰ মাজত বিৱাহ হোৱাৰ পিছতো দুয়ো চহৰৰ দুটা মূৰত বাস কৰিবলৈ ধৰিলে।

গতিকে দুয়োৰে মাজত খুব কমেই দেখাদেখি হৈছিল।

অলপ দিনৰ পিছতে এক উৎসৱ আহিল। পানীভাৰীয়ে নিজৰ কাম লৰালৰিকৈ শেষ কৰি নগৰৰ দক্ষিণ দুৱাৰৰ ওচৰত বাস কৰা পত্নীক দেখা কৰিবলৈ গ'ল।

"আজি আমি উৎসৱ পালন কৰিম। মোৰ ওচৰত আধা অনা পইছা আছে। তোমাৰ ওচৰত কিমান পইছা আছে?" পত্নীয়ে আধা অনা পইছা উলিয়াই পতিক সুধিলে।

"মোৰ ওচৰতো আধা অনা পইছা আছে। মই সেই পইছা উত্তৰ দুৱাৰৰ এটা খোৰোঙত লুকুৱাই থৈছো।"

"সেয়া যথেষ্ট হব। আমি তাৰ পৰা এপইছাৰ ফুল আৰু এপইছাৰ চন্দন কিনিম। তাৰপিছত বাকী থকা পইছাই বস্তু-বেহানি কিনি ক্ষীৰ তৈয়াৰ কৰি খাম।"

এই কথা শুনি পতি বৰ সুখী হ'ল। "মই উত্তৰ দুৱাৰৰ ওচৰলৈ গৈ আধা অনা পইছা লৈ আহোগৈ।" এই বুলি তেওঁ

ভি নাগভূষণম

পত্নীৰ পৰা বিদায় হৈ পইছা আনিবলৈ গুচি গ'ল।

সেই সময় দুপৰীয়া আছিল। বেছ ৰদ আছিল। সূৰ্যৰ তাপত ৰাজপথো গৰম হৈ পৰিছিল। কিন্তু সেই পানীভাৰী ইমান বেছি সুখী আছিল যে তেওঁ ৰদৰ তাপ অনুভৱেই কৰিব পৰা নাছিল। সি মনৰ আনন্দত গীত গাই গাই ৰাজপথেদি উত্তৰ দিশৰ দুৱাৰৰ ফালে যাবলৈ ধৰিলে।

সেই ৰাজপথ ৰাজপ্ৰসাদৰ ওচৰেদিয়েই গৈছিল। সেই সময়ত ৰজাই ওপৰৰ মহলাত জিৰণি লৈ আছিল। তেওঁ তাৰে পৰাই দুপৰীয়াৰ তীব্ৰ গৰমত গীত গাই আনন্দ মনেৰে ৰাজপথেদি গৈ থকা পানীভাৰীক দেখা পালে। ৰজা বৰ আঁচৰিত হ'ল। তেওঁ জানিব খুজিলে যে পানীভাৰীৰ ইমান আনন্দৰ উৎস কি? তেওঁ চাকৰ এটাক মাতি কলে, ''সেই গীত গাই গাই ৰাজপথেদি গৈ থকা লোকজনক মোৰ ওচৰলৈ লৈ আহা।''

চাকৰটোৱে কেইজনমান সৈনিকক লগত লৈ পানীভাৰীৰ ওচৰ পাই কলে, ''ৰজাই তোমাক লগ পাব খুজিছে। মোৰ লগত আহা।''

''ৰজাৰ লগত মোৰ একো কাম নাই। মই তেওঁক চিনিয়েই নাপাও।'' এইবুলি কৈ পানীভাৰীয়ে নিজৰ পথত আগবাঢ়িবলৈ ধৰিলে।

তাকে দেখি সৈনিকে পানীভাৰীক জোৰ কৰি ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই পানীভাৰীক দেখি কলে, ''ওপৰত সূৰ্যৰ তীব্ৰ তাপ আৰু তলত গৰম ৰাজপথ। তথাপিও তুমি ইমান আনন্দমনেৰে গীত গাই গাই গৈ আছিলা। ইয়াৰ কাৰণ কি?''

''মহাৰাজ, আজি মোৰ মন ইমানেই

আনন্দিত হৈ আছিল যে সেই তাপৰ কথা গমেই পোৱা নাছিলো। তাতে মোৰ ইচ্ছা পুৰণ হবলৈ গৈ আছিল।'' পানীভাৰীয়ে কলে।

ৰজাই অনুমান কৰিব নোৱাৰিলে যে সেই ইচ্ছা কি হব পাৰে। তেওঁ জানিবৰ বাবে সুধিলে, ''সেই ইচ্ছানো কি?''

''মহাৰাজ, আজি উৎসৱৰ দিন। মোৰ পত্নীৰ ওচৰত এটা আধা অনা আছে। ময়ো চহৰৰ উত্তৰ দুৱাৰৰ ওচৰত আন এটা আধা অনা থৈ দিছো। দুয়োটা একেলগ কৰিলে এক অনা হব। তাৰে পৰা এপইছাৰ ফুল আৰু এপইছাৰ চন্দন কিনিম। বাকী থকা পইছাৰে বস্তুবেহানি কিনি ক্ষীৰ তৈয়াৰ কৰি খাম। এইদৰে দুয়ো উৎসৱ পালন কৰিম। এইবাবেই মই উত্তৰ দুৱাৰৰ ফালে গৈ আছিলো। তাত থকা আধা অনা পইছা লৈ মই পুণৰ দক্ষিণ দিশৰ দুৱাৰৰ ওচৰলৈ গলোহেতেন। তাৰপিছতহে আমি উৎসৱ পালন কৰিব পাৰিম। মোৰ সোনকালে যাবলৈ আজ্ঞা দিয়ক।'' পানীভাৰীয়ে কলে।

ৰজা এইকথা শুনি আচৰিত হ'ল। তেওঁ কলে, ''এতিয়ালৈকে যিমান খোজ কাঢ়িলি, উত্তৰ দুৱাৰলৈ প্ৰায় সিমান খিনিয়েই যাব লাগিব। তাৰপিছত পুণৰ উত্তৰ দিশৰ দুৱাৰৰ পৰা দক্ষিণ দিশৰ দুৱাৰ পাবলৈ তাৰ দুগুণ খোজকাঢ়িব লাগিব। তই ইমান কষ্ট কৰিব নালাগে। মই তোক আধা অনা পইছা দিম। তাক লৈ গৈ তই উৎসৱ পালন কৰিব পাৰিবি।''

''মহাৰাজ, মই আপুনি দিয়া আধা অনা আনন্দেৰে গ্ৰহণ কৰিম আৰু তাৰ পিছত মোৰ সেই আধা অনাও লৈ আহিমগৈ।'' পানীভাৰীয়ে ৰজাৰ কথা শুনি কলে।



“তই সেই আধা অনাৰ বাবে কিয় ইমান চিন্তা কৰিব লাগিছে। যদি দৰকাৰ হয়, মই তোক এক অনা দিম। যি পথেদি আহিছিলি, সেই পথেদি উভতি যা।”

“মহাৰাজ, আপুনি যদি ইচ্ছা কৰি এক অনা দিয়ে তেন্তে মই বৰ সুখী হম। মই তাৰপিছত নিজৰ আধা অনা পইছা লৈ উভতি যাম।”

ৰজাই এইবাৰ জিদ ধৰিলে। তেওঁ এই কথা পৰীক্ষা কৰি চাব খুজিলে যে কিমান পইছা পালে পানীভাৰীয়ে নিজৰ আধা অনা পইছা বাদ দিয়ে। তাৰপিছত ৰজাই এটকা দিম বুলি কলে। তেতিয়াও পানীভাৰীয়ে নিজৰ আধা অনা পইছা এৰি নিদিলে। ৰজাই পইছাৰ পৰিমাণ বৃদ্ধি কৰি গৈ থাকিল। এইদৰে গৈ গৈ পইছাৰ পৰিমাণ একলাখ টকা পালেগৈ। কিন্তু তথাপিও সেই দুখীয়া পানীভাৰীয়ে নিজৰ আধা অনা পইছা বাদ নিদিলে।

শেষত ৰজাই কলে, “যদি তই নিজৰ আধা অনা পইছা আনিবলৈ নাযাৱ, তেন্তে মই তোক অৰ্ধ ৰাজ্যৰ ৰজা পাতিম। তই মান্তি আছনে?”

“ঠিক আছে তেন্তে। আপুনি তেনেকুৱাই কৰক।” পানীভাৰীয়ে কলে।

লগে লগে ৰজাই প্ৰধানমন্ত্ৰীক মতাই আনিলে আৰু কলে, “এই পানীভাৰীক মই আধা নগৰৰ ৰজা পাতিছো। আপুনি এটা ঘোষণা কৰাই দিয়ক।”

ৰজাৰ কথামতে প্ৰধানমন্ত্ৰীয়ে নগৰীক উত্তৰ আৰু দক্ষিণ এই দুভাগত ভাগ কৰিলে। “তোক কোনটো ভাগ লাগিব? সেই অনুসাৰে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিব।” ৰজাই সুধিলে।

“ঠিক আছে মহাৰাজ, মই উত্তৰ ভাগ লম।” পানীভাৰীয়ে কলে। সকলোৱে বুজিব পাৰিলে যে উত্তৰ দিশৰ দুৱাৰৰ খোৰোঙত থোৱা আধা অনা পইছাৰ বাবে পানীভাৰীয়ে সেইটো ভাগ লব খুজিছে।

ৰজাই নিজৰ বচন অনুসাৰে দুখীয়া পানীভাৰীক নগৰৰ উত্তৰ ভাগৰ ৰজা পাতিলে। কিন্তু তাৰপিছত সকলো লোকে পানীভাৰী ৰজাক ‘আধা অনাৰ ৰজা’ বুলি কবলৈ ধৰিলে।

পঞ্চতন্ত্ৰ

লোহা খোৱা নিগনী

এখন চহৰত নটুক নামৰ এজন বেপাৰী আছিল। তেওঁ কষ্ট কৰি যি ধন আদি অৰ্জন কৰিছিল, সেই সকলো হেৰুৱাই পেলালে। তেতিয়া তেওঁ ভাৱিলে যে যি চহৰত তেওঁ ধনী মানুহৰ জীৱন কটালে, সেই চহৰত দুখীয়া হৈ জীৱন কটোৱাটো উচিত নহব। মানুহে তেওঁক ইতিকিং কৰিব। তেওঁ গতিকে আন এখন চহৰলৈ গৈ তাত থিতাপি লৈ ধন আৰ্জন কৰিবলৈ সিদ্ধান্ত ললে।

সেই বেপাৰীৰ ঘৰত দহ মোন ওজন জুখিব পৰা এক ডাঙৰ তুলাচনী আছিল। যেতিয়া তেওঁৰ ব্যৱসায় সফলতাৰ উচ্চ শিখৰত আছিল, তেতিয়া তেওঁ সেই তুলাচনী ব্যৱহাৰ কৰিছিল। তেওঁ সেই তুলাচনী থৈ দিবৰ বাবে বন্ধু শ্যামলালক দি আন এখন চহৰলৈ বুলি যাত্ৰা কৰিলে।

বিদেশলৈ গৈ নটুকে নতুনকৈ ব্যৱসায় আৰম্ভ কৰিলে আৰু অলপ দিনৰ ভিতৰতে যথেষ্ট ধন উপাৰ্জন কৰিলে। তেওঁ তাৰপিছত নিজৰ চহৰলৈ উভতি আহিল আৰু বন্ধু শ্যামলালৰ ঘৰলৈ গৈ সেই তুলাচনীখন উভতাই বিচাৰিলে।

"নটুক, মইনো তোমাক কি কম। বৰ দুখৰ কথা। তোমাৰ তুলাচনীখন নিগনীয়ে কুটি খাই পেলালে।" শ্যামলালে কলে।

বন্ধুৰ মুখৰ পৰা এনে অবান্তৰ কথা শুনি নটুকৰ বৰ খং উঠিল। কিন্তু তেওঁ শান্ত স্বৰেৰে কলে, "বন্ধু, নিগনীয়ে যদি তুলাচনীখন খাই পেলালে, তাত তোমাৰ কোনো দোষ নাই। মই এতিয়া নদীত গা ধুবলৈ বুলি যাও বুলি ভাৱিছো। মোৰ কাপোৰ আদি ৰখি থাকিবৰ বাবে তুমি তোমাৰ পুত্ৰ ধনদেৱক মোৰ লগত পঠিয়াব পাৰিবানে?"

এই কথা শুনি শ্যামলালে তেওঁৰ পুত্ৰক কলে, "বোপা ধনদেৱ, তোমাৰ মামা এতিয়া

মিত্ৰ ভেদ–২৯

নদীত গা ধুবলৈ যাব। তুমি তেওঁৰ লগতে যোৱা।''

ধনদেৱে নটুকৰ লগত আনন্দ মনেৰে নদীৰ ফালে গ'ল। নটুকে গা পা ধুই ধনদেৱক এটা গুহাৰ ভিতৰত ৰাখি তাৰ মুখখন এটা ডাঙৰ শিলেৰে বন্ধ কৰি অকলে শ্যামলালৰ ঘৰলৈ উভতি আহিল।

শ্যামলালে নটুকৰ লগত নিজৰ পুত্ৰক নেদেখি কলে, ''বন্ধু, ধনদেৱ কলৈ গ'ল?''

''কিনো কম তোমাক। তোমাৰ ল'ৰা নদীৰ পাৰতে বহি আছিল। তেনেকুৱাতে এটা শগুণ আহি তাক তুলি লৈ গুচি গ'ল।'' নটুকে উত্তৰ দিলে।

''তুমি মিছা কথা কৈছা। এটা ইমান ডাঙৰ ল'ৰাক শগুণে কেনেকৈ ডাঙি লৈ যাব পাৰে! মোৰ এই কথা বিশ্বাস হোৱা নাই।'' শ্যামলালে কলে।

''শ্যামলাল, তুমি বিশ্বাস কৰা বা নকৰা মই তোমাক সঁচা কথাটোৱেই কৈছো। গতিকে তৰ্ক কৰি কোনো লাভ নাই।'' নটুকে কলে।

এই কথাক লৈ দুয়োৰে মাজত তৰ্কা-তৰ্কি আৰম্ভ হ'ল আৰু শেষত দুয়ো আদালতলৈ গ'ল। আদালতত শ্যামলালে উচ্চ স্বৰত কলে, ''ধৰ্মাৱতাৰ, মোৰ লগত বৰ ডাঙৰ অন্যায় কৰা হৈছে। মোৰ পুত্ৰক এই নটুকে লৈ গৈ ক'ৰবাত লুকুৱাই থৈছে। মোক ন্যায় প্ৰদান কৰক।''

''ধৰ্মাৱতাৰ, ইয়াত মোৰ কোনো দোষ নাই। মোৰ লগত নদীৰ পাৰলৈ যোৱা সেই বালক নদীৰ পাৰতে বহি আছিল। তেনে সময়তে এটা শগুণ আহি তাক ডাঙি লৈ গুচি

গ'ল।'' নটুকে শান্ত স্বৰেৰে কলে।

ন্যায়ধিকাৰীয়ে নটুকৰ কথা শুনি আঁচৰিত হ'ল। তেওঁ সুধিলে, ''পোন্ধৰ বছৰ বয়সীয়া এটা বালকক শগুণে কেনেকৈ ডাঙি লৈ যাব পাৰে?''

হাঁহি এটা মাৰি নটুকে কলে, ''ধৰ্মাৱতাৰ, যদি মোৰ দহ মোন ওজন জুখিব পৰা তুলাচনীখন নিগনীয়ে খাই পেলাব পাৰে, তেনেস্থলত পোন্ধৰ বছৰ বয়সীয়া ল'ৰা এটাক শগুণে কিয় তুলি লৈ যাব নোৱাৰে?''

''তুমি কি বুজাব বিচাৰিছা? তুমি ভালকৈ বুজাই কোৱা।'' ন্যায়ধিকাৰীয়ে নটুকক সুধিলে।

নটুকে গোটেই ঘটনাটো আদিৰ পৰা অন্তলৈকে কৈ শুনালে। ন্যায়ধিকাৰীয়ে নটুকক শ্যামলালৰ পুত্ৰক লুকুৱাই থোৱা ঠাইৰ পৰা আনি দিবলৈ কলে। তেওঁ লগতে নটুকৰ

তুলাচনী উভতাই দিবৰ বাবে শ্যামলালক আদেশ দিলে।

কৰটকে দমনকক এই কাহিনী শুনাই কলে, ‘‘পিংগলকে সঞ্জীৱকৰ প্ৰতি যি আদৰ প্ৰদৰ্শন কৰিলে, তাক তুমি সহ্য কৰিব নোৱাৰিলা আৰু এনে অন্যায় কৰিলা। সেইবাবেই মানুহে কয় যে এই সংসাৰত ঈৰ্ষাৰ দৰে বেয়া বস্তু আন একো নাই। মোৰ এনে লাগে যে তোমাৰ দৰে লোকৰ লগত থকাটোও বিপদজনক। সাধু আৰু চোৰৰ ঘৰত যি চৰাইৰ প্ৰতিপালন কৰা হৈছিল, সেই চৰাইৰ কাহিনী সম্পূৰ্ণ সত্য।’’

‘‘সেয়ানো কি কাহিনী?’’ দমনকে সুধিলে। কৰটকে সেই কাহিনী কবলৈ ধৰিলে–

এখন পাহৰীয়া প্ৰদেশত বাস কৰা এযোৰ ভাটৌৰ দুটা পোৱালী আছিল। এটা চোৰে সেই পোৱালী দুটা বাঁহৰ পৰা লৈ গ'ল। পথত তাৰ মোনাৰ পৰা এটা পোৱালী পৰি থাকিল। আনটো পোৱালী সি ঘৰলৈ লৈ গ'ল আৰু প্ৰতিপালন কৰিবলৈ ধৰিলে। সি ভাটৌটোক কথা কবলৈও শিক্ষা দিলে।

পথত পৰি যোৱা পোৱালীটো এজন সাধুৱে দেখা পালে আৰু তেওঁৰ কুটীৰলৈ লৈ আহিল। তেওঁ ভাটৌৰ পোৱালীটোক কথা কবলৈ শিকালে।

এদিন সেই দেশৰ ৰজা চিকাৰ কৰিবলৈ আহিল। তেওঁৰ পিয়াহ লগাত সেই চোৰৰ ঘৰলৈ গ'ল। ৰজাক দেখা পোৱা মাত্ৰেই ভাটৌটোৱে চিঞৰি উঠিল, ‘‘কোনোবা এটা আহিছে। ধৰ ধৰ তাক... মাৰ মাৰ তাক।’’

এনে কথা শুনি ৰজা আচৰিত হ'ল। তেওঁ তাত নৰৈ ঘোঁৰা চেকুৰাই অলপদূৰ যোৱাৰ পিছতে সেই সাধুজনৰ ঘৰ পালেগৈ। ৰজাক দেখা মাত্ৰকে সাধুৰ পোহনীয়া ভাটৌটোৱে কলে, ‘‘ৰাজন, আপোনাক স্বাগতম। আপুনি আসন গ্ৰহণ কৰক। জল পান কৰি ফলাহাৰ গ্ৰহণ কৰক।’’

ৰজাই দুয়োটা ভাটৌৰ ব্যৱহাৰৰ মাজত আকাশ পাতাল পাৰ্থক্য দেখি আচৰিত হ'ল। পিছত তেওঁ গম পালে যে দুয়োটা একে মাকৰে সন্তান যদিও সিঁহতক যি পৰিবেশত প্ৰতিপালন কৰা হৈছে, তাত পাৰ্থক্য আছে। *(ক্ৰমশঃ)*

সমস্যা

এখন দেশত এজন দুখীয়া মানুহে বাস কৰিছিল। তেওঁ কিবা কিবি কাম কৰি যি এটা আৰ্জন কৰিছিল তাৰে জীৱন নিৰ্বাহ কৰাটো কঠিন হৈ পৰিছিল। গতিকে সহায় বিচাৰিবৰ বাবে তেওঁ ৰজাৰ ওচৰলৈ আহিল।

ৰজাই সেই দুখীয়া লোকজনৰ কথা শুনি কলে, "মই তোমাক চাৰিটা প্ৰশ্ন সুধিম। প্ৰথম প্ৰশ্নটো হ'ল- সকলোতকৈ বেগী কি? দ্বিতীয় প্ৰশ্নটো হ'ল- সকলোতকৈ বলবান বস্তু কি? তৃতীয় প্ৰশ্ন হ'ল- সকলোতকৈ কোমল বস্তু কি? আৰু চতুৰ্থ প্ৰশ্ন হ'ল- সকলোতকৈ আনন্দকৰ বস্তু কি? যদি তুমি কালিলৈৰ ভিতৰত এই প্ৰশ্ন কেইটাৰ সঠিক উত্তৰ দিব পাৰা, তেন্তে মই তুমি বিচৰা ধৰণে তোমাক সহায় কৰিম।"

ৰজাৰ প্ৰশ্নৰ উত্তৰ ভাৱি ভাৱি সেই দুখীয়া লোকজন ঘৰ পালেগৈ। তেওঁ কোনো উত্তৰ বিচাৰি নাপালে। তেওঁ বেছ চিন্তাত পৰিল। তেওঁৰ এগৰাকী ষোল্ল বছৰীয়া কণ্যা আছিল। পিতাকক চিন্তা কৰি থকা দেখি তাই সুধিলে, "তুমি ইমান কি চিন্তা কৰি আছা পিতা?"

"মই ৰজাৰ ওচৰত সহায় বিচাৰি গৈছিলো। তেওঁ মোক চাৰিটা প্ৰশ্ন সুধিলে আৰু তাৰ উত্তৰ কালিলৈৰ ভিতৰত দিবলৈ কলে। মোৰ ওচৰত সেই প্ৰশ্ন কেইটাৰ উত্তৰ নাই।" পিতাকে কলে।

কণ্যাই পিতাকক প্ৰশ্ন কেইটা কি সুধিলে। সেই কেইটা পিতাকে কোৱাত তাই কলে, "এই কেইটা একেবাৰে সহজ প্ৰশ্ন। সকলোতকৈ বেগী হ'ল মন। সকলোতকৈ বলবান বা শক্তিশালী হ'ল ভূমি, কিয়নো সকলোতকৈ শক্তিশালী প্ৰাণীয়েও ভূমিৰ পৰাই শক্তি লাভ কৰে।

টি ৰামসেম

''তোমাৰ কণ্যা বৰ বুদ্ধিমতী। ঠিক আছে, এটা কাম কৰা। কপাহৰ এই গাঠটো লৈ যোৱা। তোমাৰ ছোৱালীক কবা যে কালিলৈৰ ভিতৰত মোৰ বাবে এখন চেলেং চাদৰ বৈ দিব লাগে।'' এই বুলি ৰজাই কপাহৰ নুৰা এটা দুখীয়া লোকজনৰ হাতত দিলে।

দুখীয়া লোকজন হতাশ হৈ ঘৰলৈ উভতি আহিল। পিতাকক চিন্তিত দেখি তেওঁৰ কণ্যাই সুধিলে, ''কি হ'ল? ৰজাই তোমাক দয়া নকৰিলে নেকি?''

''দয়া কৰক চাৰি তেওঁ মোক আন এটা সমস্যাহে দিলে। এই কপাহৰ পৰা কালিলৈৰ ভিতৰত তেওঁক এখন চেলেং চাদৰ বৈ দিব লাগে।''

''পিতা, এয়া একো ডাঙৰ কথা নহয়। তুমি এতিয়াই বাঢ়নীডালৰ এটা কাঠি লৈ ৰজাক দেখা কৰা আৰু কোৱা যে তেওঁ আজি সন্ধিয়াৰ ভিতৰত তাৰে পৰা এটা যঁতৰ সাজি দিলে কালিলৈৰ ভিতৰত মই তেওঁ কোৱা ধৰণে এখন চেলেং চাদৰ বৈ দিম।'' কণ্যাই কলে।

দুখীয়া লোকজনে ৰজাৰ ওচৰলৈ গৈ জীয়েকে কোৱা ধৰণে কলে। ৰজাই কথা শুনি অলপ পৰ ভাৱিলে আৰু তাৰপিছত কলে, ''তোমাৰ ছোৱালীৰ বুদ্ধিৰ তুলনা নাই। মই তোমাক এশ কণী দিছো। তুমি তোমাৰ কণ্যাক কবা যে সেই কণীক উমনি দি তাৰ পৰা জগা ১০০ কুকুৰাৰ পোৱালী কালিলৈ মোলৈ প্ৰেৰণ কৰে।''

ৰজাৰ কথা শুনি দুখীয়া লোকজনে ভাৱিবলৈ ধৰিলে যে তেওঁ ৰজাৰ পৰা

সকলোতকৈ কোমল হ'ল হাত। কিয়নো কোমল গাৰুৰ ওপৰতো মানুহে নিজৰ হাত ৰাখি তাৰ ওপৰত শয়ন কৰে। আৰু সকলোতকৈ আনন্দময় হ'ল নিদ্ৰা। কিয়নো নিদ্ৰাত মানুহে সকলো দুখ পাহৰি যায়।''

দুখীয়া লোকজনে জীয়েকৰ এই উত্তৰ শুনি বৰ সুখী হ'ল। পিছদিনাখন তেওঁ ৰজাৰ ওচৰলৈ গৈ প্ৰশ্নকেইটাৰ উত্তৰ দিলেগৈ।

''এই প্ৰশ্নৰ উত্তৰ তুমি নিজে ভাৱি উলিয়ালানে কোনোবাই তোমাৰ শিকাই দিলে?'' ৰজাই সুধিলে।

''মহাৰাজ, মোৰ যোল্ল বছৰীয়া কণ্যাই মোক এই উত্তৰ কেইটা শিকাই দিলে।'' দুখীয়া লোকজনে কলে।

ৰজা বৰ আচৰিত হ'ল। তেওঁ কলে,

সহায় লাভ কৰাৰ সম্ভাৱনা নাই। সেইবাবেই ৰজাই তেওঁক নতুন নতুন প্ৰশ্ন সুধি আছে। তেওঁ ঘৰলৈ উভতি গৈ কণ্যাক কলেগৈ। তাই চিন্তা নকৰি সেই কণীৰ কেইটামান ৰান্ধি নিজেও খালে আৰু পিতাককো খাবলৈ দিলে। পিছদিনাখন পুৱা তাই পিতাকক কলে, ‘‘পিতা, ৰজাক কোৱাগৈ যে কণী ফুটি পোৱালী উলাবলৈ আৰম্ভ কৰিছে। কিন্তু পোৱালীবিলাকে একো খাদ্যই খোৱা নাই। যদি সিঁহতে এদিনৰ ভিতৰতে উৎপাদন কৰা ধান নাপাই, তেন্তে আন খাদ্য নাখাব। গতিকে ৰজাই এদিনৰ ভিতৰতে উৎপাদন কৰা ধান প্ৰেৰণ কৰিব লাগে। নহলে পোৱালীবিলাক মৰি থাকিব।’’

দুখীয়া লোকজনে ৰজাক গৈ এইদৰে কোৱাত ৰজাই কলে, ‘‘তোমাৰ কণ্যাক কোৱাগৈ যে মই অলপ সময়ৰ ভিতৰতে তোমাৰ ঘৰলৈ গৈ আছো।’’

দুখীয়া লোকজনে ঘৰলৈ আহি এই কথা কোৱাৰ লগে লগে কণ্যাই গোটেই ঘৰটো চাফা কৰি ৰজা অহাৰ বাবে অপেক্ষা কৰি থাকিল।

অলপ পৰৰ পিছত ঘোঁৰা চেকুৰাই ৰজা তাত উপস্থিত হ’লহি। তেওঁ ঘোঁৰাৰ পৰা নানামি তাতে ৰৈ থাকিল। ৰজাক স্বাগত কৰিবলৈ অহা কণ্যাই দুৱাৰদলিৰ বাহিৰত এখোজ আগবঢ়াই ৰৈ থাকিল।

তাকে দেখি ৰজাই মাত লগালে, ‘‘মই তোমাৰ ঘৰলৈ আহিছোনে ঘোঁৰা আগলৈ লৈ গৈ আছো?’’

কণ্যাই হাঁহি এটা মাৰি কলে, ‘‘মহাৰাজ, আপুনি মোতকৈ ডাঙৰ, বুদ্ধিয়ক আৰু পঢ়া-লিখা। যদি আপুনি এই কথা কব পাৰে যে মই ভিতৰলৈ গৈছোনে বাহিৰলৈ আহিছো, তেন্তে মই আপোনাৰ প্ৰশ্নৰ উত্তৰ দিব পাৰো।’’

উত্তৰ শুনি ৰজা বৰ আনন্দিত হ’ল। তেওঁ ঘোঁৰাৰ পৰা নামি আহিল। তেওঁ ৰত্ন-অলংকাৰ থকা এটা ডাঙৰ মোনা সেই দুখীয়া লোকজনক দিলে। পিছত ৰজাই দুখীয়া লোকজনৰ কণ্যাক বিবাহ কৰাই মুখ্য ৰাণী পাতিলে।



এটকা চাৰি অনা

এসময়ত জকাইচুক নামেৰে এখন গাওঁ আছিল। সেই গাওখনক চন্দ্ৰপুৰ নামৰ চহৰখনৰ পৰা পৃথক কৰি ৰাখিছিল এটা সৰু জুৰিয়ে। নৰহৰি নামৰ এজন লোকে প্ৰতিজন লোকৰ পৰা চাৰি অনা পইছা লৈ নাৱেৰে সকলোকে সেই জুৰিটো পাৰ কৰি দিছিল।

সেই জুৰিটোৰ ওপৰতে এখন পুৰণি দলং আছিল। সেই দলংখনেদি বহু কম লোক অহা-যোৱা কৰিছিল। বেছিভাগে লোকেই সেই জুৰিটো পাৰ হবৰ বাবে নৰহৰিৰ নাওখনৰ ওপৰত নিৰ্ভৰ কৰিছিল।

সেই গাৱঁৰে আন দুজন মানুহৰ নাম আছিল– বিজন আৰু ৰাজন। তেওঁলোকে অলপদিনৰ আগতে চহৰত খুচুৰা বিক্ৰীৰ দোকান আৰম্ভ কৰিছিল। তেওঁলোক দুয়োয়ে বেলি উঠাৰ আগতেই নৰহৰিৰ নাৱেৰে জুৰিটো পাৰ হৈ চহৰলৈ গৈছিল আৰু সন্ধিয়া বেলি ডুবাৰ পিছতহে উভতি আহিছিল।

বিজন আৰু ৰাজন দুয়োজনেই শকত আছিল। গতিকে তেওঁলোকক নাৱত বহুৱাই নাওখনৰ ভাৰসাম্য ৰক্ষা কৰাটো নৰহৰিৰ বাবে বৰ সহজ কথা নাছিল। তেওঁলোক বহোতে অলপ ইফাল সিফাল হলেই নাও একটীয়া হৈ পৰাৰ সম্ভাৱনা আছিল।

নৰহৰিয়ে বিজন আৰু ৰাজনক নাওখনৰ দুমূৰে দুজনক বহুৱাইছিল আৰু মাজ অংশত আন মানুহক বহুৱাই নাৱৰ ভাৰসাম্য ৰক্ষা কৰিছিল।

এইদৰে মানুহক ঠিকমতে বহুৱাই লওতেই ৰাতিপুৱা বহু সময় লাগিছিল। লাহে লাহে নৰহৰিয়ে অনুভৱ কৰিলে যে এইটো সাময়িক সমস্যা নহয়। 'সিঁহতৰ ব্যৱসায়ে মোৰ বাবে সমস্যাৰ সৃষ্টি কৰিছে।'

জি নিৰ্মলা দেৱী

নৰহৰিয়ে এইদৰে চিন্তা কৰিছিল।

এদিনাখন তেওঁ এই ঘটনাক লৈ হতাশ হৈ পৰিল।

এদিন সি তেওঁলোক দুজনক কলে, ‘‘মহাশয়, আপোনালোক দুজনক ঠিকমতে বহুৱাওতেই মোৰ বহু সময় লাগে। আপোনালোকে অনুগ্ৰহ কৰি সেই পুৰণি দলংখন ব্যৱহাৰ কৰি ইপাৰ সিপাৰ হৈ কাম চলাওক। এনেয়েও খোজকঢ়াটো স্বাস্থ্যৰ বাবে ভাল।’’

এই কথাত বিজন আৰু ৰাজনে খং খাই উঠিল। ‘‘তুমি ভাৱা নেকি যে তুমি আমাক জুৰিটো পাৰ কৰি নিদিলে আমাৰ ব্যৱসায় নচলিব।’’ এইবুলি তেওঁলোকে দলংখনৰ ফালে খোজ ললে। সেইসময়ত নাওখনত থকা বাকীসকল লোকে কলে, ‘‘নৰ, তুমি ইমান কঠোৰ হোৱাতো ভাল নহয়। তেওঁলোক এনেয়ে শকত, তেওঁলোকে কিদৰে সদায় খোজকাঢ়ি দলংখন পাৰ হব। তোমাৰেই কেৱল নাও আছে বাবে তুমি নিশ্চয় গৌৰৱত উফন্দি পৰিছা। তুমি দুজন ভাল গ্ৰাহক হেৰুৱালা।’’

‘‘তেওঁলোক একো ভাল গ্ৰাহক নহয়। তেওঁলোকক ঠিকমতে বহুৱাওতেই মোৰ বহু সময় নষ্ট হয়। খোজকঢ়াটো তেওঁলোকৰ স্বাস্থ্য পক্ষে মংগলজনক হব। তেওঁলোকে সোনকালেই ওজন হেৰুৱাই ভাল স্বাস্থ্য লাভ কৰিব। আপোনালোকে তেতিয়াহে যদি মোৰ প্ৰশংসা কৰে। তেওঁলোক গ'লত মই একো হেৰুওৱা নাই। এতিয়া তেওঁলোক দুজনৰ ঠাইত মোৰ নাৱত পাঁচজন বহিব পৰা হৈছে। এনে কৰাত মোৰ এটকা চাৰি অনা লাভ কৰা নাই জানো?’’

‘‘এটকা চাৰি অনা বেছিকৈ লাভ কৰি ইয়াৰ ফূৰ্তি চোৱা। তেওঁলোক দুজনে যদি খোজকাঢ়ি ভাল স্বাস্থ্যৰ অধিকাৰী হয়, তেন্তে মোৰ উপাৰ্জন কমি যাব।’’ নাৱখনৰ একোণত বহি থকা গাৱঁৰ চিকিৎসকজনে দুখেৰে কলে।

বিজন আৰু ৰাজনে সেই চিকিৎসকজনৰ পৰা নিতৌ দৰৱ খাইছিল যাতে বেছি ওজনৰ ফলত হোৱা নানা ৰোগৰ পৰা বাচি থাকিব পাৰে। সেইবাবেই তেওঁ চিন্তিত হৈ উঠিল।



তিনিগুণ লোকচান

বহু দিনৰ আগতে খুসৰী নামৰ এজন বাদশ্বাহে পাৰস্য দেশত ৰাজত্ব কৰিছিল। তেওঁ মাছ বৰ ভাল পাইছিল। এদিনাখন ৰাতিপুৱা, তেওঁ পত্নী শ্বৰিণৰ লগত মহলৰ ওপৰ মহলাৰ বাৰান্দাত বহি আছিল। তেনে সময়তে এজন মাছমৰীয়াই আহি তেওঁক এটা মাছ উপহাৰ হিচাপে দিলে। সেই মাছটো কেৱল ডাঙৰেই নাছিল, দামী আৰু বিচিত্ৰও আছিল। বাদশ্বাহে সেই মাছ দেখা পাই বৰ সুখী হ'ল। তেওঁ সেই মাছমৰীয়াক চাৰি হেজাৰ সোণৰ মোহৰ পুৰস্কাৰ হিচাপে প্ৰদান কৰিলে।

শ্বৰিণে তেওঁৰ পতিয়ে সুখী হৈ মানুহক বহু পুৰস্কাৰ দিয়া দেখিছিল। এই কাৰ্য তেওঁ একেবাৰে পচন্দ নকৰিছিল। পুৰস্কাৰ লৈ মাছমৰীয়া গুচি যোৱাৰ পিছত তেওঁ খঙেৰে বাদশ্বাহক কলে, "এটা মাছৰ বাবে চাৰি হেজাৰ সোণৰ মুদ্ৰাৰ পুৰস্কাৰ! যদি আপুনি এইদৰে পুৰস্কাৰ দি থাকে, তেতিয়াহলে কালিলৈৰ পৰা আপুনি সকলো বস্তুৰ বাবে পুৰস্কাৰ দিব লাগিব। কিবা এটা অজুহাত দেখুৱাই আপুনি এই চাৰি হেজাৰ মোহৰ পুণৰ ঘূৰাই লওক।"

"এবাৰ দিয়া পুৰস্কাৰ ঘূৰাই লোৱাটো এজন বাদশ্বাহৰ সন্মান বিৰুদ্ধ। ইয়াতকৈ অপমানজনক কথা আৰু একো হব নোৱাৰে।" বাদশ্বাহে কলে।

"এনে কথা হব নোৱাৰে। সন্মান

ভি পুৰুষোত্তম

হানি নোহোৱাকৈও এই ধন ঘূৰাই লব পৰা যায়। মই এটা উপায় দিছো, আপুনি শুনক – আপুনি মাছমৰীয়াক পুণৰ মাতি আনি সোধক যে মাছটো মতা নে মাইকী। যদি সি কয় যে মাছটো মতা, তেতিয়াহলে কওক যে মতা মাছ আপোনাক নালাগে। আনহাতে যদি সি কয় যে মাছটো মাইকী, তেন্তে কওক যে আপোনাক মতা মাছহে লাগে। এইদৰে আপুনি মাছটো উভতাই দিব পাৰিব।'' বেগম শ্বৰিণে বাদশ্বাহক পৰামৰ্শ দিলে।

বাদশ্বাহ খুসৰীয়ে বেগমক বৰ ভাল পাইছিল। গতিকে তেওঁ বেগমৰ মনত দুখ দিব নুখুজিলে। গতিকে তেওঁ অনিচ্ছা স্বত্তেও মাছমৰীয়াক পুণৰ মতাই পঠিয়ালে।

''মাছমৰীয়া, তুমি মোক উপহাৰ দিয়া মাছটো মতা নে মাইকী?'' বাদশ্বাহে সুধিলে।

''বাদশ্বাহ, এই জাতিৰ মাছৰ মতা-মাইকী নাথাকে। প্ৰতিটো মাছেই কণী পাৰি পোৱালী জগায়।''

বাদশ্বাহ খুসৰীয়ে মাছমৰীয়াৰ কথা শুনি বৰ আনন্দ পালে আৰু আদেশ দিলে যে মাছমৰীয়াক চাৰিহেজাৰৰ পৰিৱৰ্তে আঠহেজাৰ সোণৰ মুদ্ৰা পুৰস্কাৰ দিয়া যায়। পুৰস্কাৰৰ আঠ হেজাৰ মুদ্ৰা মাছমৰীয়াই মাছ অনা পাচিটোত লৈ গুচি গ'ল।

যেতিয়া মাছমৰীয়া ৰাজপ্ৰসাদৰ চোতালেদি গৈ আছিল, তেতিয়া হঠাতে পাচিটোৰ পৰা এটা মুদ্ৰা মাটিত পৰিল।



লগে লগে মাছমৰীয়াই মুদ্ৰা থকা পাচিটো মাটিত থৈ পৰি যোৱা মুদ্ৰাটো বিচাৰিবলৈ ধৰিলে। বহু বিচৰাৰ পিছত তেওঁ সেইটো বিচাৰি পালে আৰু পাচিটোত পুণৰ থৈ দিলে।

''দেখিলে, সি কিমান লুভীয়া! এটা মুদ্ৰা পৰি যোৱাৰ কিমান বিচাৰিলে! তাৰ ইমান উদাৰতাও নাই যে সেই পৰি যোৱা মুদ্ৰা কোনো দুখীয়া লোকৰ কামত আহিব পাৰে।'' শ্বৰিণে কলে।

বেগমক সন্তুষ্ট কৰিবৰ বাবে বাদশ্বাহে সেই মাছমৰীয়াক পুণৰ মতাই আনিলে। সি অহাত বাদশ্বাহে কলে, ''তই ইমান লুভীয়া নে? এটা মুদ্ৰা পৰি গ'ল আৰু তই ইমান বিচাৰিলি। এই কথাওটো ভাৱিব পাৰিলিহেতেন যে সেইটো কোনো দুখীয়া লোকৰ কামত আহিব। পাচিটো মাটিত থৈ শেষত সেইটো বিচাৰি উলিয়ালহে তোৰ শান্তি হ'ল। তই সচাকৈয়ে বৰ লুভীয়া।''

মাছমৰীয়াই হাত যোৰ কৰি কলে, ''হুজুৰ আপুনি মাৰক বা কাটকেই। আঁচল কথাটো হ'ল, এটা মুদ্ৰা পৰি যোৱাত মই কেতিয়াও ভৰা নাছিলো যে মই দুখীয়া হৈ যাম। মোৰ দৃষ্টিত সেই মোহৰ পৱিত্ৰ আছিল। সেই মুদ্ৰাৰ এফালে বাদশ্বাহৰ চিত্ৰ আৰু আনটো ফালে নাম খোদাই কৰা আছিল। যদি মই সেইটো মাটিত পৰি থাকিবলৈ দিও, তেন্তে কোনোবাই গছকি দিব পাৰে। সেই ভয়তে মই পাচিটো মাটিত ৰাখি পৰি যোৱা মুদ্ৰাটো বিচাৰি উলিয়ালো।''

মাছমৰীয়াৰ বুদ্ধিদীপ্ত উত্তৰ শুনি বাদশ্বাহ বৰ সুখী হ'ল। তেওঁ সেই মাছমৰীয়াক আৰু চাৰি হেজাৰ মুদ্ৰা পুৰস্কাৰ দিবলৈ আদেশ কৰিলে।



ৰজা হোৱাৰ যোগ্য

ভুৱনগিৰি ৰাজ্যৰ বৃদ্ধ ৰজা চন্দ্ৰ মোহনে হঠাতে ইহলীলা সম্বৰণ কৰিলে। ৰজাৰ মৃত্যুৰ লগে লগে সকলো ফালে অস্থিৰতাৰ সৃষ্টি হ'ল। এই অস্থিৰতাৰ আঁৰত চুবুৰীয়া ৰাজ্য বিদিশাপুৰৰ হাত আছিল। তেওঁলোকে অনুমান কৰিছিল যে প্ৰত্যক্ষ যুদ্ধত তেওঁলোকে ভুৱনগিৰিৰ শক্তিশালী সৈন্যবাহিনীক পৰাস্ত কৰিব নোৱাৰিবও পাৰে। গতিকে আভ্যন্তৰিণ কন্দলৰ সৃষ্টি কৰি ভুৱনগিৰিক দুৰ্বল কৰিবলৈ পৰিকল্পনা কৰি এনে কৰিছিল।

ৰজা চন্দ্ৰ মোহনৰ পত্নীও বৃদ্ধা আছিল। গতিকে তেওঁ ৰাজ্য শাসনৰ ভাৰ লব পৰা অৱস্থাত নাছিল। সিংহাসনত আৰোহন কৰিবৰ বাবে তেওঁলোকৰ কোনো সন্তানো নাছিল। প্ৰধান মন্ত্ৰী সহদেৱে পৰৱৰ্তী কাৰ্যপন্থা সম্পৰ্কে বৃদ্ধা ৰাণীৰ লগত আলোচনা কৰিলে আৰু ৰজা হোৱাৰ উপযুক্ত এক যুৱক বিচাৰি অভিযান আৰম্ভ কৰিলে।

নানা গুৰুকুলৰ পৰা ভালৰো ভাল বিদ্যাৰ্থীসকলক মতাই আনি নানা ধৰণেৰে পৰীক্ষা কৰা হ'ল। সকলোৰে মাজৰ পৰা সমানে প্ৰতিভাৱান দুজন যুৱকে সকলো পৰীক্ষাতে উত্তম ফল প্ৰদৰ্শন কৰিলে। তেওঁলোকৰ নাম আছিল সাৰাংগপানি আৰু ভূপতি।

তেওঁলোকে বৃদ্ধা ৰাণী আৰু প্ৰধানমন্ত্ৰীৰ বাবে এক অসুবিধাৰ সৃষ্টি কৰিলে। কিয়নো তেওঁলোকৰ মাজত কোন বেছি প্ৰতিভাৱান তাক নিৰ্ণয় কৰাটো সহজ নাছিল। সকলোতে এজন আনজনৰ সমকক্ষ আছিল। বহু চিন্তা কৰাৰ পিছত প্ৰধানমন্ত্ৰী সহদেৱে ৰাজসভাৰ আহ্বান কৰিলে। সেই সভাত তেওঁ সাৰাংগপাণি আৰু ভূপতিক সকলোৰে লগত পৰিচয় কৰাই দিলে।

বি পুৰুষোত্তম



তেওঁ কলে, "ভূৱনগিৰিৰ নাগৰিকসকল, এই দুয়োজন যুৱক আমাৰ ৰাজ্যৰ ৰজা হবৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। এওঁলোক দুজনে আমি পতা পৰীক্ষাসমূহত সমানে দক্ষতা প্ৰদৰ্শন কৰিছে। আমি এওঁলোকৰ মাজৰ পৰা অধিক উপযুক্তজনক এতিয়াও বাছনি কৰি উলিয়াব পৰা নাই।

মই ভাৱো যে আমি এই দুয়োজন যুৱককে ৰাজ্যত আইন-শৃংখলা পুণৰ প্ৰতিষ্ঠিত কৰিবলৈ সুবিধা দিয়া উচিত। তেওঁলোকে প্ৰদৰ্শন কৰা ফলাফলৰ ওপৰত ভিত্তি কৰি আমি অধিক উপযুক্তজনক বাছনি কৰিম। এই আঁচনি সম্বন্ধে যদি আপোনালোৰ কিবা কব লগা আছে, তেন্তে অনুগ্ৰহ কৰি কব পাৰে।"

ৰাণীকে ধৰি সেই সভাত উপস্থিত থকা সকলো লোক প্ৰধানমন্ত্ৰীৰ প্ৰস্তাৱত মান্তি হ'ল। তাৰপিছত প্ৰধানমন্ত্ৰীয়ে দুয়োজন যুৱকক উদ্দেশ্যি কলে, "আমাৰ ভূৱনগিৰি ৰাজ্য শান্তি আৰু সমৃদ্ধিৰ বাবে সকলোতে জনাজাত। কিন্তু মহাৰাজৰ মৃত্যুৰ পিছত ৰাজ্যৰ কিছু শক্তিয়ে ন্যস্ত স্বাৰ্থ পুৰণ কৰিবৰ বাবে এনে এক বিশৃংখল অৱস্থাৰ সৃষ্টি কৰিছে। তেওঁলোকৰ লগত আমাৰ ৰাজ্যৰ কিছু লোকো আছে।

তোমালোকৰ মাজত যিকোনো এজন ৰজা হোৱাতো নিশ্চিত। গতিকে আমি আৰু এটা পৰীক্ষা পাতিবলৈ সিদ্ধান্ত কৰিছো। আমি তোমালোকক কিছু সৈন্য আৰু ক্ষমতা প্ৰদান কৰিম। তোমালোকে প্ৰতিজনে নিজকে ৰজা জ্ঞান কৰি পৰিস্থিতি সম্বন্ধে দেশৰ প্ৰজাক অৱগত কৰি তুলিবলৈ চেষ্টা কৰা। এইটো নিশ্চিত কৰা যে এই বিশৃংখল অৱস্থাৰ অৱসান ঘটে। তোমালোকৰ মাজৰ যিজনেই এই কাম সুকলমে সমাধা কৰিব পাৰিবা, তেৱেঁই ভৱিষ্যতে ভূৱনগিৰি ৰাজ্যৰ ৰজা হোৱাৰ সৌভাগ্য লাভ কৰিবা।"

সাৰংগপানি আৰু ভূপতিয়ে উত্তৰ দিলে, "প্ৰধানমন্ত্ৰী মহোদয়, আমি ৰাজ্যত স্বাভাৱিক অৱস্থা পুণৰ প্ৰতিষ্ঠা কৰি পূৰ্বৰ অৱস্থা উভতাই আনিবলৈ সাধ্যানুসৰি চেষ্টা কৰিম। আমি ৰজা হোৱাৰ যোগ্যতা অৰ্জন কৰো বা নকৰো সেয়া পিছৰ কথা, কিন্তু এই দেশৰ এজন নাগৰিক হিচাপে আমি এই কাম কৰি আমাৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিম। দেশৰ অভিজ্ঞ সকলেই আমাৰ মাজত কোন বেছি উপযুক্ত সেয়া বিচাৰ কৰি উলিয়াব।"

এইদৰে কৈ দুয়োজনে লগত কিছু সৈন্য লৈ ৰাজ্যৰ দুফালে প্ৰস্থান কৰিলে।

দুয়োজনে ৰাজ্যৰ নানা ঠাই ভ্ৰমণ কৰিলে। তেওঁলোকে নিজকে ৰজাৰ প্ৰতিনিধি বুলি পৰিচয় দিলে আৰু ৰাজ্যৰ পৰিস্থিতি সম্পৰ্কে বৰ্ণনা কৰিলে। তেওঁলোকে সকলো প্ৰজাকে অনুৰোধ কৰিলে যে বাহিৰা শক্তি কথাত ভোল গৈ ৰাজ্যত আইন-শৃংখলাহীন পৰিস্থিতিৰ সৃষ্টি নকৰে। পৰিৱৰ্তে ৰাজ্যৰ প্ৰশাসনক সহায় কৰি এক সুস্থ অৱস্থা ঘূৰাই আনিবলৈ সহায় কৰে।

বহু ঠাইত, ৰাজ্যৰ প্ৰজাই তেওঁলোকৰ অনুৰোধ মানি বিদ্ৰোহ আৰু আইন-শৃংখলা নষ্ট হব পৰা কাম কৰাৰ পৰা বিৰত থাকিল। তাকে দেখি সাধাৰণ প্ৰজাৰ মনত ভয়ৰ সৃষ্টি কৰিবৰ বাবে শত্ৰুৱে তেওঁলোকক আক্ৰমণ কৰিলে। সাৰংগপানি আৰু ভূপতিয়ে বিক্ৰমেৰে যুদ্ধ কৰিলে আৰু তেওঁলোকক নিপাত কৰিলে।

কিন্তু ৰাজ্যৰ কিছু অংশত, প্ৰজাই তেওঁলোকৰ কথালৈ কাণ নিদিলে আৰু ৰাজহুৱা সম্পত্তি ধ্বংস কৰা অব্যাহত ৰাখিলে। তেওঁলোকে আনকি সাৰংগপানি আৰু ভূপতিক শাৰিৰীকভাৱে আক্ৰমণ কৰিবলৈ চেষ্টা কৰিলে। তেতিয়া, দুয়ো যুৱকে সৈন্যৰ বাহিনীৰ সহায়ত সেইসকল লোকক বন্দী কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিলে।

এইদৰে কাম কৰি যোৱাৰ পিছত লাহে লাহে ৰাজ্যৰ পৰা বিশৃংখল অৱস্থাৰ অৱসান হবলৈ আৰম্ভ কৰিলে। ৰাজ্যৰ আইন শৃংখলা নিয়ন্ত্ৰণলৈ আহিল। প্ৰধানমন্ত্ৰী, ৰাণী আৰু গুৰুত্বপূৰ্ণ বিষয়াসকল সুখী হ'ল। ভূৱনগিৰিৰ পৰিস্থিতি ভাললৈ অহা দেখি কাষৰীয়া ৰাজ্য বিদিশাপুৰেও চক খালে।

অৱশেষত ভূৱনগিৰিৰ ভৱিষ্যতৰ ৰজা ঘোষণা হবলগীয়া দিনটো আহি পালে। প্ৰধানমন্ত্ৰী সহদেৱে এখন বিশাল ৰাজহুৱা সভা আহ্বান কৰিলে। তেওঁ ঘোষণা কৰিলে, ‘‘এই দুজন ডেকাৰ চেষ্টাৰ বলত আজি ৰাজ্যত আইন-শৃংখলা পুণৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ হৈছে। আনকি আমাৰ ৰাজ্যৰ বেয়া শক্তিসমূহক দমন কৰা হৈছে আৰু উচিত শাস্তি প্ৰদান কৰা হৈছে। গতিকে আমি এনে কামৰ বাবে সাৰংগপানি আৰু ভূপতিক অভিনন্দন জ্ঞাপন কৰিছো।’’

তাৰপিছত প্ৰধানমন্ত্ৰী সহদেৱে সাৰংগপানিক সুধিলে, ‘‘ডেকা ল'ৰা,

বন্দী কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা এইসকল লোকৰ অপৰাধ কি?''

সাৰংগপানিয়ে উত্তৰ দিলে, ''এইসকল লোকে মোক আক্ৰমণ কৰিছিল আৰু সেইবাবে আত্মৰক্ষাৰ বাবে তেওঁলোকক বন্দী কৰা হ'ল।''

তাৰপিছত প্ৰধানমন্ত্ৰীয়ে সেই একেটা প্ৰশ্নকে ভূপতিক সুধিলে। ভূপতিয়ে উত্তৰ দিলে, ''এইসকল লোকে ৰাজহুৱা সম্পত্তিৰ অনিষ্ট সাধন কৰিছিল। দেশৰ নিৰাপত্তাৰ বাবে তেওঁলোকক বন্দী কৰিবলগীয়া হ'ল।''

দুয়োজনৰে উত্তৰ শুনাৰ পিছত প্ৰধানমন্ত্ৰীয়ে অলপ সময়ৰ বাবে ৰাণীৰ লগত আলোচনা কৰিলো। তাৰপিছত তেওঁ ভূপতিক ৰাজ্যৰ ভৱিষ্যতৰ ৰজা হিচাপে ঘোষণা কৰিলে।

তাৰপিছত তেওঁ এই সিদ্ধান্তৰ কাৰণ ব্যাখ্য কৰিলে। তেওঁ কলে, ''সকলো ক্ষেত্ৰতে সাৰংগপানি আৰু ভূপতি সমকক্ষ। তেওঁলোকে সমান বিক্ৰম প্ৰদৰ্শন কৰি ৰাজ্যৰ অপশক্তিসমূহৰ বিনাশ কৰিলে। কিন্তু, তেওঁলোকে সাধাৰণ প্ৰজাক যিধৰণেৰে নিয়ন্ত্ৰণ কৰিলে তাত এক পাৰ্থক্য আছে। সেই পাৰ্থক্যৰ ওপৰত ভিত্তি কৰিয়েই আমি এই সিদ্ধান্ত গ্ৰহণ কৰিলো।

সাৰংগপানিয়ে সেইসকলক বন্দী কৰাত বেছি গুৰুত্ব দিছিল, যিসকলে তেওঁক আক্ৰমণ কৰিছিল। আনহাতে, যিসকলে ৰাজহুৱা সম্পত্তি নষ্ট কৰিছিল, সেইসকলকহে ভূপতিয়ে বন্দী কৰিছিল। এইদৰে সাৰংগপানিয়ে নিজৰ সুৰক্ষাৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰিছিল। ভূপতিয়ে ৰাজ্যৰ সম্পদক ৰক্ষা কৰাটোত প্ৰাধান্য দিছিল। সেইবাবে, তেৱেঁই ভুৱনগিৰি ৰাজ্যৰ ৰজা হোৱা উপযুক্ত।''

এই কথা শুনি তাত উপস্থিত থকা সকলো লোকে হাত চাপৰি বজালে। সাৰংগপানিয়ে তেওঁৰ ভুলৰ কথা উপলব্ধি কৰিলে আৰু ভূপতিক অভিনন্দন জনালে। তাৰপিছত ভূপতিয়ে সেই দেশৰ ৰজা হৈ সুন্দৰভাৱে ৰাজ্য পৰিচালনা কৰিবলৈ ধৰিলে। ভুৱনগিৰি ৰাজ্য সকলো দিশৰ পৰা সমৃদ্ধিশালী হৈ উঠিল।



নকল মোহৰ

ৰাম আৰু ভীম নলে-গলে লগা বন্ধু আছিল আৰু দুয়ো একেখন গাৱঁতে বাস কৰিছিল। ৰাজসভাত কিবা বিষয়বাব লাভ কৰাৰ মানস কৰি দুয়ো ৰাজধানী নগৰলৈ গমন কৰিলে। তেওঁলোকে এখন অৰণ্যৰ মাজেদি গৈ থাকোতে তাতে এটা সোণৰ মুদ্রা পৰি থকা দেখা পালে। তেওঁলোকে সেই মোহৰটো বুটলি ললে।

খোজ কাঢ়ি গৈ থাকোতে তেওঁলোকে কেৱল এটা কথাই তৰ্ক কৰি আছিল, সেয়া হ'ল সেই সোণৰ মোহৰটো দুজনৰ ভিতৰত কোনে পাব। তেওঁলোক গৈ অৰণ্যৰ শেষ প্ৰান্তত উপস্থিত হ'ল আৰু তাত এটা মন্দিৰ দেখা পালে। সেই মন্দিৰতে এজন বৃদ্ধ সাধু বহি আছিল। তেওঁলোকে তৰ্ক কৰি থকা দেখি সাধুজনে সুধিলে, "তোমালোকে কিহৰ বাবে তৰ্ক কৰি আছা?" তেওঁলোকে কাৰণটো কোৱাত সাধুজনে মোহৰটো লৈ পৰীক্ষা কৰি চাই হাঁহি এটা মাৰি কলে, "এইটো এটা নকল মোহৰ। ইয়াৰ মূল্য একো নাই। তোমালোকে মোহৰটোৰ বাবে নিজৰ বন্ধুত্বক পাহৰি গ'লা। এজনে আনজনৰ প্ৰতি শত্ৰুৰ দৰে আচৰণ কৰিবলৈ আৰম্ভ কৰিলা। ধনেই সকলো সৰ্বনাশৰো মূল।" এইদৰে কৈ সাধুজনে মোহৰটো মন্দিৰৰ দান পাত্ৰত থৈ দিলে।

দুয়োজন বন্ধুৱে নিজৰ নিজৰ আচৰণৰ বাবে বৰ লাজ পালে। "ভগৱানৰ বাবে ৰখা দান পাত্ৰত এটা নকল মুদ্রা থৈ দিয়াটো জানো পাপ নহয়?" এজনে সুধিলে।

সাধুজনে হাঁহি এটা মাৰি কলে, "এইটো আচল সোণৰ। কিন্তু দুজন লোকৰ মাজত বেয়া ভাৱৰ জন্ম দিব পৰা যিকোনো বস্তুৱেই নকল মোহৰৰ দৰে। দুজনৰ মাজৰ সম্বন্ধহে আটাইতকৈ মূল্যৱান বস্তু।" এইবুলি কৈ সাধুজনে দুয়োজনকে আৰ্শীবাদ দিলে আৰু দুয়োজনেই আগৰ দৰে সমিলমিলেৰে ৰাজধানীৰ বাট ধৰিলে।

– জি জন কেনেডী



প্ৰজন্ম পাৰ্থক্য

এক বয়সিয়াল দম্পত্তি ৰাজেন্দ্ৰ আৰু সৰোজাই এখন গাৱত বাস কৰিছিল। ৰাজেন্দ্ৰৰ বয়স আছিল ৭০ বছৰ। দুয়ো এবাৰ চহৰত থিতাপি লোৱা পুতেকৰ ঘৰলৈ ফুৰিবলৈ আহিল।

সৰোজাই লগত লৈ যোৱা পৰম্পৰাগত পিঠা-পনাবিলাকৰ টোপোলাটো নাতি-নাতিনীক দিলে। ''মই এইবিলাক তোমালোকৰ বাবে তৈয়াৰ কৰিছো। তোমালোকে খাই চোৱা।'' সৰোজাই তেওঁৰ কলেজীয়া নাতিয়েকক কলে।

''সিঁহত পিজা আৰু বাৰ্গাৰ খোৱাত অভ্যস্ত। গতিকে মই নাভাৱো যে সিঁহতে এই পিঠা-পনাবিলাকৰ সোৱাদ বুজি পাব। সেইবিলাকৰ সোৱাদ আপোনাৰ ল'ৰা আৰু মইহে উপভোগ কৰিব পাৰিম।'' হাঁহি এটা মাৰি বোৱাৰীয়েকে সৰোজাক কলে।

ৰাজেন্দ্ৰ আৰু সৰোজা গোটেই দিনটো ঘৰতে আছিল। কিন্তু বাকীসকল নিজৰ নিজৰ কলেজ আৰু অফিচলৈ গৈছিল।

সন্ধিয়া ঘৰলৈ উভতি অহাৰ পিছত নাতিয়েকহতে গা ধুই কিবা এটা খাই হয় হাতত কিতাপ লৈ বা কম্পিউটাৰত পঢ়িছিল। ৰাতিৰ আহাৰ খোৱালৈকে তেওঁলোকে লৰচৰেই নকৰিছিল। নাতিয়েকহতৰ লগত অলপমান সময় কটোৱাৰ ইচ্ছা বৃদ্ধ দম্পত্তিৰ আছিল যদিও সম্ভৱ হৈ উঠা নাছিল।

এবাৰ সৰোজাই বোৱাৰীয়েকক কলে, ''নাতিকেইটাই সকলো সময়তে কেৱল পঢ়িয়েই থাকে। তেওঁলোকে খেলা-ধুলা নকৰে নেকি? এনেদৰে দিন পাৰ কৰিলে সিঁহতৰ স্বাস্থ্য কেনেকৈ ভালে থাকিব ?''

বোৱাৰীয়েক নিজৰাই কলে, ''আজিৰ পৃথিবীখন বৰ বেছি প্ৰতিযোগিতামূলক হৈ পৰিছে মা। যদি তেওঁলোকে সফল মানুহ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব বিচাৰে, তেন্তে

তিৰুমলাশ্ৰী

এতিয়াৰে পৰাই কষ্ট কৰিব লাগিব।

কেইদিনমানৰ পিছতে নাতিয়েকহঁতৰ দুদিনৰ বন্ধ আছিল। নিজৰাই ককা-আইতাকক চহৰত ফুৰাবলৈ লৈ যাবলৈ তেওঁলোকক কলে। সিঁহতে আনন্দেৰে ককা-আইতাকক চহৰ দেখুৱাবলৈ লৈ গ'ল।

উভতি অহাৰ পৰত, তেওঁলোকে পথৰ দাঁতিত মানুহে জুম বান্ধি থকা দেখিবলৈ পালে। এটা গুণ্ডা যেন লগা মানুহে এজন বৃদ্ধক মাৰি থকা দেখিবলৈ পালে। মানুহৰ মুখেৰে শুনা পালে যে সেই গুণ্ডাই বৃদ্ধৰ জীয়েকক উদ্দ্যেশি অশ্লীল মন্তব্য কৰিছিল আৰু বৃদ্ধই তাৰ প্ৰতিবাদ কৰাত আক্ৰমণৰ সন্মুখীন হব লগা হৈছে।

"মই তাক এটা ভাল শিক্ষা দিম।" নাতিয়েক অভিশেষে এইদৰে কৈ আগবাঢ়ি যাবলৈ ওলাল।

সৰোজাই তাৰ ৰখাবলৈ চেষ্টা কৰি কলে, "কিয় বাটৰ কচু গাত ঘঁহি লব লাগে?"

"তাক যাবলৈ দিয়ক, আইতা।" নাতিনীয়েক অনিতাই কলে।

বৃদ্ধ দম্পত্তিয়ে ভয় খাইছিল যে প্ৰতিবাদ কৰিবলৈ গলে হয়টো গুণ্ডাটোৱে অভিশেষক আক্ৰমণ কৰিব পাৰে। কিন্তু অভিশেষে গুণ্ডাক কেইটামান ঘোঁচা মাৰি মাটিত বাগৰাই পেলালে।

সৰোজাই যেন নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। ৰাজেন্দ্ৰই নাতিয়েকৰ ফালে প্ৰশংসাৰ দৃষ্টিৰে চাই কলে, "তুমি বেয়া মানুহৰ পৰা আঁতৰি থকা উচিত। সি তোমাতকৈ শক্তিশালী হোৱা হলে কি কৰিলাহেতেন? গতিকে এনে পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিবা।"

হাঁহি এটা মাৰি অভিশেষে কলে, "ককা, আপোনাৰ যুগৰ দৰ্শন এয়েই আছিল যে বেয়া মানুহৰ পৰা আঁতৰি থাকিবা। আমাৰ যুগৰ ডেকাৰ দৰ্শন হ'ল এই যে বেয়া মানুহক উচিত শিক্ষা দিব লাগে।"

অনিতায়ো হাঁহি এটা মাৰি ককায়েকৰ প্ৰশংসা কৰিলে।

"এই প্ৰজন্মৰ মাজত যে কি বিশাল সম্ভাৱনীয়তা লুকাই আছে।" বৃদ্ধ দম্পত্তিয়ে এই কথা ভাৱি আচৰিতো হ'ল আৰু সুখীও হ'ল।

बूमरमैन और ब्यूटी क्वीन
एक सुहानी शाम....
एक लड़का क्रिकेट खेलकर घर वापिस आ रहा था।
अचानक उसने मदद के लिए पुकार सुनी। एक ब्यूटी क्वीन मुसीबत में थी।
बचाओ!
ओह...मुझे उसकी मदद करनी चाहिए।
कार एक बड़े से बंगले में चली जाती है।
अपहरण करने वाले ब्यूटी क्वीन को एक डॉन के अड्डे पर ले जाते हैं।
BEAUTY QUEEN

डॉन!
वह हुक्म देता है।
नाचो!
ब्यूटी क्वीन डरी हुई है, पर तभी एक आवाज़ आती है।
BEAUTY QUEEN
रुको!
आंय!!
लड़का सीन में आता है...
मैं नाच कर दिखाता हूँ।
वह बूमर सुपर बबल गम निकालता है...
और उसे चबाने लगता है।

लड़का बहुत बड़ा बबल फुलाता है। वह फट जाता है।
बूम
बबल के फटते ही वहाँ प्रकट होता है, 'बूमरमैन'!
डॉन सकपका जाता है।
बूमरमैन और लड़का एक दूसरे को आँख मारते हैं।
डाँस शुरू हो जाता है।
बूम दा बिबली बूम
बूमरमैन कलाबाज़ी खाकर उछलता हुआ लड़के के पास आकर रुकता है...
...ऐक्शन के लिए तैयार।

वह अपनी प्रसार शक्ति* का इस्तेमाल करता है......
*प्रसार शक्ति–शरीर के किसी भी हिस्से का आकार बढ़ाने वाली शक्ति।
बूम
बूम
....और शुरू होता है मज़ा!
इसके बाद लड़का बूमरमैन के कंधों पर चढ़ जाता है और ऐक्शन के लिए तैयार हो जाता है।
जैसे ही गुंडे लड़के पर हमले की तैयारी करते हैं, बूमरमैन उसे हवा में उठा लेता है।
!!!
एक साथ मिलकर वे गुंडों पर टूट पड़ते हैं।
बूमरमैन अपनी बाजुओं को फैलाता है और लड़के को उठा लेता है....

बदमाश डॉन अपने सिंहासन के पास लगा हुआ...
...एक सीक्रेट बटन दबाता है।
...और लड़का हवा में उछल जाता है!
वह फर्श पर लगभग गिरने ही वाला होता है कि...
तभी बूमरमैन बहुत बड़ा बबल फुलाता है...
...जो उसको गिरने से बचा लेता है।
बॉइंग!
हू?

लड़का डॉन की तरफ लपकता है...
...और उसे ज़ोरदार किक जमाता है।
डॉन गिर जाता है।
यह देख ब्यूटी क्वीन
बहुत खुश हो जाती है।
और बूमरमैन और लड़का
अपनी जीत की खुशी मनाते हैं।
Wrigley's
BOOMER
Super Bubble Gum
Added
Strawberry
Flavour


जीतिए
ढेरों मज़ेदार
बूमर इनाम*!
बूम
बूम
Wrigley's
BOOMER
Super Bubble Gum
बूमर मेनिया
एडवेंचर टेल्स कॉन्टेस्ट
एक रोमांचक कहानी लिखिए जिसमें हों बूमरमैन और आप।
इसे 5 बूमर रैपर के साथ हमें भेजिए और जीतिए शानदार इनाम!*
अपनी एण्ट्री नीचे दिए गए पते पर भेजिए:
बूमर मेनिया, पोस्ट बॉक्स नं. 28,
ओखला इण्डस्ट्रियल एस्टेट फेज 3, नई दिल्ली – 110020
निम्नलिखित जानकारी अवश्य दें–
नाम, उम्र, पता, पिन कोड और टेलिफोन नं.
*शर्तें लागू



গুণৱতী

কাঞ্চীপুৰত শশধৰ নামৰ এজন বেপাৰী যুৱকে বাস কৰিছিল। তেওঁলোকে কেইবাপুৰুষৰ আগৰে পৰা ব্যৱসায় আদি কৰি আহিছিল। সেই বেপাৰৰ পৰা তেওঁলোকে লাখ লাখ টকা উপাৰ্জন কৰিছিল। শশধৰৰ বয়স বাইশ বছৰ হৈছিল, কিন্তু তেতিয়ালৈকে বিবাহ হোৱা নাছিল।

'গৃহণঃ প্ৰিয় হিতায় দাৰ গুণাঃ'(পত্নীৰ গুণেই পতিৰ বাবে উপকাৰী আৰু হিতকাৰী হয়।) শশধৰে এই কথা শুনিছিল আৰু সেইবাবে এগৰাকী গুণৱতী কণ্যাক বিৱাহ কৰিবলৈ ঠিক কৰিছিল। তেওঁ নিজৰ বাবে ছোৱালী বিচাৰ-খোচাৰ কৰিবলৈ আৰম্ভ কৰিলে।

জ্যোতিষ শাস্ত্ৰ সম্পৰ্কেও শশধৰৰ জ্ঞান আছিল। ভৱিষ্যত বাণী কৰাৰ উদ্দেশ্যে তেওঁ কেইবাগৰাকী কণ্যাৰ হাত পৰীক্ষা কৰিলে। তেওঁলোকৰ এটা সৰু পৰীক্ষাও ললে।

তেওঁ লগত দুসেৰ ধান লৈ গৈছিল। যিজনী ছোৱালীকেই পচন্দ হৈছিল তাইকেই সেই ধান টোপোলা দি কৈছিল, "তুমি এই ধানৰ পৰা মোৰ বাবে ভোজন তৈয়াৰ কৰিব পাৰিবানে?" এই কথা শুনি প্ৰায়বিলাক কণ্যাই হাঁহিছিল আৰু বাকীবিলাকে সুধিছিল, "এয়া কেনেকৈ সম্ভৱ হব পাৰে?" কিন্তু কোনেও সেই কাম কৰিবলৈ চেষ্টা কৰা নাছিল।

এইদৰে ছোৱালী বিচাৰি বিচাৰি তেওঁ কাবেৰী নদীৰ পাৰ পালেগৈ। নদীৰ পাৰত থকা এটা কুটীৰত তেওঁ গুণৱতী নামৰ এজনী কণ্যা দেখা পালে। তেওঁ লগত এগৰাকী বৃদ্ধা আইতাক আছিল।

চিদানন্দ

তেওঁলোক বৰ দুখীয়া আছিল।

শশধৰে গুণৱতীৰ হাত পৰীক্ষা কৰিলে। তেওঁ তাত বহু শুভ লক্ষণ দেখা পালে। তাৰপিছত তেওঁ কলে, ‘‘মোৰ ওচৰত ধান আছে। তুমি তাৰ পৰা আজি মোৰ বাবে ভোজন ৰান্ধিব পাৰিবানে?’’

গুণৱতীয়ে সেই কথা শুনি নাহাঁহি আঁচৰিতহে হ’ল। তেওঁ সেই কাম কৰিবৰ বাবে ৰাজী হ’ল।

তেওঁ ধান তিয়াই শুকুৱালে। তাৰপিছত তাক খুন্দি চাউল উলিয়ালে। তাৰপিছত, তেওঁ তুঁহগুৰিখিনি বৃদ্ধাক দি কলে, ‘‘আইতা, তুমি এইখিনি খৰিভাৰীক দি তেওঁৰ পৰা বৰ শুকানো নহয়, বৰ কেঁচাও নহয়, তেনেধৰণৰ খৰি লৈ আহা।’’

বৃদ্ধাই খৰি লৈ অহাৰ লগে লগে কণ্যাই চাউল ধুই ৰান্ধিবলৈ ধৰিলে। তেওঁ চাউল উতলি অহাৰ লগে লগে তাৰ পৰা মাড় কাঢ়িলে। সেই মাড়ত নিমখ দি সেয়া শশধৰক পি খাবলৈ দিলে। তাৰপিছত কলে, ‘‘এতিয়া আপুনি ক্ষন্তেক বিশ্ৰাম কৰি স্নান কৰি আহক। মই তেতিয়ালৈকে খোৱা তৈয়াৰ কৰি ৰাখিম।’’

ভাত হোৱাৰ লগে লগে জুই নুমুৱাই কণ্যাই তাৰ পৰা এঙাৰ উলিয়াই বৃদ্ধাক দি কলে, ‘‘এই এঙাৰ বেচি তুমি তাৰে শাক পাচলি আৰু দৈ গাখীৰ লৈ আহিবা।’’

তাৰপিছত তেওঁ বৃদ্ধাই অনা শাকেৰে আঞ্জা ৰান্ধিলে।

শশধৰে বিশ্ৰাম কৰাৰ পিছত স্নান কৰি খাবলৈ বহিল। তেওঁ আঞ্জা আৰু দৈ গাখীৰেৰে পেট ভৰাই কলে। তেওঁ গুণৱতীৰ কাৰ্যকলাপ দেখি অতি সুখী হ’ল। তেওঁ নিজৰ সকলো কথা বিৱৰি কৈ বিবাহৰ প্ৰস্তাৱ দিলে। সেই প্ৰস্তাৱ গুণৱতীয়ে মানি ললে।

বিবাহ গৈ গ’ল আৰু তাৰ পিছত দুয়ো সুখেৰে চহৰত বাস কৰিবলৈ ধৰিলে। গুণৱতীৰ বৃদ্ধা আইতাকো তেওঁলোকৰ লগতে থাকিল।



মূল্যৰ দৰদাম

তমোলপুৰ গাৱঁত বাস কৰা অমৰ প্ৰকাশ এজন মধ্যবিত্ত পৰিয়ালৰ লোক আছিল। তেওঁ কাষৰে চহৰখনত এটা সৰু কোম্পানীত কাম কৰিছিল। তেওঁ চাইকেল চলাই সদায় কামলৈ গৈছিল।

কামৰ পৰা উভতি অহাৰ পৰত তেওঁ নানা ধৰণৰ খাদ্য-বস্তু যেনে, চাউল, দাইল, শাক-পাচলি আদি কিনি ঘৰলৈ আনিছিল। তেওঁ এইদৰে ঘৈনীয়েক পুষ্পাৰ মন ভাল লগাই ৰাখিবলৈ চেষ্টা কৰিছিল।

পুষ্পাই প্ৰায়েই তেওঁৰ পতিয়ে বজাৰৰ পৰা কিনি অনা বস্তুবিলাকৰ দাম সুধিছিল। বস্তুবিলাকৰ দাম গাৱঁত বেছি আছিল আৰু সেইবিলাক চহৰৰ পৰা কম দামত কিনি অনাৰ বাবে পুষ্পা বৰ সুখী হৈছিল। তাই গিৰিয়েকৰ দৰদাম কৰিব পৰা গুণক লৈ বৰ গৌৰৱ কৰিছিল।

গাৱঁৰ মহিলাসকলৰ লগত কথা পাতি থাকোতে, তাই বাকীসকলক সুধিছিল যে তেওঁলোকে কিমান দাম দি সেই বস্তুবিলাক কিনে। তাৰপিছত তাই গিৰিয়েক অমৰ প্ৰকাশে দিয়া দামৰ লগত সেইবিলাক তুলনা কৰে। হিচাপ কৰি তাই তাৰপিছত বাকীবিলাকক কয় যে তাইৰ গিৰিয়েক সেই একেবিলাক বস্তুৱেই চহৰৰ পৰা বহু কম দামতে আনে। সেই কথা শুনি বাকী মহিলাবিলাকে তাইক ঈৰ্ষা কৰে।

এইদৰে দিনবিলাক পাৰ হৈ গৈ আছিল। তেওঁলোকৰ চুবুৰীয়া আনন্দৰ জীয়েকৰ বিয়াৰ দিন ঠিক হ'ল। আনন্দই অমৰক সহায় প্ৰাৰ্থনা কৰিলে। "অমৰ, মই তোমাৰ পত্নীৰ পৰা গম পালো যে তুমি চাউল-দাইল আদি বৰ কম দামতে বজাৰৰ পৰা কিনি আনা। আমাৰ গাৱঁত সেইবিলাক বস্তুৰ দাম বহু বেছি। মই বান্ধনিৰ পৰা এই তালিকাখন আনিছো। তুমি যদি মোক এই বস্তুবিলাক চহৰৰ পৰা কম দামতে আনি দিব পাৰা, তেন্তে মোৰ বহু

এম লক্ষ্মীনাৰায়ণ

টকা বাচি যাব। অনুগ্ৰহ কৰি মোক সহায় কৰা।'' আনন্দই এইবুলি কৈ বস্তুৰ তালিকা অমৰৰ হাতত দিলে।

উপাই নাপাই হাঁহি এটা মাৰি অমৰে সেই তালিকাখন হাত পাতি ললে।

ৰাতি শুবলৈ যোৱাৰ আগতে অমৰে আনন্দই দি যোৱা তালিকাখন এবাৰ ভালদৰে চকু ফুৰাই চালে। তেওঁ বৰ চিন্তান্বিত হৈ পৰিল। ৰাতিপুৱা যাও নাযাওকৈ কামলৈ যাবৰ বাবে তেওঁ সাজু হ'ল। তেওঁৰ ব্যৱহাৰ দেখি পুষ্পা আচৰিত হ'ল। তাই গিৰিয়েকক তাৰ কাৰণ সুধিলে।

অমৰে লগে লগে চাইকেলখন একাষৰীয়া কৰি থৈ কবলৈ ধৰিলে, ''মইনো তোমাক কি কম। মই এতিয়া বুজিব পাৰিছো যে ইমান দিনে মই ভাল কাম কৰি থকা নাছিলো।'' এইবুলি তেওঁ আনন্দই দিয়া বস্তুৰ তালিকাখন পুষ্পাৰ হাতত দিলে।

পুষ্পাই একো বুজিব নোৱাৰিলে। তাই সুধিলে, ''তুমি মোক এইখন কিয় দিছা? কি হ'ল তোমাৰ?''

অমৰ প্ৰকাশে লাহে লাহে কবলৈ ধৰিলে, ''পুষ্পা, মই ইমানদিনে তোমাক মিছা কথা কৈ আহিছিলো যে চহৰৰ পৰা মই কম দামতে বস্তুবিলাক কিনি আনো। আচলতে মই তোমাৰ মন ভাল লগাবৰ বাবেহে এনেকৈ কৈ আহিছিলো। সেইবিলাকৰ দাম ইমান কম নহয়। কালি ৰাতি মই আনন্দই দিয়া বস্তুৰ তালিকাখন চালো। মই যি দামত বস্তু কিনি অনা বুলি কৈ আহিছো, বস্তুৰ আচল দাম তাতকৈ বহু বেছি। গতিকে মই বেছি দামত কিনি কম দামত কিনা বুলি কলে মোৰ বহু টকাৰ লোকচান হব। সেই লোকচান পুৰাব পৰাকৈ মোৰ ওচৰত ইমান টকা নাই।''

এই কথা শুনি পুষ্পা আঁচৰিত হ'ল। তেওঁ নিজকে সংযত কৰি কলে, ''তুমি দেৰিকৈ হলেও সঁচা কথাটো কৈ ভাল কৰিলা। মই এতিয়াই গৈ আনন্দক সঁচা কথাটো বুজাই কম আৰু তালিকাখন উভতাই দিম।'' এইবুলি কৈ তাই হাতত তালিকাখন লৈ আনন্দৰ ঘৰৰ ফালে দৌৰ দিলে।

অমৰে মনতে ভাৱিলে, ''মই এটা ভাল শিক্ষা পালো।'' তাৰপিছত তেওঁ চাইকেল লৈ লাহে লাহে চহৰ অভিমুখে ৰাওনা হ'ল।



কুঁৱাৰ ভিতৰৰ মাছ

এবাৰ জংঘলৰ সকলো জীৱ-জন্তুৱে এই সিদ্ধান্ত কৰিলে যে তেওঁলোকে হাল বাই খেতি কৰিব। কথামতেই কাম। ভালুক, শহা, শিয়াল সকলো মিলি কষ্ট কৰি কাম কৰিবলৈ ধৰিলে।

দিন আগুৱাই সূৰ্যৰ তাপ বেছি হৈ আহিছিল। শহাপহুৰ বৰ ভাগৰ লাগিল। সি চিন্তা কৰিলে যে সি যদি জিৰণি লয় তেন্তে বাকীবিলাক জন্তুৱে তাক এলেহুৱা বুলি কব। গতিকে সি কাম কৰিবলৈ ধৰিলে। কিন্তু কামত তাৰ একেবাৰে মন নবহিল।

লাহে লাহে ভাগৰত তাৰ অৱস্থা কাহিল হৈ আহিল। এনে লাগিল যে সি যদি গছৰ ছাঁত অলপ জিৰণি নলয়, তেন্তে প্ৰাণবায়ু উৰি যাব। সি জিৰণি লোৱাৰ বাবে এটা বুদ্ধি সাজিলে। কলে যে তাৰ হাতত এডাল কাইট সোমাল। এইবুলি সি গৈ গছৰ তলত বহিলগৈ।

খন্তেক গছৰ তলত বহাৰ পিছত সি আনে গম নোপোৱাকৈ তাৰ পৰা দৌৰ মাৰিলে। একে দৌৰে সি এটা কুঁৱাৰ ওচৰ পালেগৈ।

সেই কুঁৱা গছৰ ছাঁত আছিল। তাত এডাল ৰচী আৰু তাৰ দুমুৰে দুটা বাল্টি বান্ধি থোৱা আছিল। একো নভবাকৈ সি সেই বাল্টি দুটাৰ এটালৈ জপিয়াই দিলে। তাৰ ভৰত বাল্টি তললৈ নামি গ'ল। তাকে দেখি তাৰ বৰ ভয় লাগিল। তলৰ পানী স্পৰ্শ কৰি বাল্টিটো ৰৈ গ'ল। যদি শহাই বাল্টিটো লৰালেহেতেন, তেতিয়া সেইটো পানীত ডুবি যোৱাৰ সম্ভাৱনা আছিল।

শহাক দেখাৰ পৰাই খেতি পথাৰত কাম কৰি থকা শিয়ালে তাক কেনেকৈ

টি শম্ভুধাসু

আহাৰ কৰিব পৰা যায়, সেই কথা চিন্তা কৰি আছিল। হাতত কাইট সোমাল বুলি একাষৰীয়া হৈ অহা শহাক দেখি সি তাৰ পিছ লৈছিল। শিয়ালে শহাক বাল্টিত জাপ মাৰি সোমোৱাও দেখা পাইছিল। কিন্তু এই কথা শহাই নাজানিছিল।

'এই শহাই কোনো কাম নোহোৱাকৈ ইমান সময় কেতিয়াও কুঁৱাৰ ভিতৰত নাথাকে। তাত নিশ্চয় কিবা আছে।' এই চিন্তা কৰি সি লাহে লাহে কুঁৱাৰ পাৰ পালেহি। তাৰপিছত সি কুঁৱাৰ ভিতৰলৈ জুমি চালে। কিন্তু কুঁৱাটো ইমানেই দ আছিল যে সি ভালকৈ একো দেখা নাপালে।

''শহাপহু ভাই।'' শিয়ালে চিঞৰিলে।

''কোন তাত? শিয়াল ভাই!'' ভিতৰৰ পৰা শহাপহুৱে উত্তৰ দিলে।

''তাত তুমি কি কৰি আছা?'' শিয়ালে সুধিলে।

''মই ইয়াত মাছ ধৰি আছো। কুঁৱাৰ ভিতৰত অনেক মাছ আছে। ইচ্ছা কৰিলে তুমিও আহিব পাৰা। ওপৰত থকা বাল্টিটোত উঠি আহি যোৱা। এনে সুবিধা আৰু ভৱিষ্যতে নাপাবা।'' শহাপহুৱে চিঞৰি কলে।

কথা শুনি ওপৰত থকা বাল্টিটোত শিয়ালে জাপ মাৰি দিলে। শহাপহুতকৈ শিয়ালৰ ওজন বেছি আছিল। সেইবাবে শিয়াল থকা বাল্টিটো তললৈ যাবলৈ ধৰিলে আৰু শহাপহু থকা বাল্টিটো ওপৰলৈ আহিবলৈ ধৰিলে।

যেতিয়া দুয়োটা বাল্টি ৰাস্তাত পাৰ হ'ল তেতিয়া শহাপহুৱে শিয়ালক কলে, ''তুমি মাছ ধৰি থাকা। মই অলপ পিছতে আহি আছো। ঠিক আছে?''

সোনকালেই শহাপহু থকা বাল্টিটো আহি ওপৰ পালেহি। সি লগে লগে জাপ মাৰি বাল্টিটোৰ পৰা ওলাই আহিল আৰু তাৰ পৰা গুচি গ'ল।

কাম সমাপ্ত কৰি যেতিয়ালৈকে আন জন্তুৱে পানী খাবলৈ কুঁৱাৰ পাৰলৈ নাহিল, তেতিয়ালৈকে শিয়াল কুঁৱাৰ ভিতৰতে পৰি থাকিবলগীয়া হ'ল।

পাপনে পূণ্য?

এটা ভোকাতুৰ মেকুৰীয়ে এন্দুৰ এটা ধৰি পেলালে। এন্দুৰটোৱে মুক্তিৰ বাবে মেকুৰীটোক অনুৰোধ কৰিলে, কিন্তু মেকুৰীটোৱে এন্দুৰটোৰ কথালৈ কাণেই নিদিলে। এন্দুৰক ধৰি লৈ মেকুৰীয়ে নিজৰ ঠাইলৈ গৈ থাকোতেই এজন সাধুক লগ পালে। এন্দুৰটোৱে মেকুৰীৰ খামোচৰ পৰা ওলাই দৌৰি গৈ সাধুৰ ওচৰ পালগৈ আৰু ৰক্ষা কৰিবৰ বাবে প্ৰাৰ্থনা কৰিলে। সি মেকুৰীৰ খামোচত বেয়াকৈ আঘাটপ্ৰাপ্ত হৈছিল। সাধুৱে এন্দুৰটোক এৰি দিবৰ বাবে মেকুৰীটোক অনুৰোধ কৰিলে। কিন্তু মেকুৰীটোৱে কলে যে এন্দুৰ মেকুৰীৰ খাদ্য আৰু সি কেইবাদিন ধৰি ভোকত আছে।

এই কথা শুনি সাধুৱে কলে, ‘‘মোৰ কাম হ’ল জীৱন ৰক্ষা কৰা। গতিকে মই এই এন্দুৰক ভক্ষণ কৰাৰ অনুমতি দিব নোৱাৰো। মই তোমাৰ বাবে কিছু ‘ভিক্ষা’ লৈ আহিম। তাৰ আগতে তুমি মোক কথা দিব লাগিব যে তুমি পুণৰ এই এন্দুৰটোক আক্ৰমণ নকৰা, বৰঞ্চ সুৰক্ষাহে প্ৰদান কৰিবা।’’

সেইদিনা, ভিক্ষা পোৱাত সাধুৰ বেছ পলম হ’ল। তেওঁ অৱশেষত ভিক্ষা লাভ কৰিলে আৰু উভতি আহিল। তেওঁ এন্দুৰটোৰ বাবে ঔষধো যোগাৰ কৰি আনিলো। কিন্তু, তেওঁ ঘূৰি আহি যি দেখিলে তাত বৰ আচৰিত হ’ল। মেকুৰী আৰু এন্দুৰ দুয়োটাই মৃত্যু মুখত পৰিল। মেকুৰী মৃত্যু মুখত পৰিল ভোকৰ বাবে আৰু এন্দুৰ আঘাটৰ বাবে।

এই ঘটনা দেখি সাধুৱে এই কথা বুজিব নোৱাৰিলে যে তেওঁ পুণ্য কৰিলেনে পাপ কৰিলে।

– অৰুণ শ্ৰীবাস্তৱ



শিথিলালয়-২৫

(শিখিমুখীক যেতিয়া কালীদেৱীৰ সন্মুখত বলি দিবলৈ লৈছিল, তেতিয়া ইম্যু জাতিৰ নেতাই তেওঁৰ ডিঙিত থকা কালীদেৱীৰ ৰক্ষাপদক দেখা পাই আঁচৰিত হ'ল। সত্য কথা গম পোৱাৰ পিছত তেওঁ খণ্ডতে শিথিলালয়ৰ পুজাৰীক বলি দিবলৈ আদেশ দিলে। কিন্তু পুজাৰী পাহাৰ বগাই পলাই গ'ল। পলাই যোৱা পুজাৰীক ধৰিবৰ বাবে ইম্যু জাতিৰ কিছুলোকেও পাহাৰ বগাবলৈ আৰম্ভ কৰিলে। তাৰপিছত...)

যেতিয়া পুজাৰীয়ে দেখিলে যে তেওঁক বন্দী কৰাৰ উদ্দেশ্যে কিছু ইম্যু লোকে পাহাৰ বগাবলৈ ধৰিছে, তেতিয়া তেওঁ অলপো বিচলিত নহ'ল। তেওঁ নিজৰ শিৰস্ত্ৰাণৰ পৰা এখন দীঘল তাৰপত্ৰ উলিয়ালে আৰু জোকাৰি জোকাৰি বিক্ৰম আৰু শিখিক দেখুৱালে। তাকে দেখি বিক্ৰম আঁচৰিত হ'ল আৰু লগে লগে তেওঁ নিজৰ পোচাকৰ ভিতৰত তাৰপত্ৰ বিচাৰিবলৈ ধৰিলে। কিন্তু তাত কোনো তাৰপত্ৰ বিচাৰি নাপালে।

তেওঁ শিখিক কলে, "শিখি, পুজাৰীয়ে জোকাৰি থকা সেই তাৰপত্ৰত শিথিলালয়ত উপস্থিত হব পৰাকৈ সকলো বিৱৰণ আছে। কালীদেৱীৰ মন্দিৰত দবৰা-দবৰি কৰি থাকোতেই হয়তো কেনেবাকৈ পৰি গ'ল। সেই তাৰপত্ৰ এতিয়া দুষ্ট পুজাৰীৰ কবলত।" বিক্ৰমকেশৰীয়ে চিন্তিত কণ্ঠেৰে কলে।

কিছুসময় শিখিমুখীও বেছ চিন্তিত অৱস্থাত থাকিল। তাৰপিছত কলে, "যি হ'ল হ'ল। এতিয়া তাৰ বাবে পস্তাই কোনো লাভ নাই। আমি এই কথাহে ভৱা-চিন্তা কৰা যুগুত হব যে কি উপায়েৰে আমি গৈ শিথিলালয়ত উপস্থিত হব পাৰিম। আমি পুজাৰীৰ পিছ লোৱাটোৱেই ভাল হব। সম্ভৱ হলে তাক বন্দী কৰিব লাগিব।"

দাসৰি সুব্ৰমণ্য

পৰা দেখা লোক কেইবাজনো আছে, কিন্তু কোনোৱেই একেবাৰে ওচৰলৈ গৈ শিথিলালয় দেখাগৈ নাই। সেই প্ৰদেশ বৰ ভয়ংকৰ। লোকে কয় যে তাত নানা ধৰণৰ সাপ, বৃশ্চিক, জীৱ-জন্তুৰে ভৰি আছে। সেইবাবে সেই প্ৰদেশক 'বৃশ্চিকৰ দেশ' বুলিও কোৱা হয়। মই এই কথা জানিব খোজো যে তোমালোকে সেই ঠাইলৈ কিয় যাব খোজা।'' ইম্যু নেতাই সুধিলে।

এই প্ৰশ্নই শিখিমুখীৰ মনত চিন্তাৰ উদ্ৰেক কৰিলে। তেওঁলোকে মহাৰাজ বিক্ৰমকেশৰীৰ সন্ধানত যাত্ৰা আৰম্ভ কৰিছিল। শেষত ইম্যু ৰাজ্যত উপস্থিত হৈ এই কথা গম পালে যে বহুদিনৰ আগতেই মহাৰাজ বিক্ৰমকেশৰীৰ মৃত্যু ঘটিছে। গতিকে এতিয়া শিথিলালয়লৈ গৈ নতুন বিপদৰ সন্মুখীন হোৱাৰ কি প্ৰয়োজন আছে? শিখিমুখীয়ে তেওঁৰ এই চিন্তা বিক্ৰমকেশৰীৰ আগত ব্যক্ত কৰিলে।

খন্তেক সময় চিন্তা কৰি বিক্ৰমকেশৰীয়ে কলে, ''শিখি, মোৰ ককাদেউতাৰ বাবে সেই শিথিলালয় দেখাটো সম্ভৱপৰ নহ'ল, কিন্তু মই সেই শিথিলালয় চাব বিচাৰো। মোৰ ককাদেউতাই বিচাৰিছিল যে তাত যি অজস্ৰ সোণ পৰি আছে, সেইবিলাকৰ লগতে তাৰ অপূৰ্ব শিল্প আমাৰ দেশৰ ৰাজধানীলৈ লৈ যোৱা হওক। সম্ভৱপৰ হলে মই সেই কাম সম্পূৰ্ণ কৰি ককাদেউতাৰ ইচ্ছা পুৰণ কৰিব বিচাৰো।''

''তেতিয়াহলো ময়ো তোমাৰ লগতে যাম। বাৰে পতি বিপদৰ সৃষ্টি কৰা পুজাৰীৰো অন্ত পেলাব লাগিব।

শিখি আৰু বিক্ৰমকেশৰীৰ বাৰ্তালাপ শুনি ইম্যু জাতিৰ নেতাই কলে, ''তোমালোকে চিন্তা নকৰিবা। তোমালোকে যদি শিথিলালয় প্ৰদেশলৈ যাব খোজা, তেন্তে সেই প্ৰদেশ চিনি পোৱা কেইজনমান লোক মই তোমালোকৰ লগত প্ৰেৰণ কৰিম। পাহাৰৰ তলত আমাৰ এটা দলৰ যি নেতাই তোমালোকক বন্দী কৰিছিল, তেওঁ নাম হ'ল নাগসোম। তেওঁ সৰু কালত দেউতাকৰ লগত শিথিলালয়লৈ গৈছিল। তেৱেঁই তোমালোকক পথ প্ৰদৰ্শন কৰিব পাৰিব। কিন্তু মোৰ পৰামৰ্শ এই যে...'' নিজৰ কথা সম্পূৰ্ণ নকৰি ইম্যু নেতা হঠাতে ৰৈ গ'ল।

''হে ইম্যু নেতা, আপুনি সোনকালে আপোনাৰ পৰামৰ্শ প্ৰদান কৰক।'' শিখিমুখীয়ে কলে।

''মোৰ চিন্তা এই যে সেই প্ৰদেশক দূৰৰ



তাৰোপৰি, নাগমল্লীয়ে পুজাৰীৰ কটা মুৰ আনি দিবৰ বাবে দাবী কৰিছিল। মই সেইটোৰ অবিহনে তাইক কেনেকৈ মোৰ মুখ দেখুৱাম?'' শিখিমুখীয়ে কলে।

সেই কথা শুনি বিক্ৰমে হাঁহি এটা মাৰি কলে, ''সেই পুজাৰীক বিচাৰি উলিয়াব পৰাকৈ আমাক সহায় কৰিবলৈ এতিয়া আমাৰ লগত লোক আছে। আমাৰ দুয়োৰে নিজৰ নিজৰ ইচ্ছা পুৰণ কৰিবৰ বাবে তালৈ যোৱাৰ প্ৰয়োজন আছে। সেই দুষ্ট পুজাৰীক আমি শিথিলালয়ৰ ওচৰতেই লগ পাব পাৰিম।''

''শুনা, তোমালোকে পুজাৰীক ধৰিবৰ বাবে ইমান কষ্ট কৰিবৰ কোনো দৰকাৰ নাই। মোৰ অনুচৰে তাক বন্দী কৰি লৈ আহিব।'' ইম্যু নেতাই কলে।

ইম্যু নেতাৰ কথা শেষ হবলৈ নাপালেই। চিঞৰ শুনি সকলোৱে ওপৰলৈ চাই দেখিলে যে পুজাৰীৰ শিষ্য সবৰগীধে এটা প্ৰকাণ্ড শিল তুলি লৈ কৈছে, ''এই সবৰগীধ থাকোতে পুজাৰীদেউক কোনোৱে বন্দী কৰিব নোৱাৰে। মই ইচ্ছা কৰিলে এই গোটেই পাহাৰটোকে ডাঙি তোমালোকলৈ দলিয়াই দিব পাৰো।'' এইবুলি কৈ তেওঁ শিলটো তলত থকা ইম্যু জাতিৰ লোকসকললৈ বুলি উদ্দেশ্যি দলিয়াই দিলে।

সেই শিলৰ পৰা নিজৰে বচাই ইম্যু জাতিৰ বহু লোকে চিঞৰি-বাখৰি পাহাৰ বগাবলৈ ধৰিলে। তাকে দেখি পুজাৰীয়ে সেই তাৰপত্ৰ শিৰস্ত্ৰাণৰ ভিতৰত লুকুৱাই ললে। তাৰপিছত তেওঁ নিজৰ অনুচৰবিলাকক উদ্দেশ্যি কলে, ''তোমালোকে কি চাই আছা। এই মুৰ্খবিলাকলৈ শিলবিলাক দলিয়াই দিয়া।'' তাৰপিছত তেওঁ শিখিমুখীহতৰ ফালে চাই কলে, ''প্ৰাণৰ মোহ যদি তহতৰ নাই, তেন্তে মোক সেই বৃশ্চিকৰ দেশত লগ ধৰিবি। তাত মই তহতক বন্দী কৰি শিথিলেশ্বৰীৰ আগত বলি দিম। তাৰপিছত মই ইম্যু মহা-সম্ৰাজ্য প্ৰতিষ্ঠা কৰি মই তাৰ সম্ৰাট হম।''

''তোমালোকে অলপ অপেক্ষা কৰা, মোৰ অনুচৰে পুজাৰীক নিশ্চয়কৈ বন্দী কৰি লৈ আহিব।'' ইম্যু নেতাই কলে।

শিখিমুখী আৰু বিক্ৰমে এই কথা গম পাইছিল যে ইমান সহজতে পুজাৰীক বন্দী কৰিব পৰা নাযাব। তেওঁলোক দুয়োয়ে অজিত আৰু বীৰভদ্ৰক সাৱধান কৰি দি


CHITRA



পাহাৰ বগাবলৈ আৰম্ভ কৰিলে। ওপৰলৈ বগাই উঠি তেওঁলোকে দেখিলে যে ইম্যুজাতিৰ লোকসকল এক গুহাৰ সন্মুখত ৰৈ আছে। পুজাৰী আৰু তেওঁৰ দল সেই গুহাত প্ৰৱেশ কৰি তাৰ মুখখন শিলেৰে ভিতৰৰ পৰা বন্ধ কৰি দিলে।

“এই পুজাৰী বৰ চতুৰ। ই পলাবৰ বাবে আগৰে পৰা ৰাস্তা ঠিক কৰিয়েই থৈছিল।” এজন ইম্যু জাতিৰ লোকে কলে।

“তাৰ বুদ্ধিৰ কথা আমি ভালদৰেই জানো। তোমালোকে ইয়াত ৰৈ নিজৰ সময় নষ্ট নকৰিবা। পাহাৰৰ চাৰিওফালে এবাৰ ঘূৰি এই কথাৰ সন্ধান কৰা যে পুজাৰী আৰু তাৰ দল কোনফালেদি বাহিৰলৈ আহে। তাৰপিছত সি কোনপথেদি আগবাঢ়ে সেই কথা জানি আমাক খবৰ দিয়া।” বিক্ৰমে কলে।

বিক্ৰমৰ আদেশ শুনি ইম্যু জাতিৰ লোকসকলে পাহাৰৰ চাৰিওদিশে দৌৰি গ’ল। শিখিমুখী আৰু বিক্ৰম নিজৰ অনুচৰক লগত লৈ পাহাৰৰ পৰা তললৈ নামি আহিল। পাহাৰৰ তলত ৰৈ থকা ইম্যু নেতাক তেওঁলোকে গোটেই ঘটনাটো বিৱৰি কলে। সম্পূৰ্ণ বৃতান্ত শুনাৰ পিছত ইম্যু নেতাই কলে, “তেতিয়াহলে সি আমাৰ হাতৰ পৰা বাচি গ’ল। সেই তাৰপত্ৰসমূহৰ সহায় লৈ সি শিথিলালয়ত উপস্থিত হব পাৰিব। তোমালোকে কি ভাবা? তাৰ পিছ লৈ তোমালোক তালৈ যোৱাটো একান্তই জৰুৰী নেকি?”

“শিথিলালয়লৈ যোৱা পথ দেখুৱাই দিব পৰাকৈ আপোনাৰ দলৰ নেতা নাগসোমক আমাৰ লগত প্ৰেৰণ কৰক। আমি নিশ্চিতভাৱে তালৈ যাব বিচাৰো। শিথিলালয়ত থকা সোণ-ৰূপ আদিৰ প্ৰতি আমাৰ অলপো মোহ নাই। যদি আমি কোনো অপূৰ্ব শিল্পৰ নিদৰ্শন দেখা পাও, তেন্তে লগত লৈ যাবলৈ চেষ্টা কৰিম। আমি এই কাম কৰিবলৈ ইচ্ছা কৰাৰ কাৰণ হ’ল এয়া মহাৰাজ বিক্ৰমকেশৰীৰ এক ইচ্ছা আছিল। গতিকে এই কাম কৰি তেওঁৰ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাই হ’ল আমাৰ একান্ত ইচ্ছা।”

“ঠিক আছে, এতিয়া মই তোমালোকক মহাৰাজ বিক্ৰমকেশৰীৰ সমাধি দেখুৱাবলৈ লৈ যাম। তাৰপিছত ৰাতি ভালদৰে বহি সেই বৃশ্চিকৰ দেশলৈ যোৱাৰ বাবে সকলো আঁচনি যুগুত কৰিম।” এইবুলি ইম্যু জাতিৰ নেতাই তেওঁলোকক পূৰ্বজৰ সমাধিবিলাকৰ

ওচৰলৈ লৈ গ'ল।

এক বিশাল অঞ্চলত নিৰ্মিত দহ কি বাৰটা সুউচ্চ সমাধি শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে দেখিবলৈ পালে। তাৰে ভিতৰত সকলোতকৈ ওখ সমাধিটোৰ ওচৰলৈ গৈ ইম্যু নেতাই শ্ৰদ্ধাৰে প্ৰণাম কৰিলে। তাৰপিছত তেওঁ কলে, "বিক্ৰম, এয়াই তোমাৰ ককাদেউতা মহাৰাজ বিক্ৰমকেশৰীৰ সমাধি। আমাৰ ইম্যু শিল্পীয়ে সাধ্যানুযায়ী চেষ্টা কৰি তেখেতৰ ছবি এই সমাধিত খোদাই কৰি দিছিল। তেওঁৰ চেহেৰা তোমাৰ মনত আছনে বাৰু?"

বিক্ৰমকেশৰীয়ে সেই সমাধিত অংকিত ককাদেউতাকৰ ছবি দেখি অলপ সময় নিমাত হৈ ৰ'ল। তাৰপিছত তেওঁ কলে, "এই ছবি অতি সুন্দৰভাৱে তৈয়াৰ কৰা হৈছে। মোৰ ককাদেউতাৰ চেহেৰা অতি সুন্দৰভাৱে ফুটি ওলাইছে। মোৰ শিশুকালতে মই তেখেতক দেখিছিলো। তথাপিও তেখেতৰ চেহেৰা মোৰ ভালদৰেই মনত আছে।"

ইম্যু নেতাই আদেশ দিয়াৰ লগে লগে এজন লোকে কেইডালমান ফুলৰ মালা লৈ আহিল। বিক্ৰম আৰু শিখিয়ে সমাধিৰ ওপৰত ফুলৰ মালা দি সন্মান প্ৰদৰ্শন কৰিলে। তাৰপিছত তেওঁলোকৰ গাৱৰ ঠিক মধ্যভাগত অৱস্থিত গোলকুটীৰলৈ উভতি আহিল। গোলকুটীৰৰ কাষতে লাল কুকুৰে শিখিমুখীক দেখি নেজ লৰাই লৰাই জপিয়াবলৈ ধৰিলে। শিখিমুখীয়েও মৰমেৰে তাৰ গাত হাত ফুৰাই দিলে।

সকলো লোকে দুপৰীয়াৰ আহাৰ খাই কথা-বাৰ্তা পাতি আছিল। তেনেতে দুজন ইম্যু যুৱকে আহি এই বাৰ্তা দিলে যে পুজাৰী পলাই যাবলৈ সক্ষম হ'ল। বহু বিচাৰ-খোচাৰ কৰাৰ পিছতো তেওঁৰ কোনো সন্ধান পোৱা নহ'ল। সকলোৱে সেই পাহাৰ আৰু নদীৰ পাৰত বিচাৰ-খোচাৰ কৰিলে। কিন্তু পুজাৰী আৰু তাৰ দল কাৰো চকুতেই নপৰিল।

"সেই দুষ্ট পুজাৰী নিশ্চয় কোনো গুহাৰ আন্ধাৰত বাদুলিৰ দৰে লুকাই আছে। ৰাতি হোৱাৰ লগে লগে তাৰ পৰা ওলাই পলাই যাব। তোমালোকে ভালকৈ সেই ঠাইখিনি পহৰা দি থাকা।" ইম্যুনেতাই আদেশ দি কলে।

সেই দিনা ৰাতি ইম্যু নেতাই কেইজনমান বয়োজ্যেষ্ঠ ব্যক্তিক মাতি তেওঁলোকৰ লগত আলোচনা কৰিলে। তাৰপিছত তেওঁ শিখিমুখী, বিক্ৰমকেশৰী আৰু তেওঁলোকৰ

অনুচৰক বৃশ্চিকৰ দেশলৈ প্ৰেৰণ কৰাৰ সকলো যা যোগাৰ কৰি দিয়াৰ নিশ্চয়তা প্ৰদান কৰিলে। তেওঁলোকৰ লৈ যাবৰ বাবে তিনিখন নাৱৰ বন্ধবস্ত কৰা হ'ল। তাৰে দুখন নাও আছিল সৰু আৰু এখন ডাঙৰ। সৰু নাৱ দুখন শিখিমুখীৰ দল যাবৰ বাবে আৰু আনখন নাও শিথিলালয়ত লাভ কৰা অমূল্য বস্তুসমূহ অনাৰ বাবে।

পিছদিনাখন ৰাতিপুৱা ইম্যুলোকসকলে নৈত বৈ থকা তিনিখন নাও জন্তুৰ চামৰাৰে চিলাই সাজু কৰি তুলিলে। দুপৰীয়া হোৱাৰ লগে লগে সকলো যাত্ৰাৰ বাবে সাজু হ'ল। শিখিমুখী, বিক্ৰমকেশৰী আৰু অজিত এখন নাৱত বহিল আৰু বীৰভদ্ৰৰ লগত ইম্যু দলৰ দলপতি নাগসোম আনখন নাৱত বহিল। নাগসোম আৰু বীৰভদ্ৰ যি নাৱত আছিল সেই নাৱত গোটেই দলটোৰ বাবে প্ৰায় এমাহৰ বাবে যথেষ্টহোৱাকৈ খাদ্যবস্তুও লৈ যোৱা হৈছিল।

নাগসোমৰ নাও আগে আগে যাবলৈ ধৰিলে। সেইখনৰ পিছে পিছে শিখিমুখীহঁতৰ নাও আৰু তাৰ পিছত কিছু ইম্যুলোকলৈ তৃতীয়খন নাও। কিছুদূৰ যোৱাৰ পিছত আগৰ নাও দুখন উত্তৰ ফালৰ পৰা আহি নদীত পৰা এক উপনৈয়েদি আগুৱাবলৈ ধৰিলে। কিছুদূৰ যোৱাৰ পিছত তেওঁলোক এক বিশাল জলসাগৰ থকা এক প্ৰদেশ পালেগৈ। তাত তেওঁলোকে ইফালে সিফালে সৰু সৰু দ্বীপ দেখিবলৈ পালে। তাত থকা গছবিলাক নানা ধৰণৰ জলপক্ষীৰে ভৰি আছিল।

নাগসোমে সেই প্ৰদেশ ভালদৰেই চিনি পাইছিল। সেই প্ৰদেশলৈ তেওঁ আগতে বহুবাৰ মাছ মাৰিবলৈ গৈছিল। সেই বিশাল জলাশয়ত যে কেৱল প্ৰকাণ্ড প্ৰকাণ্ড মাছেই আছিল তেনে নহয়, নানা ধৰণৰ বৃহৎ আকাৰৰ জলজন্তুও আছিল।

যিসকল লোকে বঠাৰে নাও চলাই গৈ আছিল, তেওঁলোকে দেখা পালে যে পানীৰ তলেদি তেওঁলোকৰ নাৱক অনুসৰণ কৰি বৃহৎ আকাৰৰ ঘঁৰিয়াল আৰু বিচিত্ৰ ধৰণৰ মাছো লগে লগে আহি আছে। *(আগলৈ)*

ছাৰ্কাছৰ সিংহ

ছাৰ্কাছৰ এটা সিংহ পিঞ্জৰাৰ পৰা ওলাই জংঘললৈ পলাই গ'ল। জংঘলৰ বাকী জীৱ-জন্তুৱে তাক দেখি ভয়তে পলাবলৈ ধৰিলে। সিংহই সিঁহতক কলে, ''মই ছাৰ্কাছৰ সিংহ। তোমালোকে ভয় নকৰিবা। মই কেনেকৈ চিকাৰ কৰিব লাগে সেই কথা পাহৰি গলো। মালিকে মোক যি দিয়ে সেয়াই খাই জীৱন নিৰ্বাহ কৰো। একো নিদিলে ভোকতেই দিন পাৰ কৰিবলগীয়া হয়।''

সিংহৰ এনে কথা শুনি বাকী জীৱ-জন্তুৰ মুখলৈ পানী আহিল। এটাই কলে, ''তাততো তোমাৰ ভালেই আছিল। চিকাৰ কৰিবলগীয়া নহৈছিল। মালিকে যি দিয়ে তাক খাই আৰামত জীৱন কটাব পাৰিলাহেতেন। তাৰপৰা কিয় পলাই আহিলা?''

''সম্ভৱত, তোমালোকে মোৰ মালিকৰ বিষয়ে একো কথাই নাজানা। সি বৰ ক্ৰুৰ। মোক সি জুইৰ ওপৰেদি জপিয়াবলৈ দিয়ে। বান্দৰৰ দৰে থিয় হৈ নাচিবলৈ দিয়ে। যদি মই সেইবিলাক কৰিবলৈ মান্তি নহও, সি চাবুকেৰে মৰিয়াই অৱস্থা কাহিল কৰি তোলে।'' সিংহই কলে।

সিংহৰ কথা শুনি সকলোৰে দয়া হ'ল। বাকী জীৱ-জন্তুবিলাকৰ লগত সিংহই আৰামেৰে সময় কটালে। যেতিয়া তাৰ পিছদিনা ভোক লাগিল, তেতিয়া এটা হৰিণা বধ কৰি খাই পেলালে। তাকে দেখি সকলো প্ৰাণীয়েই ভয় খাবলৈ ধৰিলে। সিংহক কেনেকৈ সেই জংঘলৰ পৰা খেদি পঠিয়াব পৰা যায়, সেইবিষয়ে চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে। তেতিয়া ভালুকৰ মনত এটা বুদ্ধি খেলাল। সি কলে, ''মই সিংহক কেনেকৈ নিয়ন্ত্ৰণত ৰাখিব লাগে জানো।'' এইবুলি সি মাটিত পৰি থকা এডাল লতা তুলি লৈ সিংহৰ ওচৰলৈ গ'ল আৰু চাবুকৰ দৰে ঘূৰাবলৈ ধৰিলে। ছাৰ্কাছৰ সিংহই সেইডাল দেখিয়েই ভয়তে আন এখন জংঘললৈ পলাই গ'ল।



বেটুপাতৰ কাহিনী

আমি ৰাম নৱমীৰ উপলক্ষে এপ্ৰিল মাহৰ সংখ্যাত যুদ্ধ কাণ্ডৰ অন্তত ৰামৰ ৰাজ্য অভিশেষৰ চিত্ৰ প্ৰকাশ কৰিছো। বনবাস অন্ত হোৱাৰ পিছত, ৰামে সীতা আৰু লক্ষ্মণ সহিতে অযোধ্যালৈ উভতি আহিছিল। তাৰ ঠিক পিছতেই এই অনুষ্ঠান পালন কৰা হৈছিল আৰু ৰামে সিংহাখনত আৰোহন কৰিছিল। এয়াই হ'ল এক ভাল চিন্তা আৰু সমৃদ্ধিৰে পৰিপুষ্ট এক আদৰ্শ ৰাজ্যৰ আৰম্ভণি। এই ছবিখন অংকন কৰিছিল আমাৰ সবাতোকৈ জ্যেষ্ঠ চিত্ৰকৰ শ্ৰী এম টি ভি আচাৰ্যই। ই ১৯৪৮ চনত বেটুপাত হিচাপে মুদ্ৰিত হৈছিল। আচাৰ্যৰ চিত্ৰবিলাক প্ৰধানত স্পষ্টতা, সৰলতাৰ বাবে জনাজাত।

ৰামৰ জীৱন হ'ল মানৱীয় মূল্যবোধ আৰু ধৰ্মৰ অনুপম উদাহৰণ। গোটেই জীৱন জুৰি তেওঁ কিছুমান অতি কঠিন সিদ্ধান্ত লবলগীয়া হৈছিল। তেওঁ সদায় শুদ্ধ সিদ্ধান্তহে লৈছিল, যি সহজ সেইটো লোৱা নাছিল।

ৰামায়ণৰ কাহিনীৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰেম বা ভালপোৱা, সকলোৰে প্ৰতি থকা প্ৰেম। আজিৰ যুগত আমি সকলোৱে ভুগিব ধৰাৰ কাৰণ হ'ল – আমাৰ মৰম, প্ৰেম ভালপোৱা কেৱল নিজৰ প্ৰতি বা পৰিয়ালৰ প্ৰতিয়েই সীমাবদ্ধ। ৰামায়ণে আমাক মানবীয়তাৰ শিক্ষা প্ৰদান কৰে। এনে কাৰণতেই আমি দেখা পাইছো যে সীতাক বিচাৰি উলিওৱাত ৰামক সহায় কৰিবৰ বাবে সুগ্ৰীৱ, জাম্বৱন্ত, হনুমান, জটায়ুয়ে অশেষ কষ্ট স্বীকাৰ কৰিলে, প্ৰাণত্যাগ কৰিলে। সমস্ত বানৰ সেনা ৰাম সহায় কৰিবৰ বাবে লগত যাত্ৰা কৰিলে। তাৰোপৰি, ৰামায়ণৰ সকলো চৰিত্ৰই তেওঁলোকৰ ভাই-ভনী, পৰিয়াল, বন্ধুবৰ্গ, সমাজৰ প্ৰতি সীমাহীন মৰম, ভালপোৱা প্ৰদৰ্শন কৰে। ভাৰতীয় সমাজৰ এনে গুণ আজিও বিশ্বৰ আন দেশৰ বাবে ঈৰ্ষাৰ কাৰণ।

ৰামায়ণে আন কিছুমান ভাল অভ্যাসৰো জ্ঞান আমাক দিয়ে। সেইবিলাক হ'ল- সৎ চৰিত্ৰ, জেষ্ঠ্যজনৰ প্ৰতি সন্মান, ভাইৰ মাজত একতা ইত্যাদি। ৰামায়ণে আমাক কামভাৱ, ক্ৰোধ, লোভক নিয়ন্ত্ৰণত ৰাখিবৰ বাবে উপদেশ দিয়ে। এটা ভাষণত সাধু সত্য সাই বাবাই কৈছিল, ''আমাৰ ভাৱনাই হ'ল আমাৰ ওচৰত থকা সকলোতকৈ মূল্যৱান সম্পদ আৰু যদি এই ভাৱনা সুন্দৰ, পৱিত্ৰ আৰু শক্তিশালী হয়, তেন্তে আমি অসম্ভৱকো সম্ভৱ কৰিব পাৰো। আনন্দ আৰু বিষাদ হ'ল চিন্তাৰেই ফলাফল।'' ৰামায়ণে আমাৰ চিন্তা আৰু কৰ্মক নিয়ন্ত্ৰণ কৰিবৰ বাবে শিক্ষা দিয়ে। আমি যদি সেইবিলাক ভালদৰে মানি চলো, তেন্তে আমি জীয়াই থকাটো অৰ্থবহ হব।

– সৌম্যা ভৰদ্বাজ



জন্মতেই ভাগ্যৱান

এজন ভৱিষ্যত বক্তাই এক নৱজাতকৰ জন্মপত্ৰিকা চাই ঘোষণা কৰিলে, "এই শিশুটি জন্মতেই ভাগ্যৱান। সি যি বস্তুৱেই স্পৰ্শ কৰিব সেয়াই সোণলৈ ৰূপান্তৰিত হব।" অৰ্থ হ'ল, সি যি কামতেই হাত দিব তাতেই সফলতা লাভ কৰিব।

সেই শিশুটিৰ নাম ৰখা হ'ল ভীম। সি লাহে লাহে ডাঙৰ হৈ আহিল আৰু উপযুক্ত বয়সত দেউতাকে তাক পৰিয়ালৰ ব্যৱসায়ৰ কামত জড়িত কৰিলে। যেতিয়া তাৰ বয়স বিবাহৰ উপযুক্ত হ'ল, এগৰাকী ৰূপে-গুণে চকুত লগা কণ্যাৰ সৈতে বিয়া পাতি দিলে। ভীম এটা ল'ৰা আৰু এজনী ছোৱালীৰ বাপেক হোৱাৰ পিছত বৃদ্ধ বয়সত তেওঁৰ মাক-দেউতাকে ইহলীলা সম্বৰণ কৰিলে।

মাক-দেউতাকৰ মৃত্যুৰ পিছত পৰিয়ালৰ সকলো দায়িত্ব ভীমৰ ওপৰত আহি পৰিল। বাঢ়ি অহা দায়িত্বৰ লগতে তেওঁ ভাগ্যৰ চকৰিও ঘূৰিবলৈ আৰম্ভ কৰিলে। তেওঁৰ ব্যৱসায় দ্ৰুতগতিত বৃদ্ধি পাই আহিল আৰু অতি কম সময়ৰ ভিতৰতে এজন নামজ্বলা ব্যৱসায়ীত পৰিণত হ'ল। তেওঁৰ প্ৰতিদ্বন্দ্বীসকলে তেওঁৰ এনে সফলতা দেখি ঈৰ্ষা কৰিবলৈ ধৰিলে।

ভীমে এবাৰ তীৰ্থ কৰিবলৈ যোৱাৰ সিদ্ধান্ত ললে। তেওঁ ঘৰ-সম্পত্তি সুৰক্ষা দি ৰাখিবৰ বাবে এজন বিশ্বাসী চাকৰক নিয়োগ কৰিলে আৰু পৰিয়াল সহিতে তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হ'ল।

তেওঁলোকে তীৰ্থ ভ্ৰমণত থাকোতেই, ঘৰৰ দুৱাৰ ভাঙি চোৰ সোমাল। চোৰৰ দলে ৰখীয়া চাকৰটোক বেয়াকৈ মাৰ-ধৰ কৰিলে। সিঁহতে ধন সম্পত্তি বিচাৰি ঘৰৰ সকলো স্থানতে তালাচী কৰিলে। তলাবন্ধ আলমীৰা খুলি তাৰ ভিতৰতো চালে। তেওঁলোকে কিছু

বি ভীমেশ্বৰ ৰাও

অলংকাৰ বিচাৰি পালে। কিন্তু ক'তো এটা টকাও বিচাৰি নাপালে। ইতিমধ্যেই ৰাতি পুৱাবৰ হৈ আহিছিল। গতিকে সিঁহতে ধৰা পৰাৰ ভয় কৰি সেই অলংকাৰকে লৈ তাৰ পৰা উধাও হ'ল।

চোৰ যোৱাৰ পিছত ৰখীয়া চাকৰটোৱে ৰাজপথলৈ আহি সহায়ৰ বাবে চিঞৰিবলৈ ধৰিলে। ওচৰ-চুবুৰীয়াই শোৱাৰ পৰা উঠি ঘৰৰ বাহিৰলৈ উলাই আহিল। অতি সোনকালেই ভীমৰ ঘৰত চুৰ হোৱাৰ কথা গোটেই গাৱঁতে বিয়পি পৰিল।

ব্যৱসায়ীসকলে নিজৰ মাজতে কোৱা-কুই কৰিলে, ''ভীমৰ ভাগ্য অৱশেষত বেয়ালৈ আহিল। নহলেনো কেনেকৈ চোৰে দুৱাৰ ভাঙি তেওঁৰ ঘৰত সোমাব পাৰে।'' তেওঁলোকে ভীমৰ লোকচান হোৱাৰ কথা চিন্তা কৰি আনন্দ কৰিবলৈ ধৰিলে।

চুৰি হোৱাৰ পিছদিনাখনেই ভীম আৰু তেওঁৰ পৰিয়াল তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহিল। ৰখীয়া চাকৰে কান্দি কান্দি সকলো কথা বিৱৰি কলে। চুৰি হোৱাৰ কথা শুনিয়েই ভীম পিছফালৰ চোতাললৈ দৌৰি গ'ল। তাত তেওঁৰ গোলাপৰ পুলিটো ঠিকে ঠাকে থকা দেখি স্বস্তিৰ নিশ্বাস পেলালে। 'হে ভগৱান, ভাল ৰক্ষা কৰিলা।' তেওঁ মনতে ভাৱিলে আৰু ভগৱানক ধন্যবাদ দিলে।

ভীম ঘৰৰ ভিতৰলৈ গ'ল আৰু চাকৰটোক এঘন্টাৰ বাবে ছুটি দিলে। তাৰপিছত ঘৈনীয়েকক লগত লৈ পুণৰ পিছফালৰ চোতালখনলৈ গ'ল। তাৰপিছত তেওঁ সেই গোলাপৰ পুলিটো মাটিৰ পৰা উঘালি পেলালে

আৰু মাটিৰ তলৰ পৰা এটা ধাতুৰ বাকচ উলিয়াই আনিলে। ''মই ধন আৰু সোণ ইয়াতে লুকুৱাই থৈছিলো। সেইবিলাকৰ কোনো হৰণ-ভগন হোৱা নাই। চোৰে নিয়া অলংকাৰ নকল আছিল।'' তেওঁ হাঁহি এটা মাৰি ঘৈনীয়েকক কলে।

ভীমৰ ঘৈনীয়েকে গোটেই ঘটনাটো বুজি উঠাৰ আগতেই তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা সোমাই আহিল আৰু কলে, ''দেউতা, আমাৰ বাৰীৰ দেৱালৰ জোপোহা এটাৰ ওচৰত এই টোপোলাটো পালো।'' এইবুলি কৈ তেওঁলোকে টোপোলাটো ভীমৰ হাতত দিলে। সেই সময়তে তেওঁলোকৰ ঘৰলৈ আলহী আহিল। আলহীক লৈ তেওঁলোকে ঘৰৰ ভিতৰলৈ গ'ল। ''আমি গোটেই ঘটনাটো গম পাই বৰ দুখ পাইছো।''

এইদৰে দুখ প্ৰকাশ কৰি অলপ সময় পিছতে তেওঁলোকে বিদায় ললে।

ভীমে তেওঁৰ ঘৈনীয়েকক লগত লৈ নিজৰ কোঠালৈ গ'ল আৰু টোপোলাটো খুলিলে। তাৰ ভিতৰত তেওঁলোকে নিজৰ চুৰি হোৱা নকল অলংকাৰসমূহৰ লগত আন বহু মূল্যৱান অলংকাৰ পালে। সেইবিলাক দেখা পাই ভীমৰ মুখত হাঁহি বিৰিঙি উঠিল। ''চোৰে নিশ্চয় আগৰ জনমত আমাৰ কিবা ধাৰ খাই থৈছিল। সেইবাবেই সম্ভৱত সিঁহতে চুৰি কৰি সকলো সম্পত্তি সিঁহতৰ অজ্ঞাতে আমাৰ বাৰীতে পৰি ৰ'ল।'' ভীমে তেওঁৰ পত্নীক কলে।

ভীমৰ পত্নীয়ে সকলো কথা বুজি পালে। তেওঁ বৰ আনন্দিত হ'ল। তেওঁলোকে এই সিদ্ধান্ত কৰিলে যে এই কথাটো কাকো নকৈ গোপণে ৰখাই ভাল হব।

পিছত, দল বান্ধি আনবিলাক ব্যৱসায়ী ভীমৰ ঘৰলৈ আহিল। তেওঁলোক ক্ষয়-ক্ষতিৰ পৰিমাণৰ বিষয়ে সুধিলে আৰু দূৰ্ভাগ্যজনক ঘটনাৰ বাবে দুখ প্ৰকাশ কৰিলে। ভীমে এই কথা অনুমান কৰিব পাৰিলে যে এই ঘটনাত সকলো দুখী হওক চাৰি সুখীহে হৈছে। তেওঁ সকলোকে উদ্দেশি কলে, ''আমাৰ ভাগ্য ভগৱানে নিৰ্ণয় কৰে। যি হ'ল হ'ল। মই এই কথা পাহৰি যাবলৈ চেষ্টা কৰিছো। আপোনালোকে মোক আহি বিপদৰ সময়ত মাত এটা দিয়াত বৰ ভাল পাইছো।''

ভীমে গোটেই ঘটনাটো ইমান সহজভাৱে লোৱা দেখি সকলো আচৰিত হ'ল। সকলোৱে ভাৱিলে যে ভীমৰ বহু লোকচান হ'ল যদিও হয়তো ভীমে তাক প্ৰকাশ কৰিব খোজা নাই।

সময় বাগৰি গ'ল। ভীমৰ ব্যৱসায় দিনক দিনে বৃদ্ধি পাইহে যাবলৈ ধৰিলে। তেওঁ অধীনত নানা ধৰণৰ ব্যৱসায় আৰম্ভ হ'ল আৰু লাভৰ পৰিমাণ বৃদ্ধি পাই আকাশলংঘী হ'ল। তেওঁ পুৰণা ঘৰটো ভাঙি তাৰ ঠাইত নতুন ঘৰ সাজিবলৈ ধৰিলে। আন ব্যৱসায়ীসকল আচৰিত হ'ল। সকলোৱে ভৱিলে, 'ভীম সচাকৈয়ে জন্মতেই ভাগ্যৱান।'

ভোক

ৰজা সুদৰ্শনে ভৱনগৰ ৰাজ্যত ৰাজত্ব কৰিছিল। তেওঁৰ প্ৰধানমন্ত্ৰী ৰাম শৰ্মা আছিল এজন বিদগ্ধ পণ্ডিত। সকলো লোকেই প্ৰধান মন্ত্ৰীৰ বৰ প্ৰশংসা কৰিছিল। মন্ত্ৰীৰ প্ৰশংসাৰ কথা শুনি শুনি এটা সময়ত তেওঁ মন্ত্ৰীক ঈৰ্ষা কৰিবলৈ ধৰিলে।

এবাৰ তেওঁ প্ৰধানমন্ত্ৰীক চিকাৰ কৰিবলৈ যাবৰ বাবে আমন্ত্ৰণ জনাই এক বাৰ্তা প্ৰদান কৰিলে। অতি সোনকালেই প্ৰধানমন্ত্ৰী আহি উপস্থিত হ'ল। ৰজাই প্ৰধান মন্ত্ৰীক কলে, "আমাৰ দুয়োজনৰ বাবে এটা ঘোঁৰাই যথেষ্ট হব। আপুনি আপোনাৰ ঘোঁৰাটো ইয়াতে থৈ যাব পাৰে।" প্ৰধানমন্ত্ৰীয়ে জানিছিল যে যদি তেওঁ ৰজাৰ কথা মানি নচলে, তেন্তে ৰজাৰ খং উঠিব। তেওঁ নিজৰ ঘোঁৰাটো ৰাজমহলৰ আস্তাবলতে থৈ ৰজাৰ লগত একেটা ঘোঁৰাতে উঠি চিকাৰলৈ যাত্ৰা কৰিলে। তেওঁলোকে ৰাতিপুৱাৰ পৰা আবেলি সময়লৈকে চিকাৰ কৰিলে। তাৰপিছত জিৰণি লবৰ বাবে তেওঁলোক এজোপা গছৰ তলত বহিল। ঘোঁৰাটো অলপ দূৰত থিয় হৈ থাকিল। তাৰ বেছ ভাগৰ লাগিছিল।

ৰজাই কলে, "মই ঘোঁৰাটোক মাতিলে সি মোৰ ওচৰলৈ আহিব। সি মোৰ কথা বৰ মানি চলে। কিন্তু আপুনি মাতিলে আপোনাৰ ওচৰলৈ নাযায়। মই এইজোপা গছৰ ওচৰত থিয় হৈ থাকিম। আপুনি আন এজোপা গছৰ ওচৰত থিয় হওক।" ৰজাৰ কথামতেই প্ৰধানমন্ত্ৰীয়ে আন এজোপা গছৰ তলত থিয় হ'লগৈ। ৰজাই সুহুৰি বজোৱাত ঘোঁৰাটো আগুৱাই আহিবলৈ ধৰিলে। কিন্তু সি ৰজাৰ ওচৰত নৰৈ প্ৰধানমন্ত্ৰীৰ ওচৰ পাই তেওঁৰ হাতত থকা ঘাঁহ মুঠি খাবলৈ ধৰিলে।

"মহাৰাজ, জন্তুৱেই হওক বা মানুহেই হওক সকলোৱে নিজৰ সাধাৰণ প্ৰয়োজনীয়তা পূৰণ কৰিব বিচাৰে। এই ঘোঁৰাটো ৰাতিপুৱাৰে পৰা দৌৰি আছে। গতিকে ই ঘাঁহ দেখি আগুৱাই আহিছে।" মন্ত্ৰীয়ে ঘোঁৰাটোক আৰু অলপ ঘাঁহ দি কলে। "আপুনি বৰ বুদ্ধিয়ক, প্ৰধানমন্ত্ৰী ডাঙৰীয়া।" ৰজাই এইদৰে কৈ প্ৰধানমন্ত্ৰীক আকোৱালি ললে। *– পি কৃষ্ণ মূৰ্তি*



অনুপযুক্ত পৰিৱেশ

বহু দিনৰ আগতে চিত্ৰেশ্বৰ ৰাজ্যত শাস্ত্ৰী নামৰ এজন বৰ বিদগ্ধ পণ্ডিত আছিল। তেওঁ ইমান জ্ঞানী হোৱা স্বত্ত্বেও ৰজাৰ ৰাজসভাত কোনো চাকৰি লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। তেওঁৰ পৰিচিত লোকসকলে তেওঁক পৰামৰ্শ দিছিল, ''তুমি ৰজাক এবাৰ লগ ধৰিবলৈ চেষ্টা কৰা। এই ঠাই তোমাৰ দৰে এজন পণ্ডিতৰ বাবে ঠিক নহয়।''

শাস্ত্ৰীয়ে তেওঁলোকৰ কথাত কেৱল হাঁহিছিল। কিছুমান লোকে তেওঁৰ মুখৰ আগতেই তেওঁক সমালোচনা কৰিছিল, ''ইমান বিদগ্ধ পণ্ডিত হৈ কি লাভ, যদি সেই জ্ঞান কামতেই নাহে। তেনে পণ্ডিতক মূৰ্খ পণ্ডিত বুলি কোৱাটোহে যুগুত হব।'' এনে কথা শুনিলেও শাস্ত্ৰীয়ে কেৱল হাঁহি এটা মাৰি আঁতৰি গৈছিল। তেওঁ কেতিয়াও একো কোৱা নাছিল।

শাস্ত্ৰীৰ সন্তান ৰঘুনাথ শাস্ত্ৰীৰে ছাত্ৰ আছিল আৰু তেওঁ উচিত শিক্ষা লাভ কৰাৰ বাবে শাস্ত্ৰীতকৈ বেছি বিদগ্ধ পণ্ডিত হৈ পৰিছিল। তেওঁ সকলোৰে পৰা প্ৰশংসা লাভ কৰিছিল।

এদিনাখন ৰঘুনাথ মন্দিৰলৈ গৈছিল। ৰাস্তাত তেওঁ দুজন লোকে তেওঁৰ বিষয়ে কথা পাতি থকা শুনিবলৈ পালে। তেওঁলোকৰ এজনে কলে, ''ৰঘুনাথ এজন বৰ বুদ্ধিয়ক যুৱক। ইমান কম বয়সতে ইমান জ্ঞানী হব পৰাটো সহজ কথা নহয়। তেওঁ দেউতাকৰ উপযুক্ত সন্তান। তেওঁ লাহে লাহে দেউতাকতকৈও বেছি বিখ্যাত হৈ উঠিছে।''

সেই কথা শুনি দ্বিতীয়জন লোকে কলে, ''ইমান বেছি জ্ঞান অৰ্জন কৰি কি লাভ আছে। সিও তাৰ দেউতাকৰ দৰেই হব। নিজৰ জ্ঞান আনৰ আগত প্ৰদৰ্শন কৰিবৰ বাবে তেওঁৰ দেউতাকৰ সাহসেই নাছিল। তেনে এজন দেউতাকৰ সন্তান হৈ ৰঘুনাথে

ড. চিৰি

কিদৰে সেই সাহস লাভ কৰিব। কেৱল জ্ঞান অৰ্জন কৰিলেই যথেষ্ট নহয়। তাক কেনেকৈ ব্যৱহাৰ কৰা যায়, সেই কথাও শিকা উচিত।''

ৰঘুনাথে এই কথা শুনি বৰ অপমানিত বোধ কৰিলে। তেওঁ দেউতাকে কৰা ভুল নকৰিবলৈ সিদ্ধান্ত ললে। তেওঁ মন্দিৰৰ পৰা উভতি আহি দেউতাকক কলে যে তেওঁ পিছদিনাখনেই গৈ ৰজাক সাক্ষাৎ কৰি ৰাজসভাত এটা উপযুক্ত চাকৰি দিবৰ বাবে অনুৰোধ কৰিব।

শাস্ত্ৰীয়ে পুতেকৰ কথা শুনি হাঁহিলে আৰু কলে, ''পুত্ৰ, মোৰ আশীৰ্বাদ সদায় তোমাৰ লগত আছে। তুমি প্ৰথমতে হিমালয়ৰ পাদদেশত থকা ঋষি ব্ৰহ্মানন্দক লগ ধৰি তেওঁৰ পৰা এটা দেৱদাৰু গছৰ পুলি লৈ আহাগৈ।''

ৰঘুনাথে এইকথা শুনি হিমালয়লৈ যাত্ৰা কৰিলে। তাৰ পৰা তেওঁ এটা দেৱদাৰু গছৰ পুলি লৈ আহিল। শস্ত্ৰীয়ে পুত্ৰক সেই দেৱদাৰু গছৰ পুলিটো ৰুবলৈ কৈ কলে যে সেই পুলিটোত তিনিটা নতুন পাত ওলোৱাৰ পিছতহে তেওঁ ৰাজসভালৈ গৈ ৰজাক লগ ধৰা উচিত।

ৰঘুনাথে দেউতাকৰ কথা মানি লৈ পুলিটোৰ প্ৰতিপালন কৰিবলৈ ধৰিলে। কিন্তু নতুন পাত ওলোৱাৰ পৰিৱৰ্তে পুলিটো শুকাই যাবলৈহে ধৰিলে। ইমান যত্ন লোৱাৰ পিছতো পুলিটো মৰি থকাৰ বাবে ৰঘুনাথে বৰ বেজাৰ পালে। শাস্ত্ৰীয়ে পুত্ৰক কলে, ''তুমি জানানে যে এই পুলিটো কিয় মৰি থাকিল ?''

''এই ঠাইৰ বাতাবৰণ বা মাটি সম্ভৱত দেৱদাৰুৰ বাবে উপযুক্ত নহয়।''

''ঠিকেই অনুমান কৰিছা। ঠিক একেদৰেই আমাৰ দেশৰ ৰজাৰ ৰাজসভাও পণ্ডিতৰ বিকাশৰ বাবে উপযুক্ত নহয়। তাত মানুহে যুদ্ধৰ কৌশলকহে বেছি গুৰুত্ব দিয়ে। গতিকে তেনে ঠাইলৈ গৈ কিবা লাভ আছে জানো? মানুহেই হওক বা গছেই, দুয়োকে বৃদ্ধি আৰু বিকাশৰ বাবে উপযুক্ত পৰিৱেশৰ প্ৰয়োজন।'' শাস্ত্ৰীয়ে কলে।

''মই আপোনাৰ কথা এতিয়া সম্পূৰ্ণকৈ বুজি পাইছো দেউতা।'' ৰঘুনাথে কলে।

সঞ্জীৱনী ফল

এজন ৰজাক কোনোবাই এটা ফল দি কলে, ‘‘মহাৰাজ এইটো সঞ্জীৱনী ফল। এইটো খোৱাজনৰ মৃত্যু নহয়।’’

ৰজাই সেই কথাত বিশ্বাস কৰিলে। সুখী হৈ ৰজাই সেইটো লবলৈ লওতেই বিদুষকে ফলটো লৈ খাই পেলালে।

এইকথাত ৰজাৰ বৰ খং উঠিল। ‘‘দুষ্ট বিদুষক, মই ফল খাই চিৰঞ্জীৱী হব বিচাৰিছিলো, কিন্তু তুমি অন্যায়কৈ ফলটো খাই পেলালা। এই কামৰ শাস্তি হিচপে মই তোমাৰ শিৰচ্ছেদ কৰাৰ হুকুম দিছো।’’

‘‘মহাৰাজ, এইটো যদি সঁচাকৈয়ে এটা সঞ্জীৱনী ফল, তেন্তে আপুনি মোক কেনেকৈ মাৰিব পাৰে?’’ বিদুষকে সুধিলে।

‘‘নহয়, এই কথা মোৰ বিশ্বাস নহয় যে এইটো এটা সঞ্জীৱনী ফল। মই নিশ্চিতকৈ তোমাৰ শিৰচ্ছেদৰ আদেশ দিম।’’

‘‘যদি সেইটো এটা সাধাৰণ ফলেই হয়, তেন্তে তাক খোৱা বাবেই আপুনি মোৰ শিৰচ্ছেদ কৰোৱাব?’’ বিদুষকে সুধিলে।

এই কথা শুনি দৰবাৰত থকা লোকসকলে হাঁহি উঠিল। লগতে ৰজাইও হাঁহিবলৈ ধৰিলে।

মই কি হ'ব পাৰো?

পার্টি আদিত ফটো তুলি ফুৰাৰ অভ্যাস তোমাৰ আছে নেকি বাৰু? যদি তুমি পৃথিবীখনক কেমেৰাৰ লেনছৰ মাজেদি চাই ভাল পোৱা, তেন্তে ফটোগ্ৰাফিক পেশা হিচাপে লোৱাৰ কথা চিন্তা কৰিব পাৰা। জনসংযোগৰ ক্ষেত্ৰখনত হোৱা পৰিৱৰ্তনৰ বাবে, নানা ধৰণৰ বিজ্ঞাপন কোম্পানীৰ আবিৰ্ভাৱৰ বাবে, ফেশ্বন, ডিজিটেল ফটোগ্ৰাফি আদিৰ বাবে বৰ্তমান সময়ত ফটোগ্ৰাফি এক লোভনীয় পেশালৈ পৰিণত হৈছে। যিসকলৰ ফটো তোলাৰ চখ আছে সেইসকলে ফটোগ্ৰাফিক পেশা হিচাপে গ্ৰহণ কৰিব পাৰে। ইয়াক পেশা হিচাপে গ্ৰহণ কৰিবৰ বাবে দুই ধৰণেৰে আগবাঢ়িব পাৰি। প্ৰথমটো হ'ল ফটোগ্ৰাফিৰ আনুষ্ঠানিক কোৰ্ছ গ্ৰহণ কৰি। আনুষ্ঠানিক কোৰ্ছ গ্ৰহণ কৰিলে আলোচনী বা বাতৰিকাকতত ফটোগ্ৰাফাৰৰ চাকৰি পোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। এক নিয়মীয়া উপাৰ্জনৰ লগতে নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰিবৰ বাবে সুবিধা পোৱা যায়। ফটোগ্ৰাফাৰ হোৱাৰ বাবে দ্বিতীয়টো পথ হ'ল, এজন পেশাদাৰী ফটোগ্ৰাফাৰৰ সহকাৰী হিচাপে কাম কৰি ফটোগ্ৰাফিৰ জ্ঞান লাভ কৰা। এনে কৰি ফটোগ্ৰাফিৰ ওপৰত বহু বাস্তৱিক জ্ঞান লাভ কৰিব পৰা যায়।

যদি কাৰোবাৰ ফটোগ্ৰাফি কৰাৰ ইচ্ছা আছে, তেন্তে তলত কথা কেইটাত মনোযোগ দিব লাগে–

- বিষয়বস্তুৰ দৰ্শন আৰু তাৰ ওপৰত পোহৰ কেনেকৈ পৰিছে
- বিষয়বস্তুৰ ৰঙ, আকৃতি আৰু তাৰ ছাঁ
- বিষয়বস্তুৰ ৰং দিনৰ বেলেগ বেলেগ সময়ত কেনেকৈ সলনি হয়

ৰাপ অনুযায়ী ফটোগ্ৰাফিৰ নানান শাখাক পেশা হিচাপে গ্ৰহণ কৰিব পাৰি। সেইবিলাকৰ কিছুমান হ'ল– ফটো-সাংবাদিকতা, ব্যৱসায়িক ফটোগ্ৰাফি, বিজ্ঞাপন ফটোগ্ৰাফি, ফেশ্বন ফটোগ্ৰাফি, খাদ্য প্ৰদৰ্শন ফটোগ্ৰাফি, উদ্যোগ ফটোগ্ৰাফি, জীৱ-জন্তুৰ ফটোগ্ৰাফি, আকাশী (এৰিয়েল) ফটোগ্ৰাফি আৰু বৈজ্ঞানিক ফটোগ্ৰাফি।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে দ্বাদশ শ্ৰেণী সম্পূৰ্ণ কৰিছে সেইসকল ফটোগ্ৰাফিৰ ডিপ্লমা আৰু চাৰ্টিফিকেট পাঠ্যক্ৰমত নামভৰ্তি কৰিবৰ বাবে যোগ্য। তলৰ প্ৰতিষ্ঠানবিলাক ফটোগ্ৰাফিৰ পাঠ্যক্ৰমৰ বাবে ভাৰততে বিখ্যাত–

- Deendayal adhyay, Gorakhpur Univerity, Gorakhpur -ı273009.
- Film and Television Institute of India, Law College Road, Pune - 411004.
- St. Xavier's Institute of Communication, St. Xaviers college, Fort, Mumbai - 400001.
- The Film and TV Institute of Tamil Nadu – 600113.
- India International Photographic Council, 12, Modern School, Barakhamba Road, New Delhi.

– *ছাই*

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৯

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

*যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৯ লিখা।

৪) তোমাৰ উত্তৰ ৩১ মেৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ জুলাই মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ভাৰতীয় খেলুৱৈ

১. কোন এথলিটক ভাৰত চৰকাৰে ১৯৫৮ চনত পদ্মশ্ৰী বটাৰে সন্মানিত কৰিছিল?

২. ১৯৯৯-২০০০ চনত ৰাজীৱ গান্ধী খেল-ৰত্ন বটাৰে সন্মানিত হোৱা ভাৰতীয় হকী খেলুৱৈজন কোন?

৩. ১৯৯০ৰ দশকত বিলিয়াৰ্ডৰ জগতখনত ৰাজত্ব কৰা খেলুৱৈজন কোন?

৪. কোনজন খেলুৱৈৰ অবিস্মৰণীয় প্ৰদৰ্শনৰ সহায়ত ভাৰতে দক্ষিণ কোৰিয়াক বাস্কেটবল খেলত পৰাভূত কৰিছিল?

৫. ২০০০ চনত অলিম্পিকত ভাৰোত্তোলনত ৰূপৰ পদক লাভ কৰা খেলুৱৈজন কোন?

৬. ১৯৮৭ চনত গ্ৰেণ্ড মাষ্টাৰ উপাধি লাভ কৰা ভাৰতৰ প্ৰথম জন দবা খেলুৱৈৰ নাম কি?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩৬, জানুৱাৰী, ২০১২ ৰ উত্তৰ:

১. কাশ্মীৰ, ২. কইম্বাটোৰ, ৩. মেঘালয়, ৪. নীলগিৰি, ৫. মুম্বাই, ৬. কোচি, ৭. জয়পুৰ

January'12 Winners: 1. Mayank Negi, Haryana - 136119; 2. M. Lalitha, Hyderabad-500028; 3. Yagnesh Saradchandra Chaphalkar, Nasik - 422006; 4. C.G. Jeeragalamath, Mariyappanpalya, Rajaji Nagar, Karnataka; 5. S. Saisree, Palakkad, Kerala.

কৌতুক

অস্ত্রোপচাৰৰ পিছত এজন মানুহে এনাষ্টেছিয়াৰ পৰা সাৰ পাই উঠিছিল আৰু তেতিয়া তেওঁৰ পত্নী তেওঁৰ বিচনাৰ কাষতে বহি আছিল। তেওঁ চকু মেলিয়েই কলে, ‘‘তুমি বৰ ধুনীয়া।’’ তাৰপিছত তেওঁ পুণৰ টোপনী গ’ল। তেওঁ তেনেদৰে কোৱা তেওঁৰ পত্নীয়ে কেতিয়াও শুনা নাছিল। সেইবাবে তেওঁ তাতে বহি থাকিল। অলপ সময়ৰ পিছত মানুহজনে পুণৰ চকু মেলি কলে, ‘‘তুমি বৰ মৰমলগা।’’ পত্নীয়ে ‘ধুনীয়া’ৰ পৰিৱৰ্তে ‘মৰমলগা’ শব্দটো বৰ ভাল নাপালে। তেওঁ সুধিলে, ‘‘ধুনীয়াৰ পৰিৱৰ্তে মৰমলগা বুলি কৈছা যে?’’ মানুহজনে উত্তৰ দিলে, ‘‘দৰৱৰ নিচা আঁতৰি গৈছে।’’

নৱবিবাহিতা পত্নীৰ প্ৰতি ৰাজেশ: মই যদি কও যে মোৰ ওপৰৰ পাৰি দাত নকল, তোমাৰ খং উঠিব নেকি?

নৱবিবাহিতা পত্নী: নুঠে, কিয় উঠিব? এতিয়া মই তেনেহলে মোৰ নকল চুলি আৰু কাঠৰ ভৰিখন খুলি জিৰণি লব পাৰো।

গ্ৰাহক: ৱেইটাৰ, ইয়াত বহুটো মাখি আছে। কথাটো মই ভাল দেখা নাই।

ৱেইটাৰ: মহাশয়, আপুনি কোনবিলাক ভাল দেখা নাই মোক কলে মই সেইবিলাক আতৰাই দিম।

শিক্ষক: তোমাৰ ওচৰত দহ টকা আছে আৰু তুমি তোমাৰ দেউতাক দহ টকা খুজিলা। তাৰপিছত তোমাৰ ওচৰত কিমান টকা থাকিব?

ৰিকি: দহ টকা।

শিক্ষক: তুমি গণিত একেবাৰে নাজানা?

ৰিকি: আপুনি মোৰ দেউতাক একেবাৰে নাজানে।

এজন খেতিয়কে কান্ধত এটা ডাঙৰ মোনা লৈ গৈ আছিল। গৰুগাড়ীত গৈ থকা আন এজন মানুহে তেওঁক সহায় কৰি গাড়ীত লৈ যাব খুজিলে। গাড়ীত উঠাৰ পিছতো খেতিয়কজনে মোনাটো কান্ধৰ পৰা নমাই নোথোৱা দেখি গৰুগাড়ীৰ মালিকে কলে, ‘‘তুমি সেই গধুৰ মোনাটো নমাই নোথোৱা কিয়?’’ ‘‘তোমাৰ বলদটো বেছ বয়সীয়া যেন লাগিছে। সেইবাবে এই মোনাৰ ওজন তাৰ ওপৰত দিব খোজা নাই।’’ খেতিয়কে কলে।

'ষ্টু' কি?

'বিয়েকিঅ'ফি' হ'ল ফ্ৰান্সৰ এক অতি জনপ্ৰিয় ষ্টু। ইয়াক পিয়াজ, বিলাহী, মাংস আদি সম্পূৰ্ণ এৰাতি মিহলাই থোৱাৰ পিছত তৈয়াৰ কৰা হয়। বিয়েকিঅ'ফি শব্দটোৰ অৰ্থ হ'ল ৰান্ধনিৰ অভেন। পৰম্পৰাগতভাৱে, মহিলাই ৰাতিপুৱা ইয়াক ৰান্ধনিৰ ওচৰত লাহে লাহে ঠাণ্ডা হৈ অহা অভেনত ৰান্ধিবৰ বাবে থৈ যায় আৰু স্কুলৰ পৰা ল'ৰা-ছোৱালী ঘৰলৈ উভতি আহোতে সিঁহতে পাত্ৰটো ঘৰলৈ লৈ আহে।



'কাকাভিয়া ষ্টু' হ'ল গ্ৰীছৰ এক বিখ্যাত খাদ্য আৰু ইয়াক সাধাৰণতে 'মাছমৰীয়াৰ চুৰুহা' বুলি কোৱা হয়। সাধাৰণতে বিক্ৰী নোহোৱা স্কৰপিয়ন মাছ বা আন তেনেধৰণৰ মাছৰ পৰা মাছমৰীয়াসকলে এই ষ্টু তৈয়াৰ কৰিছিল।



'ৱেলছ ষ্টু'ক কউল বুলি কোৱা হয় আৰু ইয়াক গাহৰিৰ মঙহ, গাজৰ, আলু আৰু পিয়াজৰ গছৰ পৰা তৈয়াৰ কৰা হয়। কথিত আছে যে এবাৰ ৱেলছৰ এক যুৱৰাজ ৰজা হৈ পৰিল, কিন্তু তেওঁ অতি এলেহুৱা আছিল। এবাৰ তেওঁ ৰান্ধনিয়ে এই ষ্টু ৰান্ধি থকা চাই থাকোতে দেখিলে যে এডোখৰ মঙহ বাৰে পতি তললৈ ঠেলি দিয়াৰ পিছতো ওপৰলৈ উঠি অহাত ৰান্ধনিয়ে ভোৰভোৰাই আছিল। এই ঘটনাই যুৱৰাজক প্ৰভাৱিত কৰিলে আৰু তেওঁৰ অভ্যাস সলনি কৰিলে।

'নিকুজাগা ষ্টু'ৰ কাহিনী হ'ল এনে- ট'গ' হেইহাচিৰ নামৰ এজন নেভীৰ ফ্লাইট এডমিৰেলে ৰান্ধনিক গৰুৰ মঙৰ ষ্টু ৰান্ধিবলৈ দিলে। সেই ষ্টু পাতলকৈ চকলিওৱা গৰুৰ মঙহ, আলু, পিয়াজ আৰু ছয়া চচৰ পৰা তৈয়াৰ কৰা হৈছিল। কথিত আছে যে ভিটামিন বি কমি যোৱাত বাধা দিবৰ বাবে এডমিৰেলে এই খাদ্যক নেভীৰ খাদ্য হিচাপে ব্যৱহাৰ কৰা আৰম্ভ কৰে।

'গেইছবাগাৰ মাৰ্ছ' হ'ল এক প্ৰকাৰৰ গৰুৰ মঙহৰ ষ্টু, যাক গৰুৰ মঙহৰ চুৰুহাত মাংস আৰু আলু দি তৈয়াৰ কৰা হয়। তৈয়াৰ কৰাৰ পিছত এই ষ্টুক পিয়াজ আৰু মাখনেৰে পৰিবেশন কৰা হয়। এই ষ্টু ১৯শ শতিকাত গেইছবাগলৈ মাৰ্ছ কৰা সৈন্যবাহিনীৰ অফিচাৰসকলৰ মাজত বৰ জনপ্ৰিয় আছিল। এই ষ্টুক পৰিবেশন কৰা ৰেষ্টুৰাখনৰ নাম আছিল 'বেকাৰছিমাইড'।

চুমু ৰেষ্টলাৰসকলে তেওঁলোকৰ দৈনিক খাদ্যত নানা ধৰণৰ বিশেষ খাদ্য গ্ৰহণ কৰে। 'চানকনাবে ষ্টু' হ'ল সেইবিলাকৰ এবিধ। ই হ'ল বহু প্ৰটিন থকা ষ্টু আৰু ইয়াক টফু, মুৰ্গীৰ মঙহ, মাছ আৰু শাক-পাছলিৰ পৰা তৈয়াৰ কৰা হয়। ইয়াক জ্যেষ্ঠসকলক আগত পৰিবেশন কৰা হয়। প্ৰথমতে জ্যেষ্ঠসকলে লোৱাৰ পিছত কনিষ্ঠ ৰেষ্টলাৰসকলে যি বাকী থাকে তাকেই খায়। প্ৰতিযোগিতাৰ আগত পৰিবেশন কৰা চানকনাবে ষ্টুত কেৱল মুৰ্গীৰ মঙহহে থাকে।

মেক্সিকোৰ ষ্টু 'চিলি কন কাৰনে' হ'ল এক প্ৰকাৰৰ মছলাযুক্ত খাদ্য যাক মঙহ, জালুক, জলকীয়া আৰু আন মছলাৰ পৰা তৈয়াৰ কৰা হয়। বিশ্বাস কৰা হয় যে এক স্পেইনৰ নানে আমেৰিকাৰ স্থানীয় লোকসকলক এই ষ্টু তৈয়াৰ কৰিবলৈ শিকায়। ১৯৮০ৰ দশকত, ৰঙীন উজ্জ্বল পোছাক পৰিধান কৰা 'হিচপানিক' মহিলাই ৰাজপথত এই ষ্টু তৈয়াৰ কৰি বিক্ৰী কৰিছিল।

'হালিম' হ'ল ছাগলীৰ মঙহ, ঘেহু আৰু একপ্ৰকাৰৰ মাহৰ পৰা তৈয়াৰী ষ্টু আৰু ই ভাৰত আৰু পাকিস্থানত বৰ জনপ্ৰিয়। বছৰৰ সকলো সময়তে ইয়াক বজাৰত কিনিবলৈ পোৱা যায়। কোৱা হয় যে ভালদৰে এই ষ্টু ৰান্ধিবৰ বাবে এসপ্তাহ সময়ৰ প্ৰয়োজন। ইছলামধৰ্মী লোকসকলৰ বিৱাহ আৰু আন ধৰণৰ অনুষ্ঠানত এই ষ্টুৰে খোৱাৰ আৰম্ভণি কৰা হয়।

'বোয়াহ ষ্টু' মাংস আৰু শাক-পাছলিৰ পৰা তৈয়াৰ কৰা হয়। ইয়াক সাধাৰণতে সৰহকৈ ৰন্ধা হয়। নানা ধৰণৰ অনুষ্ঠানত হেজাৰ হেজাৰ মানুহক এই ষ্টু পৰিবেশন কৰা হয়। এই ষ্টু ৰান্ধিবৰ বাবে দুদিন সময়ৰ দৰকাৰ হয় আৰু বহু লোকে ইয়াক তৈয়াৰ কৰাত অংশ লয়। বিশেষভাৱে নিৰ্মিত 'বোয়াহ কেটলি' এই ষ্টু ৰান্ধিবৰ বাবে ব্যৱহাৰ কৰা হয়।

'বাইগোছ'ক পোলেণ্ডৰ ৰাষ্ট্ৰীয় খাদ্য ৰূপে মানি চলা হয়। এই ষ্টুত নানাধৰণৰ মঙহ থাকে। তাৰ লগতে বহুদিনৰ পুৰণি বা নতুন বন্ধাকবিও যোগ কৰা হয়। এই ষ্টুক এসপ্তাহ বা তাতোকৈ বেছি সময় ধৰি পৰিবেশন কৰা হয় আৰু প্ৰতিদিনেই তাত নতুন ধৰণৰ মছলা যোগ কৰা হয়।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	Come on, let's play.	I don't remember.
Assamese	আঁহা, আমি খেলো।	মোৰ মনত নাই।
Telugu	రండి. ఆటాడుకుందాము. ৰাণ্ডী. আটাডুকুমধামু.	నాకు గుర్తు లేదు. নাকু গুৰথু লেধু.
Tamil	வா, விளையாடுவோம். ভা! ভিলাইয়াডুভম.	எனக்கு நினைவில்லை. ইনাক্কু নিনাইভিল্লাই.
Bengali	চলো, আমরা খেলি। চ'ল', আমাৰা খেলি।	আমার মনে পড়ছে না। আমাৰ মনে পৰছি না।
Marathi	चला खेळूया. চল খেলুয়া।	मलाआठवत नाही. মল অথভত নাহি।
Kannada	ಬನ್ನಿ, ನಾವು ಆಡೋಣ. বান্নী, নাভু আদোন.	ನನಗೆ ನೆನಪಿಲ್ಲ নানাগে নিনাপিল্লা.
Oriya	ଆସନ୍ତୁ, ଖେଳିବା আছান্তু খেলিবা।	ମୋର ମନେ ନାହିଁ। মোৰ মনে নাহি।
Gujarati	ચાલો, આપણે રમીએ. চ'ল', আওপনি ৰমিয়ে.	મને યાદ નથી. মনে য়াদ নাথি.
Hindi	आओ खेलें। আঅ' খেলে.	मुझे याद नहीं। মুঝে য়াদ নেহি.
Malayalam	വരൂ, കളിക്കാം. ভাৰু, কলিক্কাম.	എനിക്ക് ഓർമ്മയില്ല. ইনাক্কু অৰমাইল্লা.
Santali	ᱰᱮᱞᱟ ᱮᱧ ᱟᱞᱟᱝ। ডেলা এঞ্জ অলং।	ᱵᱟᱧ ᱩᱭᱟᱹᱨ ᱟᱠᱟᱫᱼᱟ। বঞ্জ উয়াৰ অকাড়–অ।
Sanskrit	आगच्छ, खेलाम:। আগচ্ছা, খেলামঃ।	नाहं स्मरामि। নাহম স্মৰামি।

English	Did you read this?	I read it long back.
Assamese	তুমি এইটো পঢ়িলানে?	মই বহু আগতেই এইটো পঢ়িলো।
Telugu	మీరు దీన్ని చదివారా? মিরু ধানী চাদিভাবা?	దాన్ని ఎప్పుడో చదివేశాను. ধানী ইপপুডু চাধিভেচানু.
Tamil	நீ இதைப் படித்தாயா? নি ইধই পডিথায়?	நான் முன்னமே படித்தேன். নান মুন্নামে পডিটথেন.
Bengali	তুমি কি এটা পড়েছ? তুমি কি এটা পড়িছ'?	আমি এটা অনেক আগে পড়েছি। আমি এটা অনেক আগে পড়িছি।
Marathi	तू हे वाचलंस का? তু হে ভচলচ ক?	मी खूप पूर्वी वाचलं होतं. মি খুপ পূর্বী ভচল হতা।
Kannada	ನೀವು ಇದನ್ನು ಓದಿದ್ದೀರಾ? নিভু ইডান্নু অডিড্ডিৰা?	ನಾನು ಅದನ್ನು ಬಹಳ ಹಿಂದೆಯೇ ಓದಿದ್ದೆ নানু অডন্নু বহল হিনডেয়ে ওডিড্ডে.
Oriya	ଆପଣ ଏହା ପଢ଼ିଥିଲେ କି? অপন ইহা পঢ়িথিলে কি?	ମୁଁ ବହୁତ ଦିନ ତଳେ ପଢ଼ିଥିଲି। মুন বহুত দিনা তলে পঢ়িথিলি।
Gujarati	તમે આ વાંચ્યું હતું? তামে আ ভাঞ্চয়ু হটু?	મેં તેને ખૂબ પહેલા વાંચ્યું હતું মি তেনে খুব পহেলা ভাঞ্চয়ু হতো.
Hindi	क्या तुमने यह पढ़ा? কা তুমহে য়ে পড়া?	मैंने यह बहुत पहले पढ़ा था। মেইনে য়ে বহুত পেহেলে পড়া থা.
Malayalam	നീ ഇത് വായിച്ചോ? নি ইথু ভায়িচু?	ഞാൻ വളരെ മുമ്പേ വായിച്ചു. নান ভলেৰে মুম্বে ভায়িচো.
Santali	ᱱᱚᱣᱟ ᱯᱚᱛᱷᱟᱣ ᱚᱠᱟᱲ-ᱟ? নরম পথাও অকাড়-অ?	ᱟᱫᱤ ᱫᱤᱱ ᱵᱤᱧᱟ ᱯᱚᱛᱷᱟᱣ ᱞᱮᱜ-ᱟ। অদি দিন বিঞ্জ পথাও লেগ-অ।
Sanskrit	किम् एतत् त्वया पठितम्? কিম ইতত তভ্যা পথিতম?	मया बहुपूर्व पठितमस्ति एतत्। ময় বহপূর্ভম পথিতমস্তি ইতত।

শগুণৰ বাবে এখন ৰেষ্টুৰেন্ট



শগুণ হ'ল প্ৰকৃতিৰ এক গুৰুত্বপূৰ্ণ অংগ। সিঁহত হ'ল প্ৰকৃতিৰ চফাই কৰ্মী। যেতিয়া অৰণ্যৰ মাজত জীৱ-জন্তু মৃত্যু মুখত পৰে, তেতিয়া শগুণেই সেই মৰাশ খাই চাফা কৰি পেলায়। যোৱা দুটা দশকৰ পৰা ভাৰত, নেপাল আৰু পাকিস্থানত শগুণৰ সংখ্যা কমি আহিছে। ইয়াৰ কাৰণ হ'ল জীৱজন্তুত প্ৰয়োগ কৰা এক বিষনাশক। নানাধৰণৰ ৰাসায়নিক ঔষধ প্ৰয়োগ কৰা এই জীৱ-জন্তু বিলাক ভক্ষণ কৰাৰ ফলত ভালে সংখ্যক শগুণ অকালতে মৃত্যু মুখত পৰিবলগীয়া হৈছে। ২০০৬ চনত ভাৰত চৰকাৰে এনে এক ঔষধ 'ডিকলোফেনা'ক নিষিদ্ধ কৰাৰ পিছতো কৃষকসকলে ইয়াৰ ব্যৱহাৰ অব্যাহত ৰাখিছে।

বিলুপ্ত হোৱাৰ পৰা শগুণক ৰক্ষা কৰিবৰ বাবে, ফানছাদ বন্যপ্ৰাণী উদ্যানৰ সহযোগত মহাৰাষ্ট্ৰই এক নতুন প্ৰকল্প হাতত লৈছে। তেওঁলোকে এনে এক সুৰক্ষিত স্থানৰ সৃষ্টি কৰিছে য'ত শগুণে নিৰাপদে ভক্ষণ কৰিব পাৰে। শগুণৰ বাবে নিৰ্মিত এই ৰেষ্টুৰেন্টখনে গাৱৰ পৰা ডিকলোফেনা নথকা জীৱ-জন্তুৰ মৰাশ ক্ৰয় কৰে আৰু ইটাৰে নিৰ্মিত মজিয়াত শগুণে খাবৰ বাবে থৈ দিয়ে। সেই স্থান শগুণবিলাকে বাহ সাজিবৰ বাবে আৰু উমনি দি পোৱালী জগাবৰ বাবেও ব্যৱহাৰ কৰে।

বক্সিঙৰ ৰাণী

এম চি মেৰি কম হ'ল মনিপুৰৰ মইৰাং লামখাই অঞ্চলৰ কাংগাথেই গাৱৰ এগৰাকী মহিলা বক্সাৰ। বিশ্ব চেম্পিয়নশ্বিপত পাঁচবাৰকৈ চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰা তেওঁ হ'ল প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ। ছখন বিশ্বকাপ প্ৰতিযোগিতাৰ প্ৰতিখনতেই নুন্যতম এটাকৈ পদক লাভ কৰা তেওঁ হ'ল একমাত্ৰ বক্সাৰ। তেওঁ এই পৰিক্ৰমাৰ আৰম্ভণি কৰে ২০০১ চনৰ প্ৰতিযোগিতাত এটা ৰূপৰ পদক লাভ কৰি। মেৰীৰ জন্ম হয় ১৯৮৩ চনত। তেওঁ পিতৃ আৰু মাতৃৰ নাম হ'ল মাংগটে টনপা কম আৰু মাংগটে আখাম কম। তেওঁৰ ককাই-ভনীসকলৰ ভিতৰত তেৱেঁই জ্যেষ্ঠ। ১৭ বছৰ বয়সত এগৰাকী এথলিট হিচাপে ৰাজিক্য পৰ্যয়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মেৰীয়ে খেলুৱৈ জীৱনৰ আৰম্ভণি কৰিছিল।

CHANDAMAMA'S
Ramayana
An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

বুদ্ধিৰ সাগৰ
বীৰবল
স্বাৰ্থপৰ কোন, স্বাৰ্থহীন কোন?
১. এদিনাখন আকবৰে দৰবাৰত বীৰবলক সুধিলে, ''এই পৃথিৱীত সকলোতকৈ স্বাৰ্থপৰ আৰু সকলোতকৈ স্বাৰ্থহীন প্ৰাণী কি? যদি বিচাৰি পোৱা তেন্তে দৰবাৰলৈ লৈ আহিবা।''
২. বীৰবলৰ মনত পৰিল যে তেওঁৰ জোঁৱায়েকে তেওঁৰ পৰা যেতিয়াই তেতিয়াই ইটো সিটো দাবী কৰি আছে। তেওঁ ভাৱিলে, 'তাতকৈ আৰু কোন বেছি স্বাৰ্থপৰ হব পাৰে?''
৩. বীৰবলে তেওঁক লাজ দিবৰ বাবে এক সুযোগৰ অপেক্ষাত আছিল। তেওঁ ভাৱিলে, 'এয়া এক ভাল সুযোগ। মই তাক সম্ৰাটৰ ওচৰলৈ লৈ অহা উচিত।'
৪. বীৰবলে তাৰপিছত মূৰ দোৱাই কলে, ''শ্বাহেনশ্বাহ, মই এনে দুটা প্ৰাণীৰ কথা জানো। মই কালিলৈকে সিঁহতক দৰবাৰলৈ লৈ আহিম।''
৫. পিছদিনাখন, বীৰবলে তেওঁৰ পোহনীয়া কুকুৰটো আৰু জোঁৱায়েকক দৰবাৰলৈ লগত লৈ অহা দেখি সম্ৰাটকে ধৰি সকলো বৰ আচৰিত হ'ল।



৬. বীৰবলে কলে, ''শ্বাহেনশ্বাহ, মোৰ পোহনীয়া কুকুৰটোৱেই এই পৃথিৱীৰ সকলোতকৈ স্বাৰ্থহীন প্ৰাণী। মই তাক যিয়েই খাবলৈ দিও, তাকে খায় আৰু মোক বৰ ভাল পায়।''

৭. ''মই যি দিও তাত মোৰ জোঁৱাই কেতিয়াও সন্তুষ্ট নহয়। তেওঁ ইটোৰ পিছত সিটো বস্তু দাবী কৰিয়েই থাকে। জোঁৱাইৰ দৰে স্বাৰ্থপৰ প্ৰাণী এই পৃথিৱীত নাই।''



৮. ''তেন্তে তেওঁক শিৰচ্ছেদ কৰা হওক। মই এনে স্বাৰ্থপৰ জোঁৱাই মোৰ সম্ৰাজ্যত থকাটো নিবিচৰো।'' আকবৰে কলে।



৯. ''শ্বাহেনশ্বাহ, লৰালৰি নকৰিব। আপুনি, মই এইটো পাহৰি যোৱা উচিত নহয় যে আমিও কাৰো নহয় কাৰোবাৰ জোঁৱাই।'' বীৰবলৰ উত্তৰ শুনি আকবৰে জোৰেৰে হাঁহি উঠিল।

সকলোতকৈ লুণীয়া পানীৰ সাগৰ

ডেড চি বা মৃত সাগৰ হ'ল এটা বিশাল হ্ৰদ। ই ইজৰাইল আৰু জৰ্ডান দেশৰ সীমাত অৱস্থিত। সাগৰৰ পানী সাধাৰণতে যিমান লুণীয়া, তোতোকৈ ই দহগুণ বেছি লুণীয়া। যি কি নহওক, মৃত সাগৰত কোনো জলজ জীৱ নথকাৰ কাৰণ এয়ে। আনকি এই মৃত সাগৰৰ ওপৰেদি কোনো চৰাই আদি উৰি যোৱাও দেখা নাযায়। এই অঞ্চল হ'ল এই পৃথিৱীৰ ভূমি ভাগৰ সকলোতকৈ দ ঠাই। ইয়াৰ উচ্চতা হ'ল সাগৰৰ পানীৰ উচ্চতাতকৈ ১৩০০ ফুট কম। ইয়াৰ পানীত থকা নিমখৰ পৰিমাণ হ'ল পানীৰ ২৫ শতাংশ। এই কাৰণতেই মৃত সাগৰত যিকোনো বস্তুৱেই অতি সহজতে ওপঙি উঠে।

গৰম জলবায়ু আৰু পানীৰ দ্ৰুত বাষ্পীভৱনে জৰ্দানৰ পৰ্বতৰ ওপৰত এক প্ৰকাৰৰ ধোঁৱাময় পৰিবেশৰ সৃষ্টি কৰে।

গুপ্তধনৰ বাকচ

এই মাহত আমি দক্ষিণ ভাৰতৰ কেইটামান কীৰ্তিচিহ্নৰ ছৱিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আঁহা।

মহীশূৰ পেলেচ



তাঞ্জোৰ পেলেচ



চন্দ্ৰগিৰি দুৰ্গ



বক ফোৰ্ট মন্দিৰ



বেলগাম দুৰ্গ

কৌডিয়াৰ পেলেচ

Chandamama

Art Book

I got Chandamama art book yesterday itself. what a lighting speed. When i see the art book, my 1st impression is "superb printing". In art book each and every image is having nice description in left side of the page. Why don't you mention the description of Chandamama's cover page image monthly wise? Once again thank you for sending the artbook and Chandamama intime.

With Best Wishes,
Dr. V.V. Venkata Ramana, Hyderabad, AP

Order Now

2 Volumes

₹ 1500/-

Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) April 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12